● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

কোনোবাই যদি সন্দেহ প্ৰকাশ কৰে যে আপুনি কিমান দূৰলৈ যাব পাৰিব, তেন্তে ইমান দূৰলৈ আগবাঢ়ি যাওক যাতে তেনেবোৰ কথা আপোনাৰ কাণলৈ নাহেই।

মিচেল ৰুইজ
*আমেৰিকাৰ উদ্যমী*



www.dainikagradoot.in

৭ কোন দেশৰ আছে বিশ্বৰ সৰ্বাধিক যুদ্ধাস্ত্ৰ?
১৫ কমনৱেলথ ভাৰোত্তোলনত অসমৰ পপীৰ ৰূপ
৪ অসমৰ শিক্ষাখণ্ডৰ ভৱিষ্যৎ উদ্বেগজনক

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৬৮তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২৭ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১৪ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 14 December 2021 মূল্য ঃ ৯.০০ টকা

■ ঔৰংগজেৱ আহিলে, শিৱাজীয়ে থিয় দিয়ে ■ দেশবাসীৰ পৰা তিনিটা সংকল্প বিচাৰিলে ঃ স্বচ্ছতা-সৃজন-আত্মনিৰ্ভৰ ভাৰত ■ ডিঙিলৈ ডুব গৈ গংগাপূজন ঃ হৰ হৰ মহাদেৱ ধ্বনি মোদীৰ

# দেশৰ ৪০টাকৈ মন্দিৰৰ পুনৰ নিৰ্মাণ



*কাশী বিশ্বনাথ মন্দিৰত পূজা-অৰ্চনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ, সোমবাৰে।*

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৩ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বৰ্ণাঢ্য আয়োজনেৰে নিজ সমষ্টি উত্তৰ প্ৰদেশৰ বাৰানসীত 'সপোনৰ প্ৰকল্প' উদ্বোধন কৰিলে। কালভৈৰৰ মন্দিৰত পূজা-অৰ্চনা, গংগা স্নানৰ পাছত কাশী বিশ্বনাথ মন্দিৰত তেওঁ পূজা সম্পন্ন কৰে। তাৰ পাছত মুকলি কৰে বহু চৰ্চিত অভিলাষী কাশী বিশ্বনাথ কৰিড'ৰ প্ৰকল্প। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী আদিত্য নাথ যোগীসহ বিজেপিশাসিত সকলোবোৰ ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ উপস্থিতিত আজি বাৰানসীৰ চৌপাশ মোদীময় হৈ পৰে। বিভিন্ন সময়ত তেওঁৰ পোছাকেও আজি দৃষ্টি আকৰ্ষণ আঠ পৃষ্ঠাত চাওক





## আবৰ্জনা বিচৰাৰ অভিযান

■ সঞ্জীৱ সভাপণ্ডিত



**আজি**-কালি মই বেছিকৈ জাবৰ-জোঁথৰৰ মাজত থাকো। মানুহৰ উচ্ছিষ্ট, আবৰ্জনা, লেতেৰা, দুৰ্গন্ধ, মাখি, মহ, গেলেকানি, কদৰ্য, বমি অহা বস্তুবিলাকেই হ'ল মোৰ বৰ্তমানৰ বিচৰণ ক্ষেত্ৰ।

ফুল-তৰা-গান মই একপ্ৰকাৰ বাদেই দিলো। শব্দৰ সমলয় বা সুগন্ধি পখিলা বা কবিতাৰ নিৰ্যাস ১০ পৃষ্ঠাত চাওক

## অনিমেষ ভূঞা হত্যাৰ আঠ অভিযুক্তক জেললৈ প্ৰেৰণ

পূৰ্বৰ পৰা আছে ছজন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৩ ডিচেম্বৰ ঃ** যোৰহাট চহৰৰ মাজমজিয়াত যোৱা ২৯ নৱেম্বৰত সংঘটিত অমানৱীয় নৃশংস হত্যাকাণ্ডত জড়িত আঠজন অভিযুক্তৰ আজি ১৪ দিনীয়া আৰক্ষীৰ জিম্মা অন্ত পৰাত আটাইকেইজনকে আদালতে জেললৈ প্ৰেৰণ ১০ পৃষ্ঠাত চাওক

নগালেণ্ডৰ নাগিনীমৰাত প্ৰতিবাদ কন্যাক ইউনিয়নৰ

## অসম ৰাইফলছৰ ছাউনীত উৰুৱালে ১৪ খন ক'লা পতাকা

**পংকজ শইকীয়া**

**নাগিনীমৰা, ১৩ ডিচেম্বৰ ঃ** চুবুৰীয়া নগালেণ্ডৰ মন জিলাৰ অটিং বস্তিত অসম ৰাইফলছৰ জোৱানৰ গুলিত ১৫ জন নিৰীহ গাঁওবাসীৰ মৃত্যুৰ ঘটনাক লৈ এতিয়াও চেপা উত্তেজনা অব্যাহত আছে। আজি সমগ্ৰ ঘটনাৰ ন্যায় প্ৰদানৰ দাবীৰ লগতে সেনা বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ দাবীত বিশাল প্ৰতিবাদ সাব্যস্ত কৰা হয়। মন জিলাৰ নাগিনীমৰাত কন্যাক ইউনিয়নৰ লগতে নাগিনীমৰা ষ্টুডেণ্টছ ইউনিয়নে বিশাল প্ৰতিবাদী সমদল বাহিৰ কৰে। প্ৰতিবাদকাৰীসকলে 'আমাক ন্যায় লাগে', 'আফস্পা বাতিল কৰক', 'অমিত শ্বাহ মিছলীয়া', 'ইণ্ডিয়ান আৰ্মি গ' বেক' আদিৰ ধ্বনিৰে নাগিনীমৰাৰ আকাশ-বতাহ মুখৰ আঠ পৃষ্ঠাত চাওক

■ বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি বেৰ কাটি গৃহত প্ৰৱেশ দুৰ্বৃত্তৰ

## লখিমপুৰত স্বামীৰ দ্বাৰাই বৰ্বৰোচিত এচিড আক্ৰমণত আহত দুই ভগ্নী

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১৩ ডিচেম্বৰ ঃ** লখিমপুৰ নগৰৰ সমীপৰ ৰঙাজানত যোৱা নিশা এক বৰ্বৰোচিত এচিড আক্ৰমণৰ ঘটনা সংঘটিত হয়। ঘটনাটোত দুগৰাকীকৈ মহিলা গুৰুতৰভাৱে আহত হয়। সমগ্ৰ জিলাখনতে চাঞ্চল্যৰ সৃষ্টি কৰা এই ঘটনাৰ বলি হোৱা দুই দুৰ্ভগীয়া মহিলা এতিয়া সংকটজনক অৱস্থাত চিকিৎসাধীন। আঘাতপ্ৰাপ্ত ৰেহেনা বেগম আৰু নুৰেদা বেগম বাই-ভনী। ১০ বছৰমানৰ পূৰ্বে ৰেহেনাৰ বিবাহ হয় লালুক কৰুণাবাৰীৰ ৰফিকুল ইছলামৰ স'তে। আনহাতে, ভনীয়েক নুৰেদাৰ এক নম্বৰ ৰঙাজানলৈ বিয়া হয়। পৰিয়ালৰ লোকৰ অভিযোগ মতে, বিয়াৰ পাছৰে পৰাই ৰেহেনাৰ স্বামী ৰফিকুলে যৌতুক আদিৰ ১০ পৃষ্ঠাত চাওক

■ প্ৰতিষেধকৰ কাৰ্যকাৰিতা হ্ৰাস কৰে অ'মিক্ৰনে ঃ বিশ্ব স্বাস্থ্য সংস্থা

## ইংলণ্ডত মৃত্যু প্ৰথমজন অ'মিক্ৰন আক্ৰান্তৰ, বিস্তাৰ ঘটিছে ভাৰততো

বুষ্টাৰ প্ৰতিষেধক প্ৰয়োগৰ ঘোষণা ব্ৰিটিছ প্ৰধানমন্ত্ৰী জনছনৰ



■ নিউজ ব্যুৰ'

**লণ্ডন/নতুন দিল্লী, ১৩ ডিচেম্বৰ ঃ** কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰন ক্ৰমাৎ প্ৰাণঘাতী হৈ পৰিছে। এই প্ৰজাতিৰ দ্বাৰা আক্ৰান্ত হোৱা প্ৰথমজন ৰোগীৰ মৃত্যু হৈছে ইংলণ্ডত। এই ঘোষণা কৰিছে ইংলণ্ডৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে। ইয়াৰ লগতে অ'মিক্ৰনৰ বাবে অধিক ১০ পৃষ্ঠাত চাওক

বিশ্ববিদ্যালয় সপ্তাহৰ পৰা সংক্ৰমণৰ সন্দেহ

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাৰিটা আৱাসৰ ১৯ ছাত্ৰ-ছাত্ৰী ক'ভিডত আক্ৰান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** চৰকাৰ তথা সাধাৰণ ৰাইজৰ অৱহেলাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ঠায়ে ঠায়ে ক'ভিডৰ সামূহিক সংক্ৰমণে উদ্বেগজনক ৰূপ লৈছে। শেহতীয়াকৈ গুৱাহাটী বিশ্ববিদ্যালয়ত এনে সংক্ৰমণ ধৰা পৰাৰ ফলত উদ্বিগ্নতা বৃদ্ধি হৈছে। যোৱা ১১ ডিচেম্বৰৰ পৰা শিক্ষানুষ্ঠানখনৰ চাৰিটা ছাত্ৰ-ছাত্ৰী আৱাসৰ ১৯গৰাকী ছাত্ৰ-ছাত্ৰী কৰ'নাত সংক্ৰমিত হোৱাৰ তথ্য স্বাস্থ্য বিভাগৰ পৰীক্ষাত পোহৰলৈ আহিছে। শেহতীয়াকৈ শিক্ষানুষ্ঠানত বিশ্ববিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। ইয়াৰ আঠ পৃষ্ঠাত চাওক

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৪৫ দিনৰ ভিতৰত পৰীক্ষাৰ ফলাফলৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** ভাৰতৰ ছাত্ৰ ফেডাৰেছনৰ অসম ৰাজ্যিক কমিটীয়ে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সামগ্ৰিক ব্যৱস্থাপনা উন্নত কৰাৰ দাবীত বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। ১০ পৃষ্ঠাত চাওক

আবকাৰীৰ অভিযান

## অবৈধভাৱে বিলাতী সুৰা প্ৰস্তুত, দুটাকৈ সুৰা প্ৰস্তুতকাৰী প্ৰতিষ্ঠান ছীল

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১৩ ডিচেম্বৰ ঃ** দীৰ্ঘদিন অবৈধভাৱে বিলাতী সুৰা প্ৰস্তুত কৰি অহাৰ অভিযোগত আজি আবকাৰী বিভাগে গুৱাহাটী মহানগৰ জিলাৰ সোণাপুৰ আৰু ক্ষেত্ৰীৰ কেন্দুবামত দুটাকৈ সুৰা প্ৰস্তুতকাৰী প্ৰতিষ্ঠান ছীল কৰি দিয়ে। আজি আৰক্ষী প্ৰশাসন আৰু দণ্ডাধীশৰ উপস্থিতিত সোণাপুৰ আৰু কেন্দুবামৰ আঠ পৃষ্ঠাত চাওক

■ নিলম্বিত এচিএছ বিষয়া ছইবৰৰ ২০১৯-২০বৰ্ষৰ কাৰ্যকালৰ আন এক বৃহৎ কেলেংকাৰি উন্মোচিত ■ তৃতীয়টো গোচৰত পুনৰ ১০ দিনৰ জিম্মাত ল'লে মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাই

## ভূমি আবণ্টনৰ নামত কোটি কোটি আদায়

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/মানকাচৰ, ১৩ ডিচেম্বৰ ঃ** প্ৰায় ২০ বছৰ অসম অসামৰিক সেৱাৰ বিষয়াৰূপে নিয়োজিত হৈ পাঁচশ কোটিৰো অধিক ধন-সম্পত্তিৰ গৰাকী হোৱা নিলম্বিত বিষয়া ছইবৰ ৰহমানৰ আয়বহিৰ্ভূত সম্পত্তি আহৰণৰ মূল উৎস আছিল ভূমি আৱণ্টন। দক্ষিণ শালমাৰা-মানকাচৰ জিলাত ছইবৰ অতিৰিক্ত উপায়ুক্তৰ দায়িত্বত থকাৰ সময়ত কেৱল ভূমি আৱণ্টনৰ ১০ পৃষ্ঠাত চাওক



■ ছুপাৰ মাৰ্কেটৰ পৰা দৰিদ্ৰ ব্যৱসায়ীক উচ্ছেদ কৰি পাঁচৰ পৰা ২০ লাখ টকাৰ বিনিময়ত ধনিক শ্ৰেণীক আৱণ্টন ■ মাতিনেৰ চৰৰ পৰা দৰিদ্ৰ পৰিয়ালক উচ্ছেদ কৰি সাত-আঠ লাখ টকা লৈ দিছিল আৱণ্টন ■ ভূমি উপদেষ্টা সমিতিৰ সকলো বিষয়ববীয়া সন্দেহৰ আৱৰ্তত

লাবদাংগুৰিৰ বিবাহথলীত হেজাৰ হেজাৰৰ সমাগম

## বিবাহপাশত আবদ্ধ হ'ল একালৰ দুৰ্ধৰ্ষ এনডিএফবি নেতা বি বিদাই



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৩ ডিচেম্বৰ ঃ** একালৰ দুৰ্ধৰ্ষ এনডিএফবি নেতা বি বিদাই ওৰফে জি বিদাই ওৰফে বিষ্ণু গয়াৰী বিবাহপাশত আবদ্ধ হ'ল। বিটিআৰ চুক্তিৰে ১০ পৃষ্ঠাত চাওক

চাৰিটা সমবায়ৰ ২৬ যুৱ খেতিয়কে ৬৪ বিঘা মাটিত কৰিছে খেতি

## নলবাৰীত সোণ ফুলৰ হালধীয়াত বুৰ গৈছে ব্ৰহ্মপুত্ৰৰ বলুকা

**বিশেষ সংবাদদাতা**

**নলবাৰী, ১৩ ডিচেম্বৰ ঃ** মাত্ৰ কেইমাহমান পূৰ্বে ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতে ভয়াবহ ৰূপ ধাৰণ কৰিছিল নলবাৰীৰ বৰক্ষেত্ৰী সমষ্টিৰ নদীকাষৰীয়া ভূমিত।



বাৰিষাৰ নদীৰ বাঢ়নী পানীয়ে তচ-নচ কৰিছিল কৃষি ভূমি। খেতি আৰু ভেটি হেৰুৱাই সৰ্বস্বান্ত হৈ পৰিছিল খাটিখোৱা খেতিয়ক। এতিয়া নদীৰ পানী ১০ পৃষ্ঠাত চাওক

## মহানগৰীত ভাড়াঘৰত কিশোৰীক হত্যা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** গুৱাহাটী মহানগৰীত আজি পুনৰ সংঘটিত হয় আন এক হত্যাকাণ্ড। গড়চুক আৰক্ষী থানাৰ অন্তৰ্গত গোসাঁইগাঁৱৰ ভাড়াগৃহত আজি বিয়লি এগৰাকী কিশোৰীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে এয়া হত্যাকাণ্ড বুলি আৰক্ষীয়ে সদৰী কৰে। উল্লেখ্য যে পূব বৰাগাঁও অঞ্চলত সংঘটিত এই হত্যাকাণ্ড ১৩ বছৰীয়া কিশোৰীগৰাকীৰ পিতৃ বল বাহাদুৰ বিশ্বকৰ্মা ওৰফে বলেন ছেত্ৰীয়ে সংঘটিত কৰা বুলি সন্দেহ কৰিছে আৰক্ষীয়ে। তদন্তকাৰী আৰক্ষীয়ে সদৰী কৰা অনুসৰি, বল বাহাদুৰ-পত্নী পাৰ্বতী বড়ো আৰু তেওঁলোকৰ ১৩ বছৰীয়া কন্যা আঠ পৃষ্ঠাত চাওক

## বন সুৰক্ষা কৰ্মীৰ গুলিত শিশুৰ মৃত্যুৰ ঘটনাৰ সাক্ষ্য

**অগ্ৰদূত বাৰ্তা**


**বকো, ১৩ ডিচেম্বৰ ঃ** বন্যহস্তীৰ জাক চাবলৈ আহি বনৰক্ষীৰ গুলিত গুলিবিদ্ধ হৈ মৃত্যু হোৱা কণমানি আৰ্বি দৈমাৰীৰ ঘটনাৰ আজি দণ্ডাধীশ পৰ্যায়ৰ তদন্ত আৰম্ভ হয়। বিয়লি বকোৰ গড়কাপ্তানী বিভাগৰ ডাক ১০ পৃষ্ঠাত চাওক

■ ঘোৰ অন্ধকাৰে আৱৰিছে ঃ নাই মেৰামতি ■ বিপদসংকুল যাত্ৰা

## সুদীৰ্ঘ সাত বছৰে জ্বলা নাই কলিয়াভোমোৰা সেতুৰ বিজুলি চাকি

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ ডিচেম্বৰ ঃ** বীৰ কলিয়াভোমোৰাৰ নামেৰে নামকৰণ কৰা নগাঁও-শোণিতপুৰ জিলা সংযোগী কলিয়াভোমোৰা সেতুখন সুদীৰ্ঘ সাত বছৰে আন্ধাৰে গ্ৰাস কৰি ৰাখিছে। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিত দ্বিতীয়খন দলং কলিয়াভোমোৰা সেতু উদ্বোধন কৰা হৈছিল ১৯৮৭ৰ ১৪ এপ্ৰিলত। ৩.০১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ বহু প্ৰত্যাশিত এই দলংখন উদ্বোধন কৰি দেশৰ বাবে



উৎসৰ্গা কৰিছিল তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে। তেতিয়াৰ পৰাই মধ্য অসম, উজনি অসমৰ লগত উত্তৰ অসমৰ যাতায়াতৰ দীৰ্ঘদিনীয়া সমস্যাৰ অন্ত পৰে। ইপিনে, প্ৰতিৰক্ষাৰ ক্ষেত্ৰতো এই কলিয়াভোমোৰা সেতু যথেষ্ট গুৰুত্বপূৰ্ণ বিবেচিত হৈ আহিছে। এই গুৰুত্বপূৰ্ণ সেতুখন সুস্থ-সৱল আৰু আটকধুনীয়া কৰি ৰখাৰ ক্ষেত্ৰত আঠ পৃষ্ঠাত চাওক

নগাঁৱত জীৱ-জন্তুৰ অংগ সৰবৰাহকাৰী ধৃত

## উত্তৰ প্ৰদেশলৈ নিয়াৰ পথত জব্দ এক ট্ৰাক চোৰাং গৰু-ম'হৰ হাড়-শিং

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ ডিচেম্বৰ ঃ** ৰাজ্যত গো-সুৰক্ষা আইন বলৱৎ কৰাৰ সময়তে নগাঁৱত সক্ৰিয় হৈছে গৰু-ম'হৰ অংগ সৰবৰাহকাৰীৰ এক বৃহৎ আন্তঃৰাজ্যিক চক্ৰ। কালি নগাঁও চহৰৰ পাৰ্শ্ববৰ্তী শিয়ালমাৰীৰ এটা গুদামত অভিযান চলাই আৰক্ষীয়ে বৃহৎ পৰিমাণৰ গৰুৰ হাড় আৰু ম'হৰ শিং উদ্ধাৰ কৰাৰ লগতে উত্তৰ প্ৰদেশলৈ সৰবৰাহ কৰিবলৈ সাজু কৰি ৰখা এখন ট্ৰাকসহ প্ৰায় ১০ টন ম'হৰ শিং আঠ পৃষ্ঠাত চাওক


তৃতীয়বাৰ ভাৰতলৈ ব্ৰহ্মাণ্ড সুন্দৰীৰ মুকুট

নিজৰ দৰে জীয়ালেহে জীৱনটো সুন্দৰ হ'ব

## আত্মবিশ্বাসৰ বাৰ্তা দি 'মিছ ইউনিভাৰ্ছ'ৰ খিতাপ জয় চণ্ডীগড়ৰ হৰনাজৰ

■ নিউজ ব্যুৰ'

**টেল আভিভ/নতুন দিল্লী, ১৩ ডিচেম্বৰ ঃ** নৱ-প্ৰজন্মলৈ আত্মবিশ্বাসৰ বাৰ্তা দি 'মিছ ইউনিভাৰ্ছ'ৰ মুকুট জয় কৰিলে এগৰাকী ভাৰতীয় যুৱতীয়ে। সুদীৰ্ঘ ২১ বছৰৰ পাছত এই বিশেষ খিতাপ ভাৰতলৈ আনিলে পঞ্জাবৰ সুন্দৰী হৰনাজ ছান্ধুৱে। ইজৰাইলত অনুষ্ঠিত হোৱা শীৰ্ষতম সৌন্দৰ্য প্ৰতিযোগিতাত ২১ বছৰীয়া ১০ পৃষ্ঠাত চাওক



■ ৰাজ্যৰ ৫১ হেজাৰ পদপথ ব্যৱসায়ীলৈ পিএমএছভিএ নিধিৰ ১০ হেজাৰ টকাৰ ঋণ

## ঋণ প্ৰদানত বেংকৰ হাৰাশাস্তি-নিগমৰ উচ্ছেদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** পদপথ ব্যৱসায়ীৰ বাবে চৰকাৰে প্ৰদান কৰা প্ৰধানমন্ত্ৰী ষ্ট্ৰীট ভেণ্ডৰ আত্মনিৰ্ভৰ (পিএমএছভিএ) নিধিৰ ১০ হেজাৰ টকাৰ ঋণক লৈ এতিয়া চিন্তাত পৰিছে পদপথ ব্যৱসায়ীসকল। এই ঋণ লৈ পৰিশোধ কৰিব নোৱাৰাৰ আশংকাত ভুগিছে অধিকাংশ ব্যৱসায়ী; কিয়নো বাৰে বাৰে পৌৰ নিগমে উচ্ছেদ কৰে



তেওঁলোকৰ দোকানবোৰ। ফলত ঋণ পৰিশোধ কৰিব নোৱাৰিব বুলি আশংকাৰ সৃষ্টি হৈছে। উল্লেখ্য যে ক'ভিডোত্তৰ পৰিস্থিতিৰ পৰা পদপথ ব্যৱসায়ীসকলক সাময়িক সকাহ দিয়াৰ উদ্দেশ্যে ২০২০ৰ পহিলা জুনত কেন্দ্ৰীয় চৰকাৰৰ গৃহ আৰু চহৰ পৰিক্ৰমা মন্ত্ৰণালয়ে ঘোষণা কৰিছিল পিএমএছ ভি এ নিধি আঁচনি। এই আঁচনিৰ অধীনত দেশৰ ৫০ লাখ পদপথ ব্যৱসায়ীক ২০২২ৰ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১৩° |
| ডিব্ৰুগড় | ২৫° | ১২° |
| দিল্লী | ২১° | ০৮° |
| কলকাতা | ২৬° | ১৬° |
| মুম্বাই | ৩২° | ২৩° |
| চেন্নাই | ৩০° | ২৬° |
| বাংগালুৰু | ২৫° | ১৮° |
| শ্বিলং | ১৯° | ০৬° |

*১৩ ডিচেম্বৰ, ২০২১*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৪ ডিচেম্বৰ, ২০২১ মঙলবাৰ পৃষ্ঠা তিনি

## জুৰীয়াত বন্যহস্তীৰ উপদ্ৰৱ

### বন্যহস্তীৰ আক্ৰমণত নিহত ৰেচম বিভাগৰ কৰ্মচাৰী

অগ্ৰদূত বাৰ্তা
**জুৰীয়া, ১৩ ডিচেম্বৰ ঃ** অসমৰ ঠায়ে ঠায়ে হাতী-মানুহৰ সংঘাত অব্যাহত থকাৰ সময়তে আজি পুৱা জুৰীয়াত বন্যহস্তীৰ আক্ৰমণত এজন লোক নিহত হয়। খাদ্যৰ সন্ধানত লাওখোৱা বনাঞ্চলৰ পৰা যোৱা নিশা জনাঞ্চললৈ ওলাই অহা এটা বন্যহস্তীয়ে জুৰীয়া আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চল সমূহত চলাই আহিছে সন্ত্ৰাস। আজি পুৱা হাতীটোৱে জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত দগাঁৱত অৱস্থিত ৰেচম বিভাগৰ নুনী বাগিচাত কৰ্মৰত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ছিৰাজুল ইছলাম (৫৬)ক বাগিচাখনত কাম কৰি থকা অৱস্থাতে ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



■ ওদালগুৰি চিকিৎসালয়ৰ ফোঁপোলা স্বৰূপ ঃ ■ চিকিৎসাৰ বাবে গৈ চিকিৎসক বিচাৰি হাবাথুৰি স্বয়ং এবছুৰ কেন্দ্ৰীয় সভাপতিৰ

# চৰকাৰী চিকিৎসালয়ত নাথাকে চিকিৎসক



*বিভিন্ন দাবীৰ সমৰ্থনত মহানগৰীত এছ এফ আইৰ অৱস্থান ধৰ্মঘট, সোমবাৰে।*

বিশেষ সংবাদদাতা
**ওদালগুৰি, ১৩ ডিচেম্বৰ ঃ** ওদালগুৰি অসামৰিক চিকিৎসালয়ৰ বিৰুদ্ধে চলি অহা দীৰ্ঘদিনীয়া অভিযোগ আজি উদঙালে এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বিপেন বড়োৱে। স্বাস্থ্য পৰীক্ষাৰ বাবে চিকৎসালয়খনলৈ গৈ চিকিৎসকৰ অভাৱত ঘণ্টাৰ পিছত ঘণ্টা অপেক্ষা কৰিবলীয়া হ'ল এবছুৰ সভাপতিজনে। ফলত চিকিৎসালখনৰ চিকিৎসা সেৱাৰ বিৰুদ্ধে জাঙুৰ খাই উঠে বড়োই। উল্লেখ্য যে এবছুৰ কেন্দ্ৰীয় সভাপতি বড়োই আজি নিজৰ স্বাস্থ্য পৰীক্ষাৰ বাবে দিনৰ প্ৰায় ১-১৫ বজাত উপস্থিত হৈছিল ওদালগুৰি অসামৰিক চিকিৎসালয়খনত। বড়োৱে চিকিৎসালয়খনত চিটিস্কেন কৰাৰ উদ্দেশ্যে চিকিৎসালয় কৰ্তৃপক্ষৰ পৰা কুপন লৈ চিকিৎসক বিচাৰি হাবাথুৰি খায়। ঘণ্টাৰ পাছত ঘণ্টা অপেক্ষা কৰাৰ পাছতো কোনো চিকিৎসক উপস্থিত নোহোৱাত অৱশেষত চিকিৎসালয়খনৰ অধীক্ষকজনক ছয় পৃষ্ঠাত চাওক

## যোৰহাটত ৰেলৰ খুন্দাত টুকুৰা টুকুৰ হ'ল ট্ৰেইলৰ

ষ্টাফ ৰিপৰ্টাৰ
**যোৰহাট, ১৩ ডিচেম্বৰ ঃ** যোৰহাট নগৰৰ ৰজাবাৰীৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ সমীপত আজি পুৱা সংঘটিত হয় এক ভয়ংকৰ দুৰ্ঘটনা। মৰিয়নীৰ পৰা যোৰহাট হৈ গুৱাহাটীলৈ যাব লগা ১৫৬৬৬ নম্বৰৰ বি জি এক্সপ্ৰেছৰ খুন্দাত টুকুৰা -টুকুৰ হয় এখন ট্ৰেইলৰ। উল্লেখ্য যে নগৰৰ গড়আলিৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ সমীপৰ ছয় পৃষ্ঠাত চাওক



## চিকিৎসালয়ত অস্ত্ৰোপচাৰৰ সঁজুলিৰে হানি-খুচি হত্যা

অগ্ৰদূত বাৰ্তা
**লক্ষীপুৰ, ১৩ ডিচেম্বৰ ঃ** গোৱালপাৰাৰ লক্ষীপুৰ আৰক্ষী থানাৰ অন্তৰ্গত খলিচাভিটা মুছলিমপাৰা গাঁৱত আজি বিয়লি পৰিয়ালৰ মাজতে সংঘটিত ভূমিকেন্দ্ৰিক সংঘৰ্ষত এজনৰ মৃত্যু হয়। লগতে আন আঠজনকৈ লোক আহত হয়। এই ঘটনা ইমানেই ভয়ানক আছিল যে চিকিৎসালয়ত অস্ত্ৰোপচাৰৰ সঁজুলিৰে আৰক্ষীৰ সন্মুখতে এজনে নিজৰ পৰিয়ালৰ সদস্যকে হানি-খুচি হত্যা কৰে। ঘটনা সংক্ৰান্তত আৰক্ষী সূত্ৰই জনোৱা মতে, খলিচাভিটাত মুছলিমপাৰা গাঁৱৰ প্ৰয়াত কান্দু শ্বেইখৰ পত্নী ছকিনা বেওৱাই কে'বা বছৰৰ পূৰ্বে ন কঠা ভেটি মাটি নিজৰ দুই সন্তান ছফিয়াল ৰহমান আৰু মফিজুল হকৰ লগতে এজন নাতিয়েকক বিক্ৰী কৰিছিল। পাছত ক্ৰয় কৰা ভূমিখিনিত তিনিওজনে পৃথকে ঘৰ-বাৰী সজাই বাকী থকা তিনি লেচা মাটি অহা-যোৱাৰ কাৰণে পৰিয়ালৰ লোকে পথৰূপে ব্যৱহাৰ কৰিবলৈ লৈছিল। পৰৱৰ্তী সময়ত মহিলাগৰাকীৰ মৃত্যু হোৱাৰ প্ৰায় দুবছৰৰ পূৰ্বে তেওঁৰ আন এজন পুত্ৰ অপিয়াল হকে অহা-যোৱা কৰা পথটো বে-দখল কৰি বন্ধ কৰি দিয়ে। ইয়াৰ পাছতে পৰিয়ালটোৰ ভাই-ককাইৰ মাজত বিভিন্ন সময়ত ছয় পৃষ্ঠাত চাওক

## বেংক কৰ্তৃপক্ষই একাউণ্ট খুলিবলৈ সুবিধা নিদিয়াত তাঁত-বাটি ছাত্ৰ-ছাত্ৰীৰ

**পাঁচশ টকাৰ বিনিময়ত 'চিএছপি'ৰ দালালৰ যোগেদি একাউণ্ট কৰাৰ অভিযোগ**

অগ্ৰদূত বাৰ্তা
**কচুৰা, ১৩ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীক বেংক একাউণ্ট খুলিবলৈ শিক্ষা বিভাগে নিৰ্দেশ দিয়াৰ পাছত নগাঁও জিলাৰ কঠিয়াতলি শিক্ষাখণ্ডৰ অন্তৰ্গত সমগ্ৰ কচুৰা-কামপুৰ অঞ্চলৰ বিদ্যালয় সমূহৰ কে'বা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নামত বেংক একাউণ্ট খুলিবলৈ বেংকৰ দুৱাৰে দুৱাৰে গৈ তাঁত-বাটি কাঢ়িও একাউণ্ট খুলিবলৈ সক্ষম হোৱা নাই। বৃহত্তৰ কচুৰা অঞ্চলৰ অৰ্ধ শতাধিক গাঁৱৰ মাজত কচুৰা তিনিআলি বজাৰত ইউনাইটেড বেংক অৱ ইণ্ডিয়াৰ শাখা এটি আছে যদিও হেজাৰ হেজাৰ লোকৰ লগতে শ শ ছাত্ৰ-ছাত্ৰীৰ বেংক একাউণ্ট কৰিবলৈ সক্ষম নোহোৱাত বহু অভিভাৱকে কামপুৰ চহৰস্থিত চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া, ষ্টেট বেংক অৱ ইণ্ডিয়া, ইউনাইটেড বেংক অব্ ইণ্ডিয়া, অসম গ্ৰামীণ বিকাশ বেংকৰ শাখা কাৰ্যালয়লৈ গৈ একাউণ্ট খুলিবলৈ বেংক মেনেজাৰসকলক খাটনি ধৰাত একাউণ্ট খোলা বন্ধ আছে বুলি দায়সৰা মন্তব্য দি ওভতাই পঠায়। ইফালে, বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলেও অতি শীঘ্ৰে একাউণ্ট নম্বৰ দিবলৈ ছাত্ৰ-ছাত্ৰীক হেঁচা প্ৰয়োগ কৰাত উপায়হীন হৈ ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলে প্ৰতিটো বেংকৰ চিএছপিসকলৰ ওচৰলৈ যোৱাত চিএছপিসকলেও দায়সৰা মন্তব্য দিয়াত দালালৰ যোগে পাঁচশকৈ টকা লৈ একাউণ্ট খুলি দিয়াৰ সুবিধা লৈছে বুলি গুৰুতৰ অভিযোগ উঠিছে। সেয়ে কামপুৰ চহৰস্থিত বেংক মেনেজাৰ সকলক ছাত্ৰ-ছাত্ৰীৰ বেংক একাউণ্ট খোলাৰ সুবিধা দিবলৈ নগাঁও জিলা উপায়ুক্তক কঠোৰ নিৰ্দেশ দিবলৈ অভিভাৱক আৰু শিক্ষক মহলে অনুৰোধ জনাইছে।

## ডিগাৰু বামুণখাটত তিৱা মহোৎসৱৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা
**সোণাপুৰ, ১৩ ডিচেম্বৰ ঃ** তিৱা জনগোষ্ঠীৰ ঐক্য, ভাষা-কৃষ্টি-সংস্কৃতি, ঐতিহ্য পৰম্পৰা, শিক্ষা অমাৰু প্ৰগতিৰ লক্ষ্য আগত ৰাখি বিগত বছৰবোৰৰ দৰে এইবেলিও অহা ২১, ২২ আৰু ২৩ ফেব্ৰুৱাৰীত উলহ-মালহেৰে তিৱা মহোৎসৱ ২০২২ অনুষ্ঠিত কৰাৰ বাবে যো-জা আৰম্ভ কৰিছে অবিভক্ত কামৰূপ জিলাৰ তিৱা জনগোষ্ঠীৰ লোকসকলে। তিৱা মহোৎসৱ পৰিচালনা সমিতিৰ আহ্বানত অঞ্চলটোৰ তিৱা জনগোষ্ঠীৰ লোকসকলৰ অংশগ্ৰহণৰে আজি তিৱা ধৰ্মীয় পৰম্পৰাৰে ডিগাৰু বামুণখাটত এই মহোৎসৱৰ লাইখুটা স্থাপন কৰা হয়। তিৱা মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি স্বপন ৰামদে, সম্পাদক অনিৰুদ্ধ পাটৰ, ছয় পৃষ্ঠাত চাওক

**টিহুত বি আৰ আম্বেদকাৰ ভৱনৰ আধাৰশিলা স্থাপন**

## জনস্বাস্থ্য বিভাগত ২২ হেজাৰ যুৱকক শীঘ্ৰে নিযুক্তি দিয়া হ'ব ঃ দাস

অগ্ৰদূত বাৰ্তা
**টিহু, ১৩ ডিচেম্বৰ ঃ** 'জনস্বাস্থ্য কাৰিকৰী বিভাগত ২২ হেজাৰ যুৱকক শীঘ্ৰে নিযুক্তি প্ৰদান কৰা হ'ব। ইয়াৰ ভিতৰত কে'বা হেজাৰ কৰ্মীয়ে ইতিমধ্যে দীৰ্ঘদিন ধৰি বিভাগটোত বিনা বেতনে কাম কৰি আহিছে।' মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কালি টিহুত সংবাদ মাধ্যমৰ আগত এইদৰে কয়। তেওঁ উল্লেখ কৰা মতে, কংগ্ৰেছ চৰকাৰৰ দিনত প্ৰতিবাদ-আন্দোলন আদি সাব্যস্ত কৰিও বিভাগটোৰ এইসকল স্বেচ্ছামূলক কৰ্মীয়ে কোনো ধৰণৰ সুফল লাভ কৰা নাছিল। শেহতীয়াভাৱে কেবিনেট বৈঠকত এই কথাখিনি গুৰুত্ব সহকাৰে লৈ অবৈতনিকভাৱে কাম কৰি থকা কৰ্মীসকলক মাহিলি ৬,৫০০ টকাকৈ পাৰিশ্ৰমিক দিয়াৰ বাবে অনুমোদন দিয়া হৈছে বুলিও তেওঁ উল্লেখ কৰে। চৰকাৰৰ এনে সিদ্ধান্তৰ বাবে ৰাজ্যৰ ২২ হেজাৰ পৰিয়ালে এতিয়া অন্ততঃ আৰ্থিকভাৱে কিছু সকাহ লাভ কৰিব বুলি মন্ত্ৰী দাসে আশা প্ৰকাশ কৰে। তেওঁ পুনৰ কয় যে পানী যোগান আঁচনিখন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বিদ্যুতৰ মাচুলকে আদি কৰি অন্যান্য যাৱতীয় শিতানত প্ৰতিমাহে ১৪ হেজাৰ টকাকৈ ছয় পৃষ্ঠাত চাওক



## বৰপেটা জিলা পশু চিকিৎসা ক্ষেত্ৰ সহায়ক সন্থাৰ অধিবেশন সম্পন্ন

### ৰাইজৰ মাজলৈ গৈ কৰ্তব্য সম্পাদনৰ আহ্বান

অগ্ৰদূত বাৰ্তা
**হাউলী, ১৩ ডিচেম্বৰ ঃ** সদৌ অসম পশু চিকিৎসা ক্ষেত্ৰ সহায়ক সন্থাৰ বৰপেটা শাখাৰ ৩৫ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনখন কালি দিনজোৰা কাৰ্যসূচীৰে বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পুৱা ন বজাত বৰপেটা জিলা পশু চিকিৎসা ক্ষেত্ৰ সহায়ক সন্থাৰ সভাপতি গুণধৰ দাসে পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰে। স্মৃতি তৰ্পণ কৰে সম্পাদক হিমান মেধিয়ে। পুৱা ১০ বজাত বিশিষ্ট পশু চিকিৎসা বিষয়া ডাঃ ধ্ৰুৱজ্যোতি কলিতাৰ উদ্যোগত পশুৰ জলাতংক ৰোগ নিয়ন্ত্ৰণৰ ওপৰত কৰ্মশালা হয়। ইয়াৰ পাছতে সভাপতি গুণধৰ দাসৰ পৌৰোহিত্যত মুকলি সভা হয়। মুকলি সভাখন উদ্বোধন কৰে জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ প্ৰবীণ দাসে। বিভাগৰ মেৰুদণ্ড স্বৰূপ ক্ষেত্ৰ সহায়কসকলক গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ সৃষ্টিত অধিক নিষ্ঠাৰে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। উক্ত সভাত মুখ্য অতিথিৰূপে বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালে উপস্থিত থাকি পশু চিকিৎসা ক্ষেত্ৰ সহায়কসকলক ৰাইজৰ মাজলৈ গৈ সেৱাৰ ছয় পৃষ্ঠাত চাওক

## তামুলপুৰ হাঁহকাটাত বনৰীয়া হাতীৰ উপদ্ৰৱ

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ১৩ ডিচেম্বৰ ঃ** তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে বনৰীয়া হাতীৰ উপদ্ৰৱ। বনৰীয়া হাতীৰ উপদ্ৰৱত আতংকিত ৰাইজে এতিয়া বিনিদ্ৰ ৰজনী কটাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। যোৱা নিশাও তামুলপুৰ মহকুমাৰ বালাবাৰী গাঁৱত বনৰীয়া হাতীৰ বৃহৎ জাক এটাই প্ৰৱেশ কৰি উপদ্ৰৱ চলাই কে'বাটাও পৰিয়ালৰ বাসগৃহ



**কে'বাটাও পৰিয়ালৰ বাসগৃহ লণ্ডভণ্ড**

ভাঙি লণ্ডভণ্ড কৰে। বনৰীয়া হাতীৰ জাকটোৱে ভঁৰালঘৰ ভাঙি মজুত থকা ধান-চাউল খাই তহিলং কৰাৰ লগতে বাৰীৰ তামোল গছ, পাচলিৰ খেতি নষ্ট কৰে। বনৰীয়া হাতীৰ উপদ্ৰৱৰ ফলত গাঁওখনৰ মৃত্যুঞ্জয় বিশ্বাস, অশ্বিনী বিশ্বাস আৰু ৰঞ্জিত ছয় পৃষ্ঠাত চাওক

## দৰঙৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা মফিজুদ্দিন আহমেদৰ মৃত্যু



অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ১৩ ডিচেম্বৰ ঃ** দৰং জিলাৰ অন্যতম বৰ্ষীয়ান কংগ্ৰেছ নেতা মফিজুদ্দিন আহমেদ (৯৪)ৰ বিয়োগত গভীৰ শোকৰ ছাঁ পৰিছে । মঙলদৈ বিধানসভা সমষ্টিৰ ধূলা নিৱাসী লোকজনে আজি দিনৰ ১২-২০ বজাত বাৰ্ধক্যজনিত ৰোগত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে বিনয়ী আচৰণ আৰু উদাৰ মনৰ অধিকাৰী লোকজন সকলো স্তৰৰ লোকৰ প্ৰিয়ভাজন আছিল। আহমেদে ধূলা পঞ্চায়তৰ পৰা অভিলেখ সংখ্যক পাঁচবাৰকৈ সভাপতিৰ ছয় পৃষ্ঠাত চাওক

**দক্ষিণ পকোৱা আছুৰ শৈক্ষিক বাৰ্তালাপ কাৰ্যসূচী**

## ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ সম্পদ হ'বলৈ আহ্বান



অগ্ৰদূত বাৰ্তা
**নলবাৰী, ১৩ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ দক্ষিণ পকোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু উত্তৰ কামপীঠ মহাবিদ্যালয়ৰ আইকিউএচিৰ সহযোগত ভৱিষ্যৎ দিশত ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে আগুৱাই যাব, কি পন্থা হাতত লৈ অন্য পৰ্যায়লৈ ৰূপান্তৰিত হ'ব আদি দিশবোৰত অনুপ্ৰেৰণা দিয়াৰ উদ্দেশ্যে এখন শৈক্ষিক বাৰ্তালাপ সভা অনুষ্ঠিত কৰা হয়। দক্ষিণ পকোৱা ছাত্ৰ সন্থাৰ সভাপতি দ্বীপজ্যোতি তালুকদাৰৰ সভাপতিত্বত উত্তৰ কামপীঠ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° পংকজ কুমাৰ ৰয়ে উদ্বোধন কৰা সভাত বৰভাগ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ফণীধৰ ডেকা, ছয় পৃষ্ঠাত চাওক

## ২০২২ত মহাবিদ্যালয়সমূহে একাদশ শ্ৰেণীত নামভৰ্তি কৰিব নালাগে

**অসম কলেজ শিক্ষক সংস্থাৰ অধিৱেশনত শিক্ষামন্ত্ৰী ডাঃ পেগু**

বিশেষ সংবাদদাতা
**নগাঁও, ১৩ ডিচেম্বৰ ঃ** 'অসমৰ শিক্ষা ব্যৱস্থাত নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ প্ৰৱৰ্তনৰ সময়খিনি এক সন্ধিক্ষণৰ সময় । ভাৰতৰ আন আন ৰাজ্যৰ দৰে অসমতো শিক্ষাৰ উত্তৰণ ঘটাব লাগিব। ইয়াৰ বাবে কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগিতা লাগিব।' এই মন্তব্য ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ। আজি নগাঁও ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হৈ থকা অসম কলেজ শিক্ষক সংস্থাৰ ৬৬ সংখ্যক বাৰ্ষিক অধিবেশনৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে । ভাষণ প্ৰসংগত মন্ত্ৰীজনে আৰু কয় যে অসমত বিজ্ঞান শিক্ষা গ্ৰহণৰ বাবে ছাত্ৰ-ছাত্ৰীসকল বিশেষভাৱে আগ্ৰহী নহয়। বিহাৰত বিজ্ঞান শিক্ষাত অধ্যয়নৰত শিক্ষাৰ্থীৰ সংখ্যা ৪৩ শতাংশ হোৱাৰ বিপৰীতে অসমত মাত্ৰ ১৪ শতাংশইহে বিজ্ঞান শিক্ষা গ্ৰহণ কৰে। সৰ্বভাৰতীয় প্ৰতিযোগিতা মূলক পৰীক্ষাত অসমৰ উত্তীৰ্ণৰ হাৰ নিম্নগামী হোৱা বুলি খেদ প্ৰকাশ কৰি ডাঃ পেগুৱে কয় যে মহাবিদ্যালয় সমূহৰ পৰা কিমানজনে ইউ পি এছ চি , এছ এছ চি, এ পি এছ চি, নীট আদি পৰীক্ষাত উত্তীৰ্ণ হৈছে, কিমানজন ব্যৱসায়ী, ৰাজনীতিক ওলাইছে সেই বিষয়ে মহাবিদ্যালয়সমূহে ৰিপ'ৰ্ট কাৰ্ড বনোৱা উচিত। সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত ছয় পৃষ্ঠাত চাওক

## নগৰবেৰাত দুৰ্বৃত্তই হানি-খুঁচি হত্যা কৰিলে যুৱকক



**আলোপতি, ১৩ ডিচেম্বৰ ঃ** এজন যুৱকক হানি-খুঁচি হত্যাৰ চেষ্টা চলোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰাৰ ভখুৰাদিয়াত। ভখুৰাদিয়া গাঁওৰ ৰাকিবুল ইছলাম নামৰ যুৱকজনক যোৱা নিশা দুৰ্বৃত্তই চোকা অস্ত্ৰৰে হানি-খুঁচি নগৰবেৰা-টুপামাৰী মথাউৰিৰ তলত পেলাই থৈ যায়। দৈৱক্ৰমে যুৱকজনক পথচাৰীয়ে প্ৰত্যক্ষ কৰি লগে লগে স্থানীয় লোকক খবৰ দিয়াৰ লগতে ততাতৈয়াকৈ নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায়। সংকটজনক অৱস্থাত যুৱকজনক চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ইপিনে, ঘটনা সন্দৰ্ভত টুপামাৰী আৰক্ষীয়ে ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত পি এম এ ৱাই ঘৰ নিৰ্মাণত দুৰ্নীতি



অগ্ৰদূত বাৰ্তা
**দোতমা, ১৩ ডিচেম্বৰ ঃ** দুৰ্নীতিৰ বিৰুদ্ধে যি সময়ত ৰাজ্য চৰকাৰে কঠোৰ ভূমিকা গ্ৰহণ কৰি আহিছে ঠিক তেনে সময়ত দৰিদ্ৰ পৰিয়ালৰ চৰকাৰী ঘৰ নিৰ্মাণত ব্যাপক দুৰ্নীতি আৰু অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে। গোসাঁইগাঁৱৰ কচুগাঁও উন্নয়ন খণ্ডত সংঘটিত হৈছে এই অনিয়ম। বিগত তিনি বছৰে সম্পূৰ্ণ নহ'ল হিতাধিকাৰীৰ ঘৰ নিৰ্মাণৰ কাম। কচুগাঁও উন্নয়ন খণ্ডৰ নবীন নগৰ ভিচিডিচিৰ পেৰিপুৰ গাঁৱত দৰিদ্ৰ পৰিয়ালৰ পি এম এ ওৱাই ঘৰ নিৰ্মাণত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। বিগত তিনি বছৰে নিৰ্মাণৰ কাম সম্পূৰ্ণ নোহোৱাত একাংশ ঘৰৰ বেৰ ভাঙি খহি যোৱাৰ লগতে জংঘলে ঢাকি ধৰিছে। পেৰিপুৰ গাঁৱৰ ৰাণা টুডু, সুৰাই হাসদা, মুন্সী মাৰডী, ছাৰ হাসদা, দশৰথ মিৰ্ধাকে ধৰি প্ৰায় পাঁচটা পৰিয়ালৰ ঘৰ আজিও সম্পূৰ্ণ নহ'ল। হিতাধিকাৰীসকলে কৰা অভিযোগ মতে, ছয় পৃষ্ঠাত চাওক

## নগাঁও মহাবিদ্যালয় আছু গোট গঠন

বিশেষ সংবাদদাতা
**নগাঁও, ১৩ ডিচেম্বৰ ঃ** নগাঁও সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত নগাঁও মহাবিদ্যালয়ৰ আছু গোটৰ বাৰ্ষিক অধিবেশনখন আজি নগাঁও ছহিদ ভৱনত অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে নগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল কাকতিয়ে। সভাখনত নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি গৌৰীশংকৰ শইকীয়া, নগাঁও জিলা ছাত্ৰ সন্থাৰ সম্পাদক অমৰজ্যোতি ফুকন, নগাঁও মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তুলেন্দ্ৰ পাটৰ, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক ৰিংকু বৰা উপস্থিত থাকে। উক্ত সভাৰ আঁত ধৰে নগাঁও সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ছয় পৃষ্ঠাত চাওক

## পৰ্যটকৰ বাবে মুকলি বনানী

বিশেষ সংবাদদাতা
**পাঠশালা, ১৩ ডিচেম্বৰ ঃ** 'দেশৰ বিভিন্ন ৰাজ্যত চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে এনৰেগা আঁচনিৰ জৰিয়তে কৃষকসকলক সহায় কৰাৰ কাৰণে গোহালী সজাই কৃষকক সহায় কৰি আহিছে। আমাৰ ৰাজ্যৰ গ্ৰামোন্নয়ন বিভাগে অকল পথ মথাউৰিতে সীমাবদ্ধ থাকিলে নহ'ব আমিও সমাজৰ হৈ কাম কৰা ব্যক্তিগত পয্যায়ৰ লোক বা গ্ৰুপসমূহক আগবঢ়াই নিব লাগিব। বজালী জিলাৰ সীমান্তৰ বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ গ্ৰামাঞ্চলৰ অতি ভিতৰুৱা অঞ্চল হিচাপে পৰিচিত বালাপাৰা গাঁৱৰ সাংবাদিক হীৰেণ কলিতাই নতুন পৰিচয় দিছে যাৰ ফলত এই গাওঁলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা মানুহৰ সোত বৈছে। ইয়াৰ উন্নয়ন কৰাৰ ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰৰ দিহিংমুখ-দিচাংমুখ-দিখৌমুখ পৰ্যন্ত বান-খহনীয়া

**■ স্থায়ী সুৰক্ষাৰ দাবীত হ'ব আছুৰ মানৱ শৃংখল**

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ১৩ ডিচেম্বৰ ঃ** ঐতিহাসিক শিৱসাগৰ জিলাৰ বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দাবীত সোচ্চাৰ হৈ উঠিছে আছু। জিলাখনৰ শিৱসাগৰ মহকুমাৰ অন্তৰ্গত বান-খহনীয়াই প্ৰতিবছৰে বিস্তৰ ক্ষতি সাধন কৰা অঞ্চল দিহিংমুখ-দিচাংমুখ-দিখৌমুখ পৰ্যন্ত বহু কিলোমিটাৰ ভূমি ব্ৰহ্মপুত্ৰ, দিহিং, দিচাং আৰু দিখৌ নদীৰ বুকুত জাহ যোৱাৰ ফলত জনসাধাৰণে দুৰ্ভোগ ভুগিব লগা অৱস্থাৰ পৰা পৰিত্ৰাণ দিয়াৰ ক্ষেত্ৰত বাস্তৱ সন্মত আৰু যুগসাপেক্ষ ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰ তথা সংশ্লিষ্ট বিভাগৰ দৃষ্টি আকৰ্ষণৰ বাবে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে শিৱসাগৰ মহকুমা ছাত্ৰ সন্থাই। এই সন্দৰ্ভত আজি এক বিবৃতিত শিৱসাগৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সুভাষ চন্দ্ৰ দাস আৰু সাধাৰণ সম্পাদক অংকুৰ বড়াই কয় যে অহা 17 ডিচেম্বৰত শিৱসাগৰ মহকুমা ছাত্ৰ সন্থাই দিহিংমুখ আৰু দিখৌমুখৰ লগতে শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত দিচাংমুখত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰিব। উল্লেখ্য যে, বিগত বহু বছৰ ধৰি এই অঞ্চলসমূহত বান আৰু খহনীয়াই ব্যাপক ৰূপ ধাৰণ কৰি বিস্তৰ ক্ষতি সাধন কৰি আহিছে যদিও পৰিকল্পিতভাৱে এই সমস্যা সমাধানৰ বাবে চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ নকৰাত ছাত্ৰ সন্থাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। বিবৃতিটোত সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই কয় যে চৰকাৰৰ উদাসীন মনোভাৱ আৰু বিভাগীয় নিৰ্লিপ্ততাৰ বাবে নৈপৰীয়া অঞ্চলৰ জনসাধাৰণ প্ৰতিবছৰে ক্ষতিগ্ৰস্ত হৈ আহিছে। এই ক্ষেত্ৰত পৰিকল্পিতভাৱে ব্যৱস্থা গ্ৰহণ কৰি জনসাধাৰণক এই সমস্যাৰ পৰা মুক্ত কৰিবৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবই লাগিব। একেটা বিবৃতিতে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে কয় যে শিৱসাগৰ জিলাৰ সীমামূৰীয়া অঞ্চল নিতাই -পানীদিহিঙৰ একেবাৰে কাষেৰে পাৰ হৈ যোৱা দিহিং নদীৰ বাঢ়নী পানীয়ে প্ৰতি বছৰে পানীদিহিং মৌজাৰ ঐতিহাসিক দিহিং কলঘৰ, গোহাঁইপুখুৰী পঞ্চায়তৰ অন্তৰ্গত ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্রদূত
গুৱাহাটী, মঙলবাৰ ২৭ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১৪ ডিচেম্বৰ ২০২১

# দুবাহুৰ জোৰেই মূল

অসমীয়া এটা জনগোষ্ঠী নহয়, অসমীয়া এক জাতিসত্বা অথবা জাতি। বহুতো জনগোষ্ঠীৰ সমন্বয়ত একোটা জাতি বা জাতিসত্বা গঢ়ি উঠে। ইয়াক ফহিয়াবলৈ গ'লেই বিকশিত জাতিসত্বাত আঘাত পৰাটো স্বাভাৱিক। অসমীয়া জাতিসত্বাই কাহানিবাই গোষ্ঠী চেতনাৰ উৰ্দ্ধলৈ গতি কৰিছে। কামৰূপ ৰজা ভাস্কৰ বৰ্মাই হৰ্ষবৰ্ধনৰ ৰাজ্যসভাত সগৌৰৱে আগস্থান লাভ কৰি 'ব্ৰহ্মা' হিচাপে খ্যাতি অৰ্জন কৰিছে। প্ৰসিদ্ধ চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ পক্ষেও কামৰূপ অধিপতি ভাস্কৰ বৰ্মাৰ আমন্ত্ৰণ উপেক্ষা কৰাটো সম্ভৱ হোৱা নাছিল। পূৱে শদিয়াৰ পৰা পশ্চিমে গংগা আৰু দক্ষিণে বঙ্গোপসাগৰলৈকে কামৰূপাধিপতিৰ ৰাজ্যৰ সীমা আছিল। চাওলুং ছ্যুকাফাই নিজৰ গোষ্ঠী চেতনা বিসৰ্জন দি ঐক্য স্থাপনৰ হেতুকে আটাইবোৰ জনগোষ্ঠীৰ লগতে তেতিয়াৰ হিন্দুস্থানৰ পৰাও কাৰিকৰ, চিকিৎসক, পুৰোহিত, বিভিন্ন ভাষাৰ পণ্ডিত, যোদ্ধা আদিক আমন্ত্ৰণ কৰি আনি এই ৰাজ্যত সসন্মানে বসতি কৰিবলৈ দিছিল। দূৰদৰ্শী ৰুদ্ৰ সিংহই মণিপুৰ, ত্ৰিপুৰাৰ পৰা আৰম্ভ কৰি জয়ন্তীয়া ৰজালৈকে সকলোকে একত্ৰিত কৰি গৌড় ৰাজ্য আক্ৰমণ কৰিবলৈ হেজাৰ হেজাৰ নৌকাত সমৰাস্ত্ৰ লৈ প্ৰস্তুতি চলাইছিল। শ্ৰীমন্ত শংকৰদেৱে চান্দ খাইৰ লগতে গাৰো, নগা, ভূটীয়াকো লগত লৈ ঐক্যবদ্ধ সমাজৰ ভেটী গঢ়ি তুলিছিল। সেইসকলৰ কোনোৱেই নিজকে গোষ্ঠী চেতনাত আৱদ্ধ কৰি ৰাখিবলৈ নিবিচাৰিছিল।

খিলঞ্জীয়াৰ অৰ্থ হ'ল, এক অনুন্নত অৱস্থা, যিটো অৱস্থাত অধিবাসীসকলৰ বহিৰ্জগতৰ লগত বিশেষ সম্পৰ্ক নাথাকে। বিশেষ ধৰণৰ সংৰক্ষণ প্ৰদানেৰে তেওঁলোকক অন্যান্যসকলৰ সমপৰ্যায়লৈ অনাৰ বাবে বিধি-বিধানৰ প্ৰয়োজন হৈ পৰে। অসমীয়া জাতিসত্বা তেনে পৰ্যায়ত থকা হ'লে মণিৰাম দেৱানে উচ্চশিক্ষিত ইংৰাজৰ স'তে ফেৰ মাৰি দুখনকৈ চাহ বাগিচা চলাই সেই ইংৰাজৰ ঈৰ্ষাৰ পাত্ৰ হ'লহেঁতেন নে? এইখন অসমৰে ভোলা বৰুৱাই ব্ৰিটিছৰ স'তে ফেৰ মাৰি ব্যৱসায়ত সাফল্য অৰ্জন কৰিছিল। সেই সময়তে কলিকতাৰ পৰা উৰিষ্যালৈ ৰেলআলিৰ শ্লিপাৰৰ ঠিকা লাভৰ উদ্দেশ্যে ইংলণ্ডলৈ গৈ ইংৰাজ সাংসদসকলক সেই ৰেলআলিৰ অপৰিহাৰ্যতা প্ৰমাণ কৰি ৰেলআলি মঞ্জুৰ কৰাইছিল আৰু ঠিকাৰ কামো লৈছিল। তেনেদৰে অসমৰ সমুদায় চেনি যোগানৰ ব্যৱসায় মাণিক চন্দ্ৰ বৰুৱাৰ হাততে অৰ্পিত হৈছিল। আনন্দ ৰাম বৰুৱা ভাৰতবৰ্ষৰ পঞ্চমগৰাকী আই চি এছ বিষয়া। তেওঁৰ পাণ্ডিত্যই এসময়ত বিশ্বৰ বিদ্যুৎ মহলত খলকনি তুলিবলৈ সক্ষম হৈছিল। তেনেদৰে ভীমবৰ দেউৰী, ৰূপনাথ ব্ৰহ্ম প্ৰভৃতি জননায়কে গোষ্ঠী চেতনাৰ উৰ্দ্ধলৈ গৈ সমগ্ৰ অসমীয়াৰ স্বাৰ্থ অটুট ৰখাৰ বাবে যুঁজ দিছিল। অসমীয়াৰ কৃতিত্বৰ স্বাক্ষৰ ইয়াত কেইটামানহে মাত্ৰ দাঙি ধৰা হ'ল। গতিকে মুক্ত বিশ্ব অৰ্থনীতিৰ এই যুগত টিকি থাকিবলৈ হ'লে পশ্চাদগামী প্ৰৱণতাৰ সলনি প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ আগবাঢ়ি যোৱাৰ বাবেহে সংকল্প ল'ব লাগিব। পশ্চাদমুখী প্ৰৱণতাই বিকাশৰ পথ মুকলি নকৰে। আজিৰ বিশ্বৰ দেশে দেশে সেইখন ছবিয়ে দেখিবলৈ পোৱা গৈছে। আমেৰিকাৰ আদিবাসী ৰেড ইণ্ডিয়ানসকলৰ সংখ্যা পূৰ্বতে আছিল ১০ শতাংশ। চৰকাৰে আগবঢ়োৱা সা-সুবিধাই তেওঁলোকক নিষ্কৰ্মা, এলেহুৱা আৰু প্ৰতিযোগিতা বিমুখ কৰা হেতুকে সেই পথ বিসৰ্জন দি মূল সোঁতৰ স'তে আগবাঢ়ি যাবলৈ প্ৰতিযোগিতাত ব্ৰতী হৈছে। তেওঁলোকৰ সংখ্যা এতিয়া দুই শতাংশতকৈও কম।

গতিকে খিলঞ্জীয়া হিচাপে বিশেষ ধৰণৰ সংৰক্ষণ বিচৰাৰ সলনি অসমীয়া সমাজৰ সঁচাকৈয়ে উন্নয়ন বিচৰাসকলে ৰাজ্যখনত কৰ্মসংস্কৃতিৰ জোঁৱাৰ তুলিবলৈ কৃষি আৰু ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ বাবে পৰিকাঠামোৰ গঢ়ি তোলাৰ বাবে চৰকাৰক বাধ্য কৰাওক। মাতৃ ভাষাৰ মাধ্যমৰ বিদ্যালয়সমূহৰ সৰ্বপ্ৰকাৰৰ বিকাশৰ ব্যৱস্থা কৰাওক। মাধ্যমিক স্তৰত ভূগোল, বুৰঞ্জী বাধ্যতামূলক কৰাওক। মদকে ধৰি মাদকদ্ৰব্যৰ বজাৰখনকে ১৯৮০ৰ আগৰ বজাৰখনলৈকে সংকুচিত কৰক। বন্ধ, পথ বন্ধ ইত্যাদি আত্মঘাতী-আন্দোলনৰ কাৰ্যসূচী বন্ধ কৰা হওঁক। চৰকাৰী বিভাগসমূহত চলি থকা দুৰ্নীতি নিৰ্মূলৰ উদ্দেশ্যে যুৱ-ছাত্ৰসকলে কঠোৰ পদক্ষেপ লওক। বিনা শ্ৰমে ধন আদায় কৰা কাৰ্যক গৰিহণা দিয়া হওক।

শেষত ইয়াকেই কওঁ যে দিল্লীৰ চৰকাৰে আমাৰ সুৰক্ষা বা বিকাশ নিশ্চিত কৰিব নোৱাৰে। আমাৰ দুয়োবাহু আৰু মগজুৰ ওপৰতহে সেয়া নিৰ্ভৰ কৰে।

## খোলা মঞ্চ

# অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব নেকি?



**জাতীয়** সাজপাৰ হ'ল এটা জাতিৰ পৰিচয়। সকলো জাতিৰে স্বাভিমান ৰক্ষাৰ বাবে সুকীয়া সাজপাৰ থাকে। অসমীয়া সমাজত মহিলাৰ মেখেলা চাদৰ, পুৰুষৰ ধুতি কামিজ হ'ল জাতীয় পোছাক। যিহেতু আমি সময়ৰ দাস গতিকে সময় বাগৰি যোৱাৰ লগে লগে জাতীয় সাজপাৰ পৰিধান কৰা মানুহ প্ৰায় সীমিত হৈ পৰিছে বুলি ক'ব পাৰি। অৱশ্যে কৰ্মব্যস্ততাৰ বাবেও মহিলাসকলে চুৰিদাৰ, কামিজ পৰিধান কৰে; কিন্তু অনুষ্ঠান বিশেষে স্কুল-কলেজত শিক্ষয়িত্ৰীসকলে মেখেলা-চাদৰ পৰিধান কৰে। বৰ্তমান সমাজ ব্যৱস্থাত এচাম লোকে বৰ বৰ ভাষণ দিয়ে, কিন্তু হাতে-কামে একো নকৰে। সেয়ে বৰ্ণাঢ্য সাজপাৰ বিলুপ্ত হোৱাটো ডাঙৰ কথা নহয়। আমি যদি একো কাম-হাতে কামে নকৰি কিতাপত লিখি ভাষা-সাজপাৰৰ বিষয়ে চিঞৰি থাকো তেন্তে সমস্যা কেতিয়াও সমাধান নহয়।

ধৰা হওক আমাৰ অসমীয়া মাধ্যমৰ স্কুলত এটা শিক্ষকৰ চাকৰি বিচাৰি হাবাথুৰি খায়; কিন্তু শিক্ষকৰ চাকৰিটো পোৱাৰ লগে লগে নিজৰ ল'ৰা-ছোৱালীক এখন দামী স্কুলত নাম লগাই দিবলৈ কুণ্ঠাবোধ নকৰে শিক্ষকজনে। কাৰণ চৰকাৰী স্কুলত পঢ়াবলৈ টান পায়। ষ্টেটাছ নিমিলে। গতিকে তেওঁ নিজে কাম কৰা স্কুলখনতে নিজৰ ল'ৰাক পঢ়াবলৈ টান পায় কাৰণ তেওঁৰ নিজৰ ওপৰতে বিশ্বাস নাই। সেয়েহে ভাষাৰ কথা চিঞৰি লাভ নাই।

**স্বৰ্ণলতা পাঠক, লেখিকা**

সেইদৰে সাজপাৰ হ'ল আমাৰ স্বাভিমান। এই ক্ষেত্ৰত চৰকাৰৰো চোকা দৃষ্টি থকাটো প্ৰয়োজন; কিন্তু বৰ্তমান জাতীয় সাজপাৰ বৰ্তাই ৰাখিবলৈ উৎপাদন সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰিব লাগিব। উৎপাদন সামগ্ৰীৰ আকাশলংঘী মূল্য বৃদ্ধিয়ে জুৰুলা কৰাৰ ফলত বহিঃৰাজ্যৰ আমদানি কৰা সামগ্ৰী ক্ৰয় কৰিব লগা হৈছে। বৰ্ণাঢ্য সাজপাৰ ঘৰতে উৎপাদন কৰা সুবিধা নাপাই পাশ্চাত্যৰ সাজপাৰ কম দামতে কিনিবলৈ ঢাপলি মেলিছে।

বৰ্তমান সমাজত নাৰীৰ বলাৎকাৰ এইবোৰ জঘন্য কাণ্ডই অসমখন ছানি ধৰিছে। অৰ্দ্ধউলংগ হৈ যেতিয়া বাহিৰৰ বতাহ গাত লাগিব তেতিয়া হত্যা অপৰাধজনিত কাৰকবোৰেও গা কৰি উঠে। যিহেতু ঘৰখনেই শিক্ষাৰ কঠীয়াতলী অভিভাৱকসকল সচেতন হোৱাৰ সময় আহি পৰিছে। নিজৰ ঘৰখন বাচিলে অসমখন বাচিব। সেয়েহে নিজৰ ল'ৰা-ছোৱালীক নিজে সাজপাৰ পৰিধান কৰি বুজাব লাগিব। জাতীয় যুৱক-যুৱতীসকলক সকলো ক্ষেত্ৰতে দোষ জাপি দি লাভ কি? যিখন ঘৰত মাকে অৰ্দ্ধ উলংগ হৈ ঘূৰি ফুৰিব ল'ৰা-ছোৱালী সেই পথেৰেই গতি কৰিব। সময় বাগৰি যোৱাৰ লগে লগে পৰিৱেশ সাপেক্ষে জাতীয় সাজপাৰ পৰিধান কৰা পুৰুষ-মহিলাই হেয় হ'ব লগা হয় এয়া বাস্তৱ ঘটনা। ধৰি লোৱা হ'ল এখন বিয়াত দামী কাপোৰ পৰিধান নকৰি যদি শিপিনীয়ে নিজ হাতে বোৱা কেঁচা সূতাৰ চাদৰ পৰিধান কৰে তেওঁ সমাজত হাঁহিয়াতৰ পাত্ৰ হ'ব লগা হয়; কিন্তু সেয়াই যে জাতিৰ পৰিচয় সেয়া মানুহে পাহৰি যায়। কাৰণ ধন থাকিলেহে মান বাঢ়ে; কিন্তু অপ্ৰিয় হ'লেও সত্য যে ভাষা সাজপাৰৰ কথা কাকতে-পত্ৰই পঢ়িবলৈ ভাল লগা; কিন্তু ইয়াৰ মৰ্যাদা আমি বুজি পাব লাগিব। ফোনঃ ৯৭০৬৬৭৫৫৯২

# অসমৰ শিক্ষাখণ্ডৰ ভৱিষ্যৎ উদ্বেগজনক

**পৰিদৰ্শকসকল স্কুলবোৰলৈ মাজে সময়ে যায় শিক্ষকসকলৰ উপস্থিতি চাবলৈহে, তেওঁলোকৰ শিক্ষণৰ মান পৰীক্ষা কৰিবলৈ নহয়। ছাত্ৰ-ছাত্ৰীসকলে কি শিকিছে তাৰ পৰীক্ষা নহয়; কোনোবা শিক্ষকক অনুপস্থিতিৰ সুযোগত নিলম্বন কৰি ঘোচ লোৱাৰ সুযোগ মোকলাব পাৰি নেকি, তাৰ প্ৰতিহে কোনো কোনো পৰিদৰ্শকৰ চকু থাকিব পাৰে**

## চৰকাৰ ব্যস্ত কেৱল স্কুল ভঙা-পতাতহে, স্কুলীয়া শিক্ষাৰ মান বঢ়োৱাত নহয়



অসবৰ্ণ

**হীৰেন গগৈ**

গোলাঘাটৰ বাসিন্দা হোৱাৰ বাবে স্থানীয় স্কুল-কলেজবোৰৰ দুই এটা খবৰ মাজে সময়ে পাই থাকো। নগৰখনৰ চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়খন অসমৰে এখন অতি পুৰণি আৰু ঐতিহ্যবাহী বিদ্যালয়। ইংৰাজ চৰকাৰে উনবিংশ শতিকাৰ মাজভাগত গুৱাহাটী আৰু শিৱসাগৰত দুখন চৰকাৰী হাইস্কুল স্থাপন কৰিছিল। (সেই সময়ত কলকাতাত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈ গৈছিল)। কিন্তু সেই সময়ত শিক্ষাৰ মাধ্যম বাংলা হোৱাত অসমীয়া মানুহৰ মাজত হাইস্কুল প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়া মন্থৰ হৈ ৰৈছিল। পাছত শিক্ষাৰ মাধ্যম পুনৰ অসমীয়া হোৱাত অসমত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰো সম্প্ৰসাৰণ ঘটিবলৈ ধৰে। কুৰি শতিকাৰ আৰম্ভণিতে প্ৰায় প্ৰতিখন জিলাতে একোখনকৈ চৰকাৰী হাইস্কুল স্থাপন হৈছিল। তেতিয়াৰ জিলাবোৰ আছিল ডাঙৰ ডাঙৰ। গতিকে এখন জিলাত এখন মাত্ৰ চৰকাৰী হাইস্কুলে সময়ৰ প্ৰয়োজন পূৰাব পৰা নাছিল। আনহাতে কুৰি শতিকাৰ দ্বিতীয় দশক মানলৈ মহকুমা পৰ্যায়ত চৰকাৰী হাইস্কুল আছিল মাত্ৰ এখন— যোৰহাটত। সেই পৰিস্থিতিতে শিৱসাগৰৰ বিখ্যাত বেজবৰুৱা পৰিয়ালে ব্যক্তিগত উদ্যোগত হাইস্কুল প্ৰতিষ্ঠাৰ ঐতিহাসিক দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি আহিছিল। তেওঁলোকেই গোলাঘাটতো এখন হাইস্কুল প্ৰতিষ্ঠা কৰিছিল আৰু সম্ভৱ ১৯১০চন মানলৈ মহকুমা পৰ্যায়ত ব্যক্তিগত খণ্ডৰ হাইস্কুল আছিল সেইখনেই। সেই সময়ত মঙলদৈ আৰু বৰপেটাতহে একোখনকৈ চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুল আৰু নলবাৰীত এখন মাইনৰ স্কুল আছিল। ৰাজ্যৰ বাকী যিবোৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ স্কুল আছিল, ৰাইজৰ উদ্যোগতহে সেইবোৰ প্ৰতিষ্ঠিত হৈছিল আৰু চলি আছিল। পাছত স্বাধীন চৰকাৰে তেনেবোৰ ৰাজহুৱা বা ব্যক্তিগত স্কুলবোৰকে নিজৰ হাতলৈ নি চৰকাৰী শিক্ষাৰ ভেটি নিৰ্মাণ কৰিছিল। গোলাঘাটৰ বেজবৰুৱা হাইস্কুলখনো সময়ত চৰকাৰী হৈ পৰিছিল আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত হৈছিল।

তেনে এখন ঐতিহ্যবাহী আৰু আগশাৰীৰ বিদ্যালয় এতিয়া চলি আছে আধা ভাগ শিক্ষক-শিক্ষয়িত্ৰীৰে। ২০-২৫ বছৰৰ আগত সেইখন বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা আছিল হেনো ৬০ গৰাকীৰ ওপৰত। এতিয়া তাত শিক্ষাদান কৰি আছে ২৮-২৯ গৰাকীমানেহে। ৰাজ্যত আন যিকেইখন চৰকাৰী উচ্চ বা উচ্চতৰ বিদ্যালয় আছে, মোৰ অনুমান সেইবোৰতো পৰ্যাপ্ত সংখ্যক শিক্ষক নিযুক্ত হৈ থকা নাই। আনহাতে, এই চৰকাৰী স্কুলবোৰতো এতিয়া শিক্ষাৰ্থীৰ সংখ্যা বাঢ়িছে। এইবোৰতো মেট্ৰিক পাছ কৰা বহুতৰ বাবে একাদশ শ্ৰেণীত আসনেই নোহোৱা হৈছে। ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি বাৰু হৈ গৈছে; কিন্তু তেওঁলোকক পঢ়ুওৱা কামটোৰ কি হ'ব? একোগৰাকী শিক্ষক বা শিক্ষয়িত্ৰীয়ে কেইটা ক্লাছলৈকে মন লগাই পঢ়াব পাৰে? চৰকাৰী স্কুলকেইখনত লোকসেৱা আয়োগৰ পৰীক্ষাৰ জৰিয়তে শিক্ষকৰ নিযুক্তি হ'ব। চৰকাৰে বহুদিন সেই পৰীক্ষা পতাই নাই বুলি শুনিছো। আন্তঃগাঁথনিও অৱহেলিত।

প্ৰাদেশিকীকৃত স্কুলবোৰত চৰকাৰে এতিয়া টেট'ট পৰীক্ষাৰ জৰিয়তে প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে শিক্ষকসকলক নিযুক্তি দি আছে। গতিকে প্ৰাদেশিকীকৃত স্কুলবোৰত শিক্ষকৰ নাটনি হৈছে বুলি ভবা নাই। কিন্তু বৰঞ্চ ছাত্ৰ-ছাত্ৰীৰ অভাৱত কেতবোৰ স্কুলক একেলগ কৰিবলগীয়া অৱস্থা এটাৰহে সৃষ্টি হৈছে। তেনে ধৰণৰ বহু স্কুল amalgamated হৈয়ো গৈছে। শেহতীয়া অৱস্থাটোৰ কথা নাজানো; কিন্তু এটা ঘটনা এতিয়াও ঘটি আছে। চৰকাৰী বা প্ৰাদেশিকীকৃত স্কুলৰ চাকৰি শিক্ষিত ডেকা-গাভৰুসকলোৱে বিচাৰে; ব্যক্তিগত স্কুলত কাম কৰি থকা শিক্ষকেও টেট'ৰ চাকৰি পালে তাত যোগদান কৰে; কিন্তু তেনে শিক্ষক বা শিক্ষয়িত্ৰীয়েও নিজৰ ল'ৰা-ছোৱালীক ব্যক্তিগত খণ্ডৰ স্কুলতহে পঢ়ুৱাবলৈ বিচাৰে। তেওঁলোকক দোষ দিলেই সমস্যাটোৰ ব্যাখ্যা হৈ নাযায়। চৰকাৰী স্কুলবোৰৰ শিক্ষাত এটা ডাঙৰ কেৰোণ সোমাইছে। শিক্ষাবিদসকলে সমস্যাটোৰ কথা আলোচনাও কৰিছে; কিন্তু তাক দূৰ কৰাৰ ব্যৱস্থাহে হোৱা নাই। চৰকাৰী বা প্ৰাদেশিকীকৃত স্কুলবোৰত শিকন-শিক্ষণ আৰু পৰীক্ষাপাতিৰ কামবোৰ নিয়মীয়াকৈ আৰু নিয়াৰিকৈ নহয়। সেইবোৰৰ তদাৰকিৰ ব্যৱস্থাটোও একেবাৰে সোপাচিলা। আগতে স্কুলবোৰৰ পৰিদৰ্শন আছিল সঘন আৰু অৰ্থবহ। পৰিদৰ্শকসকলে শিক্ষকৰ চাকৰি খোৱাতকৈ তেওঁলোকৰ শিক্ষণৰ মান পৰীক্ষাতহে গুৰুত্ব দিছিল। গতিকে শিক্ষকসকলেও ভালকৈ পঢ়াবলৈ চেষ্টা কৰিছিল। ফাঁকি দিবলৈ চেষ্টা নকৰিছিল। শিক্ষকসকলৰ প্ৰশিক্ষণো হৈছিল নিয়মীয়াকৈ; কিন্তু আজিকালি পৰিদৰ্শন আৰু শিক্ষকবৃত্তিৰ দৰ্শনেই সলনি হৈ গৈছে। বিভাগীয় পৰিদৰ্শনৰ ব্যৱস্থা এতিয়াও আছে, কিন্তু তাৰ উদ্দেশ্য কাৰ্যতঃ সলনি হৈ গৈছে। মাজতে শুনিছিলো, পৰিদৰ্শকসকল স্কুলবোৰলৈ মাজে সময়ে যায় শিক্ষকসকলৰ উপস্থিতি চাবলৈহে, তেওঁলোকৰ শিক্ষণৰ মান পৰীক্ষা কৰিবলৈ নহয়। ছাত্ৰ-ছাত্ৰীসকলে কি শিকিছে তাৰ পৰীক্ষা নহয়; কোনোবা শিক্ষকক অনুপস্থিতিৰ সুযোগত নিলম্বন কৰি ঘোচ লোৱাৰ সুযোগ মোকলাব পাৰি নেকি, তাৰ প্ৰতিহে কোনো কোনো পৰিদৰ্শকৰ চকু থাকিব পাৰে। গতিকে শিক্ষকসকলেও স্কুলত নিয়মীয়াকৈ হাজিৰা দি থকাটোকে আচল কাম বুলি ধৰি লয়। ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ফল বেয়া হ'লে তাৰ তাৎক্ষণিক জবাবদিহি কৰিবলৈও শিক্ষকসকল বাধ্য নহয়। চৰকাৰে বহুদিনৰ মূৰত তেনে ভাল ফলাফল দেখুৱাব নোৱাৰা স্কুলবোৰ বন্ধ কৰি দিয়া বা তাৰ শিক্ষকসকলৰ চাকৰি খোৱাৰ ভাবুকি দিলেও কামত নাহে। চৰকাৰী খণ্ডৰ স্কুলবোৰৰ শিক্ষকসকলে জানে সেইবোৰ স্কুলত কি ঘটি আছে। গতিকে নিজৰ ল'ৰা-ছোৱালীক তেওঁলোকে পঢ়ুৱা স্কুলবোৰত পঢ়াবলৈ নিবিচাৰে। এটা ডাঙৰ পৰিহাস।

চৰকাৰো ব্যস্ত কেৱল স্কুল ভঙা-পতাতহে, স্কুলীয়া শিক্ষাৰ মান বঢ়োৱাত নহয়। চৰকাৰে পতা গুণোৎসৱবোৰো এটা আনুষ্ঠানিকতাহে। আমাৰ চৰকাৰী স্কুলীয়া শিক্ষাৰ মান বৃদ্ধি কৰিবলৈ হ'লে সকলো স্তৰতে সংশোধনৰ এটা দৈনন্দিন বা ধাৰাবাহিক প্ৰয়াস চলাব লাগিব, শিক্ষকসকল উপযুক্ত আৰু দায়বদ্ধ কৰি তুলিবলৈ উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব, শিকন-শিক্ষণ সঁচা অৰ্থত ফলপ্ৰসূ হ'ব লাগিব, স্কুলৰ মুৰব্বীসকলক টকা-পইচা বা ঠিকাদাৰিৰ চিন্তাৰ পৰা মুক্ত কৰি শৈক্ষিক দায়-দায়িত্ববোৰ পালন কৰিবলৈ বাধ্য কৰিব লাগিব। এই অসমতে এদিন বহু প্ৰবাদ প্ৰতিম প্ৰধান শিক্ষকৰ সৃষ্টি হৈছিল। তেওঁলোকৰ শৈক্ষিক নেতৃত্ব আৰু প্ৰশাসনিক দক্ষতা আনসকলৰ বাবে আদৰ্শস্বৰূপ হৈ পৰিছিল। তেনে এচাম অধ্যক্ষ বা প্ৰধান শিক্ষক এতিয়াও সৃষ্টি কৰিব পাৰিব লাগিব। অধ্যক্ষ আৰু প্ৰধান শিক্ষকসকলেই হৈছে স্কুলবোৰৰ আচল ব্যৱস্থাপক। তেওঁলোকৰ দক্ষতা আৰু দায়িত্বশীলতাৰ অবিহনে কোনো সংস্কাৰেই সম্ভৱ নহ'ব।



ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ পাৰ্থক্য আৰু বিশেষত্ব সেইখিনিতেই। সেইবোৰৰ মালিকসকল ব্যৱস্থাপনাৰ বিষয়ত আপোচহীন। কম টকাত মানুহ খটুৱায়ো তেওঁলোকে বহুত বেছি কাম আদায় কৰি লয়। অথচ চৰকাৰী বা প্ৰাদেশিকীকৃত স্কুলবোৰত বহু বেছি দৰমহা পোৱা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা তাৰ আধা কামো আদায় কৰিব পৰা নাযায়। দোষ তেওঁলোকৰ নহয়; তেওঁলোকক এক অৰাজক অৱস্থাৰ মাজত কাম কৰিবলৈ এৰি দিয়া হৈছে।

আজিকালিৰ স্কুলীয়া পাঠ্যক্ৰম, পাঠ্যপুথি, বিষয়, পৰীক্ষা পদ্ধতি আদিৰ কথা সদ্যহতে এৰি থৈছো। চৰকাৰৰ নতুন শিক্ষা নীতিৰ আলোচনাও এটা বেলেগ বিষয়। সেইবোৰক যেনে আছে তেনে ভাগে ধৰি লৈয়ে চৰকাৰী শিক্ষা আৰু ব্যক্তিগত শিক্ষাৰ মাজত থকা পাৰ্থক্যবোৰ আলোচনা কৰিব পৰা যায়। তেনে পৰ্যবেক্ষণৰ পৰা এটা কথা বুজিব পাৰি যে চৰকাৰে চৰকাৰী বা প্ৰাদেশিকীকৃত স্কুলবোৰক মূলতঃ নিবনুৱা সংস্থাপনৰ উদ্যোগ হিচাপে ব্যৱহাৰ কৰিছে, মানৱ সম্পদ গঢ়াৰ অনুষ্ঠানৰূপে নহয়। ৰাইজেও নিবনুৱাৰ কৰ্মসংস্থাপনহে বিচাৰে, কামৰ গুণগত মান নহয়। সেয়ে চৰকাৰেও শিক্ষকসকলক কেৱল চাকৰিবোৰহে দি আছে, টে'ট পৰীক্ষাতেই তেওঁলোকৰ যোগ্যতা তথা দক্ষতাৰ পৰীক্ষণৰ দায়িত্ব শেষ কৰিছে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ ভাগ্যৰ হাতত এৰি দিছে। সেয়ে আমাৰ চৰকাৰী স্কুলীয়া শিক্ষাৰ ভৱিষ্যৎ অনিশ্চয়তাৰ মাজত সোমাই পৰিছে। কিন্তু ব্যক্তিগত খণ্ডৰ স্কুলবোৰে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ ভাগ্যৰ হাতত এৰি নিদি নিজৰ মতে আৰু নিজহাতে গঢ়ি পিটি লৈ আছে।

চৰকাৰে কলেজবোৰৰ পৰা উচ্চতৰ মাধ্যমিকৰ পাঠ্যক্ৰম দুই-এবছৰতে সম্পূৰ্ণ উঠাই দিয়াৰ সিদ্ধান্ত কৰিছে। সেই লক্ষ্য লৈয়ে চৰকাৰে ৰাজ্যৰ আটাইবোৰ হাইস্কুলকে হায়াৰ ছেকেণ্ডাৰী পৰ্যায়লৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, যাতে মেট্ৰিক পাছ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চতৰ মাধ্যমিক শ্ৰেণীত নামভৰ্তিৰ বিকল্প সুযোগবোৰ মুকলি হয়। কিন্তু চৰকাৰী খণ্ডৰ হাইস্কুলবোৰৰ কিমানৰ অৱস্থা বা আন্তঃগাঁথনি উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমৰ শিক্ষাদানৰ বাবে পৰ্যাপ্ত বা উপযোগী? বৰ্তমানে চলি থকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰে আটাইবোৰত পৰ্যাপ্তসংখ্যক শ্ৰেণী কোঠা, বিজ্ঞানৰ পৰীক্ষাগাৰ, বাণিজ্য শিক্ষাৰ প্ৰয়োজনীয় সমল আদি সুবিধাবোৰ সমানে নাই। তেনেস্থলত চৰকাৰৰ বিশেষ অৰ্থ সাহায্য, তদাৰকী আৰু অৰ্হতাসম্পন্ন শিক্ষক নিযুক্তিৰ ব্যৱস্থা অবিহনে হাইস্কুলবোৰ ৰাতিটোৰ ভিতৰতে উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত হ'ব কেনেকৈ? সেই ক্ষেত্ৰত চৰকাৰে তাৎক্ষণিকভাৱে প্ৰয়োজনীয় ব্যৱস্থাবোৰ লৈছে বা ল'ব পাৰিব বুলি বিশ্বাস নহয়।

সমস্যাটো বহুবোৰ ব্যক্তিগত বিদ্যালয়ৰ বাবেও সমানে জটিল হ'ব পাৰে। সৰহীয়া পুঁজি নথকা কেতবোৰ ব্যক্তিগত উচ্চ মাধ্যমিক বিদ্যালয়ৰ মালিকপক্ষই চৰকাৰী নিৰ্দেশনা মানিব নোৱাৰি স্কুলেই হয়তো বন্ধ কৰি দিবলগীয়া হ'ব পাৰে নাইবা কোনো বৃহৎ পুঁজিপতিক স্কুল গতাই দিবলগীয়া হ'ব পাৰে। মোৰ যি অনুমান, অসমৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰো সৰু- সুৰা জাতীয় পুঁজিপতিৰ হাতত নাথাকিবগৈ আৰু সেই খণ্ডত কেৱল বৃহৎ পুঁজিপতি গোষ্ঠীৰহে আধিপত্য চলিবগৈ। জাতীয় বিদ্যালয়ৰ নামত যিবোৰ অব্যৱসায়িক বিদ্যালয় চলি আছে সেইবোৰেও নিজকে বৃহৎ ব্যৱসায়ী গোষ্ঠীৰ ৰূপত গঢ় দিব লাগিব। অসমৰ সমগ্ৰ স্কুলীয়া শিক্ষা ব্যৱস্থাটো এনেদৰে এটা বৃহৎ ব্যৱসায়লৈ ৰূপান্তৰিত হোৱাৰ দুৰ্ভাৱনাই এতিয়া প্ৰকট হৈছে। চৰকাৰে নিজৰ উচ্চতৰ মাধ্যমিক শিক্ষা ব্যৱস্থাটোক নতুনকৈ গঢ়ি তুলিব বুলি বিশ্বাস নহয়। বৰঞ্চ চৰকাৰে চৰকাৰী খণ্ডৰ শিক্ষাব্যৱস্থাটোক মৰিবলৈ এৰি দি বৃহৎ ব্যৱসায়িক গোষ্ঠীৰ অধিগ্ৰহণৰ বাটহে মুকলি কৰিছে বুলি সন্দেহ হয়।

অসম চৰকাৰে ৰাজ্যখনত এতিয়া জিলাই জিলাই বিশ্ববিদ্যালয়, মেডিকেল কলেজ, ইঞ্জিনীয়াৰিং কলেজ আদি স্থাপনৰ অভিযানত নামি গৈছে। ৰাজ্যৰ পাঁচখন কলেজক ইতিমধ্যে বিশ্ববিদ্যালয়ৰ পৰ্যায়লৈ উন্নীত কৰিছে। সেইবোৰে বিশ্ববিদ্যালয়ৰ মৰ্যাদা, বৌদ্ধিক আয়তন আৰু গুণগত গৱেষণা-অনুশীলন আদিৰ পৰিৱেশ সৃষ্টি কৰিব পাৰিব নে নোৱাৰে, তাৰ প্ৰতি চৰকাৰৰ কোনো ভ্ৰূক্ষেপ নাই। অসমৰ ঐতিহ্যবাহী কটন কলেজক বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ কৰি কলেজখনতো নষ্ট কৰিলেই, বিশ্ববিদ্যালয়খনকো দিশহাৰা কৰিছে বুলি ভুক্তভোগীৰ মুখত শুনিছো। ধৰ্মগুৰু আৰু জাতীয় বীৰ-বীৰাংগনা আদিৰ নামতো বহুকেইখন বিশ্ববিদ্যালয় খুলিছে। এইবোৰক প্ৰয়োজনীয় অৰ্থ-সাহায্য কোন চৰকাৰে দি থাকিব? আৰু সেইবোৰৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ শিক্ষা আৰু গৱেষণাৰ গুণগত মানৰ সুৰক্ষা আৰু উৎকৰ্ষৰ নিশ্চয়তাও কোনে দিব? ইমানবোৰ বিশ্ববিদ্যালয়, ইঞ্জিনীয়াৰিং কলেজ আৰু মেডিকেল কলেজত শিক্ষাদান কৰিবলৈও অভিজ্ঞ তথা দক্ষ শিক্ষক-গৱেষকো ওলাব ক'ৰ পৰা? সেইবোৰৰ পৰা ডিগ্ৰী লোৱাসকলৰ যোগ্যতা বা দক্ষতাও সন্দেহৰ আৱৰ্তত সোমাই নপৰিবনে?

যি দেখিছো চৰকাৰে মাধ্যমিক আৰু কলেজীয়া শিক্ষাকতো অৱনমিত কৰিছেই, আনকি বিশ্ববিদ্যালয়ৰ দৰে গুৰুজ্ঞানৰ শিক্ষানুষ্ঠানৰ পৰম্পৰাগত ধাৰণাটোকো একেবাৰে সলাই দিবলৈ বিচাৰিছে। কিন্তু কিহৰ তাড়নাত?

ফোন ঃ ৮৮১১৮২৭৪৩২



# অনলাইন ব্যৱস্থাই সকাহ দিছে জনসাধাৰণক

**গোপাল জালান**

**আজি-কালি** চৰকাৰী কাম-কাজসমূহ অনলাইন ব্যৱস্থাৰ দ্বাৰা সম্পাদন হ'বলৈ ধৰিছে। কেৱল চৰকাৰী কাম-কাজেই নহয়, চাকৰি আদিৰ আবেদন-পত্ৰও এতিয়া অনলাইনৰ মাধ্যমতে চলিবলৈ ধৰিছে। পূৰ্বৰ তুলনাত এতিয়া প্ৰায়ভাগ কাম-কাজতেই চৰকাৰে অনলাইনৰ ব্যৱস্থা কৰিছে। অনলাইন ব্যৱস্থাৰ ফলত পূৰ্বৰ তুলনাত কাম-কাজসমূহ ক্ষিপ্ৰ গতিত সম্পাদন হ'বলৈ ধৰিছে। এনে ব্যৱস্থাৰ ফলত দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো চৰকাৰী কাম-কাজেই হওক বা ব্যক্তিগত কামেই নহওক কিয়— বহু কম সময়ৰ ভিতৰত সমাপ্ত হ'বলৈ ধৰিছে। পূৰ্বে অসম মন্থৰ গতিৰে কাৰ্য সম্পাদন হোৱা ৰাজ্য বুলি বদনাম আছিল। অৰ্থাৎ যিকোনো চৰকাৰী কামেই পলমকৈ হৈছিল। ফলত ইয়াৰ প্ৰভাৱ পৰোক্ষভাৱে ৰাজ্যৰ উন্নয়নতো পৰিছিল। সেইবাবে ৰাজ্যখনত প্ৰাকৃতিক সম্পদ আদিৰ লগতে মানৱ সম্পদৰ সম্পূৰ্ণ উন্নয়ন হোৱা নাছিল। একেটা কামৰ বাবে চৰকাৰী অফিচে অফিচে ঘূৰি ফুৰাৰ পাছতো কাম সময়মতে হোৱা নাছিল। আনকি বহুতে হতাশ হৈ কামটোৰ পৰা লাহে লাহে আঁতৰি গৈছিল। ফলত চৰকাৰী কাম-কাজৰ ওপৰত ৰাইজে আস্থা হেৰুৱাইছিল। চৰকাৰী ব্যৱস্থাত বিশ্বাস কৰাতকৈ বক্ৰপথেৰে গৈ কাম-কাজ কৰাতহে গুৰুত্ব প্ৰদান কৰিছিল। চৰকাৰী কাম-কাজৰ এনে মন্থৰ পৰম্পৰা বিগত পাঁচ বছৰত বহু পৰিমাণে সলনি হ'ল।

শেহতীয়াভাৱে ৰাজ্য চৰকাৰে প্ৰায়ভাগ বিভাগতে কাম-কাজ সম্পাদনৰ বাবে অনলাইনৰ ব্যৱস্থা কৰিছে। আগতে পৰিবহণ বিভাগৰ পৰা আৰম্ভ কৰি আবেদন কৰালৈকে সকলোতে অযথা ভিৰ হৈছিল। তদুপৰি একেটা কামৰ বাবে বাৰে বাৰে যোৱাৰ ফলত সময়ৰ লগতে ধনো ব্যয় হৈছিল। আনকি ডিটিঅ' কাৰ্যালয়ৰ সন্মুখত নিতৌ শাৰী পাতি থকা শ শ গাড়ী, যিকোনো বিভাগৰ কাৰ্যালয় বিশেষকৈ উপায়ুক্ত আদিৰ কাৰ্যালয়ত দেখা ভিৰৰ বাবে ৰাইজৰ মাজত এনে একোটা ভাবৰ সৃষ্টি হৈছিল যে চৰকাৰী কাম-কাজত ৰাইজৰ বিশ্বাস নোহোৱা হৈছিল। এতিয়া পিছে এইবোৰত অনলাইন ব্যৱস্থা কৰাৰ ফলত দীঘলীয়া শাৰী আদি লাহে লাহে নোহোৱা হ'বলৈ ধৰিছে। সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল— যিসময়ত কাৰ্যালয়ৰ সন্মুখত দীঘলীয়া শাৰী পাতিও কেতিয়াবা কাৰ্য সম্পাদন কৰিব নোৱাৰি ঘৰলৈ উভতিব লাগিছিল, এতিয়া সেইখিনি কামকে ঘৰত বহিয়েই কম সময়ৰ ভিতৰতে সম্পাদন কৰিব পৰা হৈছে। চৰকাৰে শেহতীয়াভাৱে গ্ৰহণ কৰা এনে পদক্ষেপে কেৱল যে সময়ৰ ৰাহি কৰিছে তেনে নহয়, সমান্তৰালভাৱে এইবোৰত থকা দালালৰ ব্যৱস্থাও নোহোৱা কৰিছে। আগতে উপায়ুক্ত কাৰ্যালয়, জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ত অনবৰতে পিয়াপি দি থকা দালালবোৰৰ বেহাও বন্ধ হ'ল। আগতে এইবোৰ কাৰ্যালয়লৈ গ'লে প্ৰথমে দালালৰ সহায় ল'বলগীয়া হৈছিল। দালালবোৰেও এই ক্ষেত্ৰত সুযোগ লৈছিল। চৰকাৰক দিবলগীয়া দুই-তিনিশ টকা মাচুলৰ পৰিৱৰ্তে দালালক পাঁচ-ছয় হেজাৰ টকা দিবলগীয়া হৈছিল। তদুপৰি দালালে সম্পাদন কৰা কাম পাছত আকৌ ভুৱা বুলিও প্ৰমাণিত হৈছে। বহুতে লটিঘটিও খাবলগীয়া হৈছে। এতিয়া পিছে কোনেও দালালৰ সহায় ল'ব নালাগে। নিজেই অনলাইনৰ দ্বাৰা সকলোখিনি কৰিব পৰা হৈছে। মাত্ৰ চৰকাৰী মাচুলখিনি দিলেই হ'ব। ইয়াত তৃতীয় পক্ষৰ সহায়ৰ প্ৰয়োজন নাই। তদুপৰি চৰকাৰেও পাবলগীয়া ৰাজহখিনি সম্পূৰ্ণৰূপে লাভ কৰিব। এনেদৰে কাৰ্য সম্পাদন হ'লে ৰাজ্যখনো নিশ্চয় দোপত দোপে আগবাঢ়ি যাব পাৰিব। নৱপ্ৰজন্মও সকলো কামৰ প্ৰতি আগ্ৰহী হ'ব। তদুপৰি অনলাইন ব্যৱহাৰ কৰি যে প্ৰশাসনিক কাম-কাজো স্বচ্ছ আৰু নিকা ভাবমূৰ্তিৰে সম্পাদন কৰিব পাৰি সেই ক্ষেত্ৰতো ৰাইজৰ মাজত বিশ্বাস জন্মিব।


অনলাইন প্ৰক্ৰিয়াৰে কাৰ্য সম্পাদন কৰাৰ ফলত এতিয়া আৰু যিকোনো কামৰ ফলাফলৰ বাবে বেছিদিন অপেক্ষা কৰিব নালাগিব। তদুপৰি কোনো কৰ্মচাৰীয়েও কামত গাফিলতি কৰিব নোৱাৰিব। ইচ্ছাকৃতভাৱে কাম পলম কৰিলেও সকলোবোৰ অনলাইনতে স্পষ্ট হৈ পৰিব। এনে ব্যৱস্থাৰে কাৰ্যালয়ৰ কৰ্মচাৰীৰ সময় ৰাহি হোৱাৰ ফলত আন কামত ব্যস্ত হ'ব পাৰিব। দুদিনৰ কাম এদিনতে শেষ কৰিব পৰা সম্ভৱ হোৱাৰ ফলত আন কামো কিছু পৰিমাণে হ'লেও আগবঢ়াই থ'ব পাৰে। গতিকে অনলাইন ব্যৱস্থাই সকলোকে কিছু পৰিমাণে হ'লেও লাভান্বিত কৰিছে।

ফোন ঃ ৯৪৩৫১-০৩৯৭৭

# আঘোণ আহিলে গাঁৱলৈ মনত পৰে

**ৰাবিয়া খানম**

**গাঁৱৰ** পথাৰখন এতিয়া বৰ শুৱনি। বাৰিষাৰ বোকা-পানী খচি গুজি থৈ অহা সেউজীয়া সপোনটো এতিয়া পূৰ্ণ সোণোৱালী সোণগুটি হৈ মিচিকিয়াই হাঁহিছে। মোৰ আইৰ হেঁপাহবোৰে আনন্দত আত্মহাৰা হৈ পৰিছে। কিমান যে কষ্টৰ ফলত আঘোণৰ আনন্দবোৰ আহে, খেতিয়কৰ পৰিয়ালেহে বুজি পায়। মোৰ মৰমৰ গাঁওখনৰ মানুহবোৰ এতিয়া বৰ ব্যস্ত। খেতি চপোৱাৰ ব্যস্ততাই মূৰ দাঙিবলৈকে নিদিয়ে। ঘৰখনৰ মূল মানুহগৰাকীয়ে ৰাতিপুৱাৰ পৰা টাকুৰি ঘূৰাদি ঘূৰিব লাগে। সেই কুকুৰাৰ ডাকতে উঠি বাহি-বন কৰি গা-পা ধুই, গিৰিহঁতক চাহে-ভাতে বনাই খুৱাই পথাৰলৈ পঠিওৱা, গৰু গোহালি চাফা কৰা, কুকুৰা-হাঁহ এৰা, গাখীৰ খীৰোৱা, গৰু এৰাল দিয়া, ভালকৈ উশাহ ল'বলৈও সময় নাই। এইখিনি কাম শেষ হয় মানে, শাকনিবাৰীত পানী দিয়া, শাক ছিঙা আদিবোৰ কৰোতেই পথাৰলৈ চাহ দিবলৈ হয়েই। চাহ দি উঠি আকৌ ভাত ৰান্ধিবলৈ, পাকঘৰত সোমাবলৈকে হয়, যিহে দিন চুটি; এইখিনি কৰোতেই বেলি মূৰৰ ওপৰ পায়। দৌৰাদৌৰিকৈ বাৰীৰ শাক-ভাজি, দাইল, পুখুৰীৰ গৰৈ মাছৰ পিটিকাৰে স'তে ভাতকেইটা লৈ গিৰিহঁতনী নিজেই যাব লগা হয়। নহ'লে দাৱনীয়ে মনতে বেয়া পায়। নিজে গৈ ভাতকেইটা বাঢ়ি খুৱাই নিজেও পথাৰতে কেইটামান খায়। তামোলৰ টোপোলাটো উলিয়াই বুঢ়া তামোল, নগা পাণ, চূণ-চাধাৰে হেলেঙিয়াই খোৱাকৈ সকলোকে তামোল এখনকৈ খুৱাই, কাঁচিখন ধৰি কেইমুঠিমান ধান কাটি আকৌ ভাত খোৱা বাচনবোৰ লৈ ঘৰলৈ আহিবলৈ হয়েই। বেলিটো লাহেকৈ বেঁকা হয়েই নহয়। ঘৰলৈ আহি দাৱনীৰ কাৰণে চাহৰ লগত খাবলৈ কিবা এটা বনোৱাৰ কাম কৰোতেই এৰালৰ গৰু আনি গোহালিত বন্ধা, হাঁহ-কুকুৰাকেইটাক ধান-চাউল কেইটামান খুৱাই গঁৰালত ভৰোৱা, ঘৰ-চোতাল সাৰি মানুহজনীৰ ততকে নাথাকে। ইফালে ডাঙৰিবোৰ আনি ভঁৰালত ভৰাইহিয়েই পিছে পিছে দাৱনীবোৰ আহি ঘৰ পায়হি। দাৱনীক চাহ-জলপান খুৱাই বিদায় দিয়ালৈকে আন্ধাৰেই হয়। গাঁৱৰ মহিলাৰ ব্যস্ততাৰ কথা কৈ শেষ কৰিব নোৱাৰি। তথাপি হাঁহি হাঁহি পাৰ কৰে সময়বোৰ। এয়া যে আনন্দৰ সময়, হেঁপাহ পূৰ্ণ হোৱাৰ সময়। এবছৰৰ বাবে চিন্তামুক্ত হোৱাৰ সময়। তাৰ পাছত আহিব ন-খোৱা। গাঁৱৰ এটা অতি আদৰণীয় অনুষ্ঠান। গাঁৱৰ মানুহে ভকত ৰাইজক নুখুৱাকৈ নিজে নতুন চাউলৰ ভাত মুখত নিদিয়ে।



সেয়া আকৌ আঘোণ মাহতেই খাব লাগিব। ঘৰৰ গিৰিহঁতে জহা, বৰা, লাহী, শালি সকলো ধানৰে অলপ অলপ উলিয়াই ন-খাবলৈ সাজু হয়। হাঁহ, কুকুৰা, পুখুৰীৰ মাছ, বাৰীৰ শাক-পাচলিৰে দিন-বাৰ চাই গাঁৱৰ মানুহ, ওচৰ-চুবুৰীয়া, মিতিৰ-কুটুম সকলোকে মাতে। ভকতে সকলো নিয়ম কৰাৰ পাছত ৰাইজে ন-চাউলৰ ভাত মুঠি বৰ তৃপ্তিৰে খায়। এয়াই গাঁৱৰ মানুহৰ আনন্দ, হেঁপাহ, আগ্ৰহ, নিয়ম সকলো। গাঁৱৰ এই নিয়মবোৰ যাতে সদায় এনেদৰেই বৰ্তি থাকে তাৰে কামনা কৰিলো। গাঁও আৰু খেতিপথাৰৰ মাজতেই ডাঙৰ হোৱাৰ কাৰণে গাঁৱৰ এই নিয়মবোৰৰ কথা মনত পৰিলে মনটোৱে বৰ কষ্ট পায়। যদিও নগাঁও চহৰত বিয়া হৈছো, খেতি আমি নগাঁৱতো কৰো নিজৰ পথাৰত; কিন্তু মোৰ জন্মৰ গাঁওখনৰ দৰে আনন্দ নাপাওঁ কিয় নাজানো!

ফোন ঃ ৯৪৩৫৪৮৭৪০৫

# সাহিত্য অকাডেমীৰ বঁটা আৰু মনৰ কিছু অনুভৱ

## সৃষ্টিশীল ৰচনাৰে জন্মভূমিক সমৃদ্ধ কৰা লেখগৰাকী

### হৰিদেৱ মহন্ত

> বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক পদ্ম বৰকটকীয়ে সাহিত্য অকাডেমীৰ পুৰস্কাৰ পাবলৈ সক্ষম নহ'ল। সেইদৰে আন এগৰাকী বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক নিৰোদ চৌধুৰী সাহিত্য অকাডেমীৰ সুদৃষ্টিলৈ আহিব নোৱাৰিলে। এগৰাকী পাঠক হিচাপে আমি এই দুয়োগৰাকী সাহিত্যিকে এই পুৰস্কাৰ পাবৰ কাৰণে যোগ্য ব্যক্তি আছিল বুলি অনুভৱ কৰো।

**অসমীয়া** সাহিত্যৰ বিভিন্ন শাখাত প্ৰতি বছৰে একোখন উৎকৃষ্ট গ্ৰন্থ বাছনি কৰি সাহিত্য অকাডেমীয়ে বঁটা প্ৰদান কৰে। গল্প, উপন্যাস, কবিতা আদি বিভিন্ন শাখাত সাহিত্য অকাডেমীয়ে গুণগত মানৰে উচ্চস্থান পোৱা লেখকক বা লেখিকাক এই সন্মানীয় বঁটা প্ৰদান কৰে। সু-সাহিত্যিক হিচাপে ইতিমধ্যে আসন উলিয়াই লোৱা সাহিত্যিকসকলৰে একো একোজনক চাগে বিচাৰক হিচাপে মনোনীত কৰা হয়। সাহিত্যৰ প্ৰতি আসক্তি থকা এজন পঢ়ুৱৈ হিচাপে আৰু অসমীয়া বিষয়ৰ এজন ছাত্ৰ হিচাপে সাহিত্য অকাডেমীয়ে পুৰস্কৃত কৰা একোখন গ্ৰন্থ কেতিয়াবা পঢ়ি চাওঁ আৰু পঢ়ি শেষ কৰি কেতিয়াবা একোখন পুনৰ পঢ়িবলৈ লওঁ এই বুলিয়েই যে কেনেকুৱা ধৰণৰ কাহিনী, বিষয়বস্তু, প্ৰকাশভংগী, ভাষাশৈলীৰ আকৰ্ষণীয় গুণে গ্ৰন্থখনক বিচাৰকসকলৰ বাছনিত উঠাত সহায় কৰিলে। পুৰস্কৃত হোৱা গ্ৰন্থসমূহৰ আটাইবোৰ পঢ়া নহ'লেও সেই গ্ৰন্থসমূহৰ আনে কৰা সমালোচনা পঢ়ি পঢ়ুৱৈ হিচাপে কেতিয়াবা অনুভৱ হয়, যেন কোনোগৰাকী লেখকক বঞ্চিত কৰা হৈছে, কোনোগৰাকী লেখক সু-দৃষ্টিৰ পৰিসীমাৰ ভিতৰতে আহিব পৰা নাই। আমি মাথোঁ আমাৰ অনুভৱহে ব্যক্ত কৰিব খুজিছো এজন পঢ়ুৱৈ হিচাপে, সমালোচক হিচাপে নহয়।

বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক পদ্ম বৰকটকীয়ে সাহিত্য অকাডেমীৰ পুৰস্কাৰ পাবলৈ সক্ষম নহ'ল। সেইদৰে আন এগৰাকী বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক নিৰোদ চৌধুৰী সাহিত্য অকাডেমীৰ সুদৃষ্টিলৈ আহিব নোৱাৰিলে। এগৰাকী পাঠক হিচাপে আমি এই দুয়োগৰাকী সাহিত্যিকে এই পুৰস্কাৰ পাবৰ কাৰণে যোগ্য ব্যক্তি আছিল বুলি অনুভৱ কৰো।

আমি এই প্ৰসংগতে ইয়াত এগৰাকী সুলেখক, ৰামধেনু যুগৰ বিশিষ্ট গল্পকাৰ আৰু ঔপন্যাসিক ভদ্ৰেশ্বৰ ৰাজখোৱাৰ বিষয়ে লিখিব খুজিছো। নগাঁৱৰ খুটিকটীয়াত জন্মলাভ কৰা ৰাজখোৱাই এতিয়ালৈকে ১৩ খন গ্ৰন্থ লিখি উলিয়াইছে। ১৯৮১ত প্ৰকাশ হোৱা, যোৱা শতিকাৰ শ্ৰেষ্ঠ ১০ খন গ্ৰন্থৰ এখন বুলি বিবেচিত হোৱা পণ্ডিত ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থৰ সপ্তদশ অধ্যানত সন্নিবিষ্ট হোৱা 'উত্তৰ-স্বাধীনতা কালৰ সাহিত্য'ৰ 'চুটিগল্প' ভাগত যিসকল গল্পকাৰৰ নাম প্ৰশংসা উল্লেখ কৰা হৈছে, সেইসকলৰ ভিতৰত অন্যতম হ'ল ১৯৬৩ৰ পৰা ধাৰাবাহিকভাৱে চুটিগল্প ৰচনা কৰা ৰামধেনু যুগৰ গল্পকাৰ ভদ্ৰেশ্বৰ ৰাজখোৱা। তেওঁ গল্প লিখিবলৈ লোৱাৰ পাছত জন্ম হোৱা, অথচ সাহিত্যৰ বুৰঞ্জীত নাম নথকা বা গ্ৰন্থখনত তেওঁৰ নামৰ পাছত ব্যৱহাৰ হোৱা চুটিগল্পৰ লেখকে সাহিত্য অকাডেমী বঁটা লাভ কৰিলে, কিন্তু এই লেখকজনে নাপালে কিয়? ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ দৰে পণ্ডিতগৰাকীৰ মন্তব্য মিছা নেকি বা সাহিত্য অকাডেমীৰ নিয়ম অনুযায়ী তেওঁৰ গ্ৰন্থৰ অভাৱ হৈছিল নেকি? মই ভাবো, নাই হোৱা। তেওঁৰ শেষৰ চুটি গল্পৰ সংকলন 'মোৰ গাঁও মোৰ দেশ'খন যোৱা ২০১৮ত প্ৰকাশ হৈছে। প্ৰকাশৰ সময়ৰ ফালৰ পৰা সেইখন চাগে উপযুক্ত গ্ৰন্থ।

শুনিবলৈ পাই আচৰিত হৈছো যে অসমীয়া সাহিত্য অকাডেমীৰ বিচাৰকেই 'সাহিত্য অকাডেমী বঁটা' লাভ কৰিছে। তাৰ মানে কথাটো এনেকুৱা নেকি যে বেলেগ এজন বিচাৰকে বা বিচাৰকৰ অঙহী-বঙহীক পাছত দিবলৈ বন্দোৱস্ত হৈ আছে?

এটা কথা ক'বই লাগিব, মই নিজেও গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসত দুবছৰ থাকি অধ্যয়ন কৰি অসমীয়া সাহিত্য বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ আজীৱন শিক্ষকতা কৰিলো; কিন্তু মোৰ আগত বা পাছত কোনো ছাত্ৰৰ প্ৰাৰম্ভিক আৰু চূড়ান্ত বৰ্ষত লেখা বা আকাশবাণীৰ 'সাহিত্য চ'ৰা'ত প্ৰচাৰ হোৱা গল্পৰ প্ৰতি বছৰৰে একো একোটা সংকলন প্ৰকাশ কৰিব পৰাকৈ কোনো গল্পকাৰৰ গল্প প্ৰকাশ হোৱাৰ কথা শুনা নাই। সেই কৃতিত্বৰ অধিকাৰী কিন্তু গল্পকাৰ ভদ্ৰেশ্বৰ ৰাজখোৱা। তেওঁৰ প্ৰাৰম্ভিক বৰ্ষৰ সংকলনটোৰ নাম 'এখন নতুন দলং' আৰু চূড়ান্ত বৰ্ষৰ গল্প সংকলনটোৰ নাম 'মই বুজি পালো।' সিমানেই নহয়, সেই সময়ত লেখা কবিতা, গীত আৰু প্ৰবন্ধৰ সংকলন 'জালুকবাৰীৰ সুৱাসো' আছে। তেওঁ ১৯৬৫তে বিশ্ববিদ্যালয়তে ৰচনা কৰা বাংলা গীতৰ সুৰত কেশৱ মহন্তৰ দৰে গীতিকাৰেও অসমীয়াত গীত ৰচনা কৰিছে ঃ সময় নদীৰ বানে, কাৰ কথা শুনে? সেইগৰাকী লেখক এইদৰে উপেক্ষিত হৈ থাকিলে আমাৰ গাত নালাগিব নেকি?

নিজৰ জন্মগাঁও খুটিকটীয়াখনকে আধাৰ হিচাপে লৈ তেওঁ অসমীয়া সমাজৰ গ্ৰাম্য জীৱনৰ সাংস্কৃতিক পৰিৱেশেৰে সজাই পাঠকসকলক এক দৃষ্টিনন্দন বাতাবৰণেৰে কাহিনীসমূহৰ মাজলৈ আগবঢ়াই নিছে। খুটিকটীয়া গাঁৱৰ নিবাসী হিচাপে আমি যেতিয়া তেওঁৰ লেখাৰ পাঠক হৈ পৰো, তেতিয়া আমিও আমাৰ বাস্তৱৰ গাঁওখনকেই লৈ তেওঁৰ সাহিত্যই সৃষ্টি কৰা কল্পনাৰ খুটিকটীয়া গাঁওখনত বিচৰণ কৰি আপ্লুত হৈ পৰো।

২০১৮ৰ ২১ অক্টোবৰত 'অসমীয়া প্ৰতিদিন' কাকতৰ দেওবৰীয়া সংখ্যাত অজয় কুমাৰ বৰাই ৰাজখোৱাৰ 'নাতি আৰু হাতী' গল্প সংকলনখনৰ এটি মনোজ্ঞ আলোচনা আগবঢ়াইছিল। তেওঁ ৰাজখোৱাৰ ভাষা, সমাজ আৰু মনোবৈজ্ঞানিক দৃষ্টিভংগী— এই তিনিটা বিশেষ বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে।

ইতিমধ্যে তেওঁৰ বিষয়ে 'সুগন্ধি জীৱন' নামৰ তিনি খণ্ডৰ তিনিখন অভিনন্দন গ্ৰন্থ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, যোৰহাট মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° অমল ৰাজখোৱাই লেখা 'কথা সাহিত্যিক ভদ্ৰেশ্বৰ ৰাজখোৱা' শীৰ্ষক জীৱন গ্ৰন্থখনো ২০১৬ত প্ৰকাশ হৈছে। জীৱিত কালত কেইজন অসমীয়া সাহিত্যিকৰ জীৱনী গ্ৰন্থ প্ৰকাশ হৈছে বাৰু?

মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে লেখা গল্পসমূহৰ ২০০৮ত প্ৰকাশ পোৱা 'মা' নামৰ গল্প সংকলনখনৰ 'মা' নামৰ গল্পটো ১৯৮৫ত প্ৰকাশ হৈছিল। আন এগৰাকী মাতৃৰ গৰ্ভ ভাড়াত লৈ সন্তান জন্ম দিয়াৰ প্ৰক্ৰিয়াটো যেতিয়াই আৰম্ভ নহওক কিয়, তেনে বিষয়বস্তুক লৈ সন্তান জন্ম দিয়াৰ কাহিনীৰে গল্প লেখাৰ উদাহৰণ অসমীয়া ভাষাত বাদেই, আন কোনো ভাষাতো বোধহয় নাই। গল্পটো কিন্তু চিকিৎসা বিষয়ক নহয়। জন্ম হোৱা ল'ৰাজনে যেতিয়া আনৰ গৰ্ভত জন্ম হোৱাৰ কথা গম পালে, তাৰ পাছত তেওঁৰ মানসিক অৱস্থাটোৰ কথাহে গল্পটোত কোৱা হৈছে।

কথাছবি নিৰ্মাণৰ কাৰণে কোনো নিৰ্মাতাই যেতিয়া একোগৰাকী লেখকৰ কাহিনী নিৰ্বাচন কৰে, তেতিয়া আমি সেই কৃতিত্বৰ এশ শতাংশই সাহিত্যিকগৰাকীৰ প্ৰাপ্য বুলি গণ্য কৰো। কথাছবি নিৰ্মাণৰ কাৰণে ৰবীন চেতিয়াই নিয়া ৰাজখোৱাৰ কাহিনীটোৰ নাম 'মন বৃন্দাবন', স্বৰ্গীয় ভবানী নাথে নিয়া কাহিনীৰ নাম 'কুঁৱলী'। উক্ত দুয়োখন প্ৰস্তাৱিত কথাছবিৰ বাবে সংগীত পৰিচালনাৰ দায়িত্বত আছিল ড° ভূপেন হাজৰিকা। সেই উপলক্ষে ১৯৭৮ৰ ২৬ আৰু ২৭ জুলাইত মুম্বাইৰ 'তাঁৰদেউ' ষ্টুডিঅ'ত ড° হাজৰিকা আৰু প্ৰখ্যাত গায়িকা উষা মংগেশকাৰ গীত বাণীবদ্ধ কৰিছিল। ২০০৩ত 'শম্ভুধন ফংলছা' নামৰ উপন্যাসখনৰ বাবে অসম সাহিত্য সভাই উত্তৰ লখিমপুৰ অধিৱেশন সভাৰ 'সন্মানীয় অম্বিকাগিৰী ৰায়চৌধুৰী সোঁৱৰণী বঁটা ২০০২ খ্ৰীঃ' প্ৰদান কৰিছিল। তাৰ উপৰি ২০০৭ত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ পৰা সম্প্ৰচাৰ হোৱা ধাৰাবাহিক, কথাছবি আৰু সংগীতসমূহৰ ভিতৰত 'শম্ভুধন ফংলচা'ক শ্ৰেষ্ঠ কাহিনীৰূপে বিবেচিত কৰি কাহিনীকাৰক শ্ৰেষ্ঠ কাহিনীকৰৰ 'দশম জ্যোতিৰূপা মিডিয়া বঁটা ২০০৮' প্ৰদান কৰিছিল। ২০১৭ত 'গোলোক ৰায়মেধি স্মাৰক কৰ্মযোগী বঁটা' লাভ কৰিছিল। উল্লেখ্য যে অসম সাহিত্য সভাৰ নগাঁও জিলা শাখাই যোৱা ছয় আগষ্ট, ২১ত 'ভদ্ৰেশ্বৰ ৰাজখোৱাৰ সৃষ্টিৰাজিৰ পৰ্যালোচনা' সভা অনুষ্ঠিত কৰিছিল। তাৰ পাছত ২০২১ত নগাঁও চৰকাৰী পেঞ্চনাৰ সন্থাই তেওঁক 'গল্পসৌৰভ যতীন বৰা সোঁৱৰণী সাহিত্য বঁটা' প্ৰদান কৰিছিল।

১৯৬৭তে প্ৰসিদ্ধ লেখক মেদিনী চৌধুৰীৰ দ্বাৰা নিৰ্বাচিত আৰু সম্পাদিত 'বছৰৰ গল্প', ২০০২ত অসমবাণীৰ সম্পাদক দিলীপ চন্দনৰ দ্বাৰা নিৰ্বাচিত আৰু সম্পাদিত 'অসমবাণীৰ শ্ৰেষ্ঠ গল্প' অসম সাহিত্য সভাই প্ৰকাশ কৰা আৰু ড° পৰাগ কুমাৰ ভট্টাচাৰ্যই সম্পাদনা কৰা গল্প সংকলনকে ধৰি বহুতো গল্প সংকলনত তেওঁৰ গল্পই স্থান পাইছে। উল্লেখ্য যে ১৯৫৫ত অসমবাণী প্ৰকাশ হোৱাৰ পৰা ২০০২লৈকে প্ৰকাশ হোৱা গল্পসমূহৰ ভিতৰৰ পৰা মাত্ৰ ৩২টা নিৰ্বাচিত গল্পৰ ভিতৰত তেওঁৰ গল্পও আছে। ৰাজখোৱাৰ দৰে এগৰাকী কৃতীমান লেখকৰ লেখা পৰ্যালোচনাৰ মাজেৰে সাহিত্য অকাডেমীৰ মজিয়াত বিবেচনাধীন হোৱাটো এজন পাঠক হিচাপে আমি নিতান্তই কামনা কৰো।

সৃষ্টিশীল লেখকৰ জীৱনজোৰা সাধনাৰ মূল্য দিয়া উচিত। আনে নেদেখাকৈ সোণ এটুকুৰা পুতি থ'ব পাৰি, কিন্তু যেতিয়া আনে বিচাৰি পাব, তাৰ মূল্য কমি নাযায়। পাছৰ প্ৰজন্মই সেই ঢাকি ৰখাসকলক এদিন বিচাৰি উলিয়াবই। সময়ে কাকো ক্ষমা নকৰে।

*ফোন ঃ ৮৮৭৬৮০৫৪৯১*

# উমানন্দ

## অতীত ইতিহাসৰ ৰেঙণি

### দিনমণি দাস

**প্ৰাকৃতিক** সম্পদ আৰু অপৰূপ সৌন্দৰ্যৰে ভৰা আমাৰ অসমত বহু মঠ-মন্দিৰ, দ'ল-দেৱালয়, সত্ৰ আদি আছে। চিৰপ্ৰবাহমান বৰলুইতে পূবা-পশ্চিমাকৈ বৈ ৰাজ্যখনক উত্তৰ আৰু দক্ষিণ দিশত ভাগ কৰিছে। পৃথিৱীৰ বৃহত্তম নদী-দ্বীপ মাজুলী (বৰ্তমান এখন জিলা) আৰু ক্ষুদ্ৰতম নদীদ্বীপ উমানন্দ ব্ৰহ্মপুত্ৰৰ বুকুতেই অৱস্থিত। এই দ্বীপটো ময়ূৰ এটিৰ দৰে দেখি বাবে ব্ৰিটিছসকলে ইয়াক ম'ৰা চৰাইৰ দ্বীপ নাম দিছিল। এই উমানন্দ পাহাৰৰ ওপৰত উমানন্দ দ'ল অৱস্থিত। এইটো এটা শিৱ মন্দিৰ। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত উল্লেখ আছে যে মহাদেৱ শিৱই এই স্থানতে কামদেৱক তেওঁৰ তৃতীয় নেত্ৰৰ পৰা ওলোৱা বহ্নিৰে ভস্ম কৰিছিল। সেই কাৰণে পাহাৰখনক ভস্মাচল, ভস্মকুট, ভস্মশৈল নামেৰে জনা যায়। সদাশিৱে ইয়াতে অৱস্থান কৰি পাৰ্বতী তথা উমাক আনন্দ দান কৰে বাবেই ইয়াৰ নাম উমানন্দ বুলি জনশ্ৰুতি আছে।

শক্তিপীঠ হিচাপে পৰিচিত কামাখ্যা মন্দিৰৰ পৰা প্ৰায় তিনি মাইল দূৰত অৱস্থিত ব্ৰহ্মপুত্ৰৰ মাজৰ এই শৈল দ্বীপটি আদিতে ব্ৰহ্মপুত্ৰ নৈৰ দক্ষিণত আছিল। পুৰাণৰ বৰ্ণনা মতে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে অৱস্থিত উমানন্দ, নৱগ্ৰহ, কামাখ্যাৰ মাজত যোগসূত্ৰ আছিল। জানিব পৰা মতে ব্ৰহ্মপুত্ৰৰ দক্ষিণত অৱস্থিত এক বিশাল পাহাৰৰ শেষ অংশ আছিল উমানন্দ। পাহাৰ আৰু উমানন্দৰ মাজত এটা কুণ্ড আছিল আৰু এই কুণ্ডত স্নান কৰি পুৰণি কালত তীৰ্থযাত্ৰীসকলে উমানন্দ মন্দিৰ দৰ্শন কৰিছিল। সময়ত ব্ৰহ্মপুত্ৰ নদীৰ এটা সোঁত এই কুণ্ডৰ মাজেদি ব'বলৈ ধৰাত পাহাৰ খহি কুণ্ডটো নাইকিয়া হয়। বৰ্তমানে উৰ্বশী, কৰ্মনাশা আদি খণ্ড খণ্ড শিলবোৰে এই প্ৰাচীন পাহাৰৰ অস্তিত্ব প্ৰমাণ কৰে। পুৰণি চাম মানুহে আজিও কয় হাজো দক্ষিণ পাৰ হ'ব আৰু উমানন্দ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থাকিব।



ব্ৰহ্মপুত্ৰৰ গতি সলনিৰ কথা ইতিহাসৰ পাতত পোৱা যায়। কোচ ৰজা নৰনাৰায়ণে আনুমানিক ১৫৬৫ত কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণৰ সময়ত পাণ্ডু অঞ্চলৰ পৰা হাজো-ৰামদিয়াৰ ওচৰেৰে বৈ থকা ব্ৰহ্মপুত্ৰৰ (ৰামসোঁতা) খাৰু ভাঁজ পোনাবৰ বাবে ব্যৱস্থা হয়। তেতিয়া শুৱালকুছি ব্ৰহ্মপুত্ৰৰ দক্ষিণত আছিল। সৈনিকসকলে তেওঁলোকৰ অস্ত্ৰৰে খন্দা অংশটোক খৰ্গসোঁতা বুলি জনা গৈছিল। প্ৰায় ১৬৩৫ত স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত আহোম-মোগলৰ যুঁজৰ সময়ত হাজো-ৰামদিয়াৰ ওচৰেৰে বৈ যোৱা ৰাম সুঁতি শুকাই যায় আৰু নৰনাৰায়ণে খন্দা খৰ্গসোঁতা মূলসুঁতি হৈ পৰে আৰু শুৱালকুছি আৰু পলাশবাৰীৰ মাজেৰে ব্ৰহ্মপুত্ৰ প্ৰৱাহিত হয়।

এই উমানন্দ টিলাৰ ওপৰতে ১৬৯৪ খ্ৰীষ্টাব্দত আহোম ৰজা গদাধৰ সিংহই বনোৱা উমানন্দ মন্দিৰেই হ'ল প্ৰথম ইটাৰে নিৰ্মিত স্থাপত্য।

অৱশ্যে বহু পণ্ডিতে মত প্ৰকাশ কৰিছে গদাধৰ সিংহই উমানন্দত নতুন মন্দিৰ নিৰ্মাণ কৰা নাছিল, পুনৰ নিৰ্মাণহে কৰাইছিল। আহোম ৰজা গদাধৰ সিংহৰ ১৬৯৪ খ্ৰীঃৰ শিলালিপি এই মন্দিৰত আছে। মন্দিৰৰ নামত তাম্ৰফলি কৰি গদাধৰ সিংহই লাখেৰাজ ৯৬৬৪ বিঘা আৰু নিস্পি খেৰাজ ৬০১৭ বিঘা মাটি দান কৰা বুলি জনা যায়। তাম্ৰফলি কৰি ভূমিদান দিয়া নিয়মটো আহোম ৰজা গদাধৰ সিংহৰ দিনৰ পৰা আৰম্ভণি হয়।

ইয়াৰ আগতে ১৬৬৭ খ্ৰীঃত মোগল সম্ৰাট ঔৰংজেৱেও এই মন্দিৰৰ নামত ভূমিদান দিয়াৰ কথা উল্লেখ আছে। ইয়াৰ পৰা বুজিব পাৰি গদাধৰ সিংহই উমানন্দ মন্দিৰ নিৰ্মাণ কৰাৰ আগৰে পৰাই ইয়াত মন্দিৰ আছিল। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত উমানন্দৰ বিষয়ে উল্লেখ আছে, সেয়েহে এই মন্দিৰৰ অস্তিত্ব খ্ৰীষ্টীয় নৱম শতিকাত আছিল বুলি ধাৰণা কৰিব পাৰি। কিছু পণ্ডিতে মত পোষণ কৰে যে কামৰূপত শাক্ত ধৰ্মতকৈ শৈৱ ধৰ্মহে পুৰণি। ষষ্ঠ শতিকাত কামৰূপ ৰজা ভাস্কৰ বৰ্মন আৰু সপ্তম শতিকাৰ শালস্তম্ভ বংশৰ কামৰূপৰ শাসকসকল শৈৱ আছিল যদিও সেই সময়ত উমানন্দৰ বিষয়ে কোনো লিখিত তথ্য পোৱা নাযায়।

যিয়েই নহওক কিয়, উমানন্দ মন্দিৰ এই মুলুকৰ অতি পুৰণি মন্দিৰ আৰু প্ৰাকৃতিক দৃশ্য অতি মনোৰম। মন্দিৰৰ ভিতৰত অনাদি শিৱলিংগ আৰু এটি ৰূপৰ নিৰ্মিত বৃষভ বাহন দশভুজ বিশিষ্ট উমানন্দ চলন্ত প্ৰতিমূৰ্তি আছে। এই মন্দিৰত স্বৰ্গদেউ শিৱসিংহই দিয়া ৰূপৰ বৃষভ-বাহন চলন্তা মূৰ্তিৰ সিংহাসনৰ চাৰিওফালে এখন লিপি আছে। উমানন্দ মন্দিৰৰ নামঘৰৰ সোঁমাজতে বিষ্ণুৰ বিগ্ৰহ আছে। মূল মন্দিৰৰ বাওঁফালে ১৮২০ খ্ৰীঃত আহোম ৰজা চন্দ্ৰকান্ত সিংহই নিৰ্মাণ কৰা চন্দ্ৰশেখৰ মন্দিৰ আৰু সন্মুখত প্ৰৱেশ তোৰণৰ বাওঁফালে হৰগৌৰীৰ মন্দিৰ আছে।

ব্ৰহ্মপুত্ৰ নদীৰ বুকুত অৱস্থিত এই উমানন্দ মন্দিৰলৈ জলপথেৰে যাব লাগে। ইয়াত শিৱৰাত্ৰিৰ দিনা ডাঙৰ মেলা হয়। সেইদিনা হেজাৰ হেজাৰ যাত্ৰীৰ সমাগম হয়। মন্দিৰ দ্বীপটোত একেটা শিলাখণ্ডতে পঞ্চ গণেশৰ মূৰ্তিকেইটাৰ ওপৰফালে বিষ্ণু মূৰ্তি আছে। এইবোৰ প্ৰত্নতাত্ত্বিক সম্পদ সংৰক্ষণ কৰাৰ লগতে এই শিলাখণ্ডসমূহৰ বিজ্ঞানসন্মত অধ্যয়ন জৰুৰী। প্ৰত্নতত্ত্ব বিভাগ আৰু বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে জৰুৰী ব্যৱস্থা ল'লে বহুত উপকাৰ হ'ব। উমানন্দ মন্দিৰৰ নৈঋত কোণত ব্ৰহ্মপুত্ৰৰ মাজত কলি পৰ্বতত কলিৰ মূৰ্তি আছে। এই মূৰ্তিলৈ চালে সকলো পুণ্য নাশ বুলি মানুহৰ মাজত প্ৰবাদ আছে আৰু ইয়াক কৰ্মনাশা বুলি জনা যায়।

কৰ্মনাশাৰ উত্তৰে আৰু উমানন্দৰ দক্ষিণে ব্ৰহ্মপুত্ৰৰ মাজত এটি সৰু শিলাময় দ্বীপত উৰ্বশী কুণ্ড অৱস্থিত। এই ঠাইত শিলৰ গাত বিষ্ণুৰ দশৱতাৰ মূৰ্তি আৰু সূৰ্যমূৰ্তি কটা আছে। স্বৰ্গৰ দেৱতা ইন্দ্ৰৰ প্ৰীতিকাৰিণী উৰ্বশী দেৱী অমৃত শিলাৰ অন্তৰত থাকি উৰ্বশীকুণ্ডত বাস কৰে। পাহাৰৰ গাত পঢ়িব নোৱৰা অৱস্থাত থকা প্ৰাচীন লিপিও (ব্ৰাহ্মী) দেখা যায়। এই উৰ্বশীকুণ্ড সম্পৰ্কে বহু কাহিনী আৰু জনবিশ্বাস প্ৰচলিত আছে। এটা বিশ্বাস মতে উৰ্বশী কুণ্ডত স্নান কৰি পাণ্ডু নাথক স্পৰ্শ কৰি কামাখ্যা দেৱীক দৰ্শন কৰিলে পৰজন্ম নহয়। আমাৰ জাতীয় সম্পদ উমানন্দ উন্নয়নৰ বাবে চৰকাৰ তথা ৰাইজ আগবাঢ়ি আহি বিশ্বৰ মানচিত্ৰত উমানন্দক উজলাব লাগে।

টীকা

১<sup></sup>/৪ হাজোৰ কুলহাটী চেঁচামুখ অঞ্চলৰ বুঢ়ামেথা আৰু প্ৰয়াত দধিৰাম দাসৰ পৰা জনামতে।

২১/৪ শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী— উত্তৰকুল-পৃঃ ৮

৩১/৪ ড° তচদ্দুক আমানুল হুছেইন- অসমৰ সংক্ষিপ্ত ইতিহাস-পৃষ্ঠা ঃ ৪০৪

৪১/৪ ড° মহেশ্বৰ নেওগ— পৱিত্ৰ অসম-পৃঃ ১৬৬

লেখক অসম অসামৰিক সেৱা, বিষয়া, ফোন ঃ ৯৪৩৫১৯২০৫৬



# শ্ৰীকৃষ্ণ কীৰ্তন আৰু ৰাজবংশী ভাষা

### ড° মনিন্দ্ৰ নাথ ৰয়

> পশ্চিমবংগত এই গ্ৰন্থখন খাটি বাংলা ভাষাৰ নিদৰ্শন হিচাবে উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যক্ৰমৰ অৰ্ন্তভূক্ত হোৱাৰ বিপৰীতে অসমতো অসমীয়া ভাষা সাহিত্যৰ পণ্ডিসকলে এইখন গ্ৰন্থ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ বাবে অপৰিহাৰ্য্য বুলি গন্য কৰে।

**চৰ্যাপদক** অসমীয়া, বাংলা, উড়িয়া আদি ভাষাৰ উদ্ভৱ কালৰ নিদশন বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। ইয়াৰ দ্বিতীয় পৰ্যায়ত শ্ৰীকৃষ্ণ কীৰ্তনৰ উল্লেখ কৰা হয়। এই গ্ৰন্থ দুখনৰ ভাষাৰ লগত বাংলা, অসমীয়া, উড়িয়া আদি ভাষাৰ যেনেদৰে সাদৃশ্য আছে, তেনেদৰে ৰাজবংশী ভাষাৰ লগতো সাদৃশ্য আছে। শ্ৰীকৃষ্ণ কীৰ্তন কাব্যখনৰ উদ্ধাৰকৰ্ত্তা পণ্ডিত বসন্ত ৰঞ্জন ৰায়ে এইখন প্ৰথমবাৰৰ বাবে সম্পাদনা কৰি উলিয়াইছিল। দ্বিতীয়বাৰ এইখন সম্পাদনা কৰি উলিয়াইছিল অমিত্ৰ সদন ভট্টাচাৰ্য্য। 1916ত প্ৰথম বাৰ বসন্ত ৰায়ে বাংলা ভাষাৰ সম্পাদনা কৰা এই কাব্যখন 91 বছৰৰ পিছত অসমীয়া পণ্ডিতৰ দ্বাৰা সম্পাদনা কৰি প্ৰকাশ কৰা হয়। পশ্চিমবংগত এই গ্ৰন্থখন খাটি বাংলা ভাষাৰ নিদৰ্শন হিচাবে উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যক্ৰমৰ অৰ্ন্তভূক্ত হোৱাৰ বিপৰীতে অসমতো অসমীয়া ভাষা সাহিত্যৰ পণ্ডিসকলে এইখন গ্ৰন্থ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ বাবে অপৰিহাৰ্য্য বুলি গন্য কৰে।

শ্ৰীকৃষ্ণ কীৰ্তন কাব্যৰ কবি বড়ু চণ্ডীদাস। তেওঁৰ নাম দুটা — এটা হল বড়ু চণ্ডীদাস আৰু আনটো অনন্ত। উল্লেখযোগ্য যে এই কবি গৰাকীৰ জন্মস্থান, এই কাব্যৰ ৰচনাকাল আৰু তেওঁৰ বংশ পৰিচয় অজ্ঞাত। তেওঁ একান্ত বাসলীভক্ত আৰু দেৱী বাসলীৰ চৰণ বন্দনা কৰি কাব্যখন ৰচনা কৰিছে। কাব্যখনৰ 418 টা পদৰ 409 টা ভনিতাৰ মাজত 'অনন্ত' নামটো মাত্ৰ সাতটা ভনিতাত উল্লেখ আছে। ডঃ সুকুমাৰ সেনৰ মতে অনন্ত কবি গৰাকীৰ নাম, বড়ু তেওঁৰ উপাধি আৰু চণ্ডীদাস তেওঁৰ ছদ্মনাম। আনহাতে ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে 'বড়ু' তেওঁৰ উপাধি আৰু বড়ুৱা শব্দৰ পৰা উদ্ভৱ হোৱা। গতিকে কবিগৰাকীৰ প্ৰকৃত নাম সম্পৰ্কে পণ্ডিসকলৰ মাজত মতভেদ আছে। ডঃ লীলাবতী শইকীয়া বৰাই তেওঁৰ সম্পাদনা কৰি প্ৰকাশ কৰা 'শ্ৰীকৃষ্ণ কীৰ্তন' গ্ৰন্থৰ ভূমিকাত এনেদৰে মন্তব্য আগবঢ়াইছে — ডঃ সুকুমাৰ সেনৰ মতকে সমৰ্থন কৰি এনে সিদ্ধান্তলৈ আহিব পাৰি— অনন্ত বড়ু শ্ৰীকৃষ্ণ কীৰ্তনৰ কবিগৰাকীৰ আচল নাম আৰু চণ্ডীদাস তেওঁৰ ছদ্মনাম, যিটো কবি গৰাকীৰ অতি প্ৰিয় আছিল।

এতিয়ালৈকে এই কাব্যখনৰ এটা মাত্ৰ পাণ্ডুলিপি পোৱা গৈছে আৰু সেইটো বঙ্গীয় সাহিত্য পৰিষদত সংৰক্ষিত হৈ আছে। ইয়াত কাব্যখনৰ কোনো নাম নাছিল। পুথিখনৰ আৰম্ভণিৰ, মাজৰ আৰু শেষৰ ভালেকেইখন পাত নাই। কিবা নাম যদি আছিলো নিশ্চয় পুথিৰ হেৰোৱা পাতৰ লগত সেই নামো লুপ্ত হৈছে। বৰ্ত্তমানৰ শ্ৰীকৃষ্ণ কীৰ্তন নামটো বসন্ত ৰঞ্জন ৰায়ে দিয়া। দুই এক বঙালী পণ্ডিতে পুথিখনৰ মাজত পোৱা এখন ৰচিদত শ্ৰীকৃষ্ণসন্দৰ্ব্ব দেখা পাই কাব্যপুথিখনৰ নাম সেইটোৰে হোৱাটোৱে বাঞ্চনীয় বুলি মত প্ৰকাশ কৰে। যি কি নহওক বৰ্তমানলৈকে শ্ৰীকৃষ্ণ কীৰ্তন নামটোহে সৰ্বজন স্বীকৃত হৈ আছে। গুৱাহাটী বিশ্ববিদ্যালয়ত এই কাব্যৰ ভাষাৰ বিষয়ে গৱেষণাৰ পৰা প্ৰমান হৈছে যে শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষা প্ৰাচীন অসমৰ একেবাৰে পশ্চিমাঞ্চলৰ ভাষা অৰ্থাৎ ৰাজবংশী ভাষাৰ লগত হুবহু সাদৃশ্য আছে।

শ্ৰীকৃষ্ণ কীৰ্তনৰ কবি বড়ু চণ্ডীদাসৰ জন্মস্থান সম্পৰ্কত পণ্ডিতসকলৰ মাজত মতভেদ আছে। পশ্চিমবঙ্গৰ ছাতনা জিলাত বাঁকুৰাৰ পৰা কিছু দূৰত কবিগৰাকীৰ জন্মস্থান বুলি বহু বঙালী পণ্ডিতে কব খোজে। কিয়নো ইয়াত কবিগৰাকীৰ উপাস্য দেৱী বাসলী দেৱীৰ পূজাৰ প্ৰচলন আছে। আৰু এসময়ত ইয়াত এটা বাসলী দেৱীৰ মন্দিৰ আছিল আৰু ইয়াতেই কবিগৰাকীৰ জন্ম হৈছিল বুলি ধাৰণা কৰা হয়। আনহাতে বাসলী পূজাৰ প্ৰচলন আমি সমগ্ৰ ভাৰতবৰ্ষতে দেখিবলৈ পাওঁ। দক্ষিণ ভাৰতত এই দেৱীক বসুআলী দেৱাই বোলা হয়। উৰিষ্যাৰ কোনো কোনো অঞ্চলত আদিবাসী সম্প্ৰদায়ৰ মাজত কমুলী পূজাৰ প্ৰচলন আছে। অবিভক্ত গোৱালপাৰা জিলাৰ কোচৰাজবংশী সম্প্ৰদায়ৰ মাজত অতি পুৰণিকালৰ পৰাই বাসলী বুলি বেমাৰৰ কথা পোৱা যায়। এই অঞ্চলত প্ৰচলিত লোক বিশ্বাসমতে এই ৰোগ ওঠৰবিধ হব পাৰে, যেনে— বিহ বাসলী, বদা বাসলী, ঝিংকা বাসলী, গৰ্ভ বাসলী ইত্যাদি। এই বেমাৰৰ চিকিৎসাৰ বাবে কোচৰাজবংশী সম্প্ৰদায়ৰ কবিৰাজসকলে বিষ ঢেকীয়াৰ পাতেৰে বিশেষ মন্ত্ৰ মাতি জৰা-ফুকা কৰে। উল্লেখ্য যে এই মন্ত্ৰবিলাক বিষহৰি পূজাৰ মন্ত্ৰ। ক্ষেত্ৰ অধ্যয়নৰ পৰা লাভ কৰা তথ্যমতে পুৰণিকালত কোচবিহাৰ, জলপাইগুৰি, দিনাজপুৰ আৰু ৰংপুৰৰ ৰাজবংশীসকলৰ মাজতো বাসলী পূজাৰ প্ৰচলন আছিল। আনহাতে ৰাজবংশীসকলৰ মাজত সৰ্পদেৱী বিষহৰি এক লৌকিক দেৱী। এই বিষহৰি আৰু বাসলী একে বুলি ভবাৰ থল নিশ্চয় আছে। গোৱালপাৰা জিলাত বিষহৰি পূজাৰ ব্যাপক প্ৰচলন এতিয়াও আছে। পিছৰকালত ব্ৰাহ্মণসকলে বিষহৰি আৰু মনসা একাকাৰ কৰি পেলাইছে। ইয়াৰ পৰা দ্বিধাহীনভাবে কব পাৰি যে গোৱালপাৰা, কোচবিহাৰ অঞ্চলত বড়ু চণ্ডীদাসৰ জন্ম হৈছিল আৰু এই ঠাইৰ ভাষাতে তেওঁ শ্ৰীকৃষ্ণ কীৰ্তনখন ৰচনা কৰিছিল।

খৃঃ ত্ৰয়োদশ, চৰ্তুদশ শতিকাৰ কমতাপুৰৰ ৰজা দুৰ্লভনাৰায়ণৰ পৃষ্ঠপোষকতাত হেম স্বৰস্বতী, হৰিবৰ বিপ্ৰ আদি পণ্ডিতসকলে কাব্য ৰচনা কৰিছিল। এই ৰচনাসমূহৰ ভাষাক এফালে অসমীয়া পণ্ডিতসকলে পুৰণি অসমীয়া বুলি মত প্ৰকাশ কৰাৰ বিপৰীতে বঙালী পণ্ডিসকলে পুৰণি বাংলা বুলি দাবী কৰে। আচলতে এইটো ৰাজবংশী ভাষা। চৰ্তুদশ শতিকাৰ মধ্য অসমত কছাৰী ৰজা মহামানিক্যৰ পৃষ্ঠপোষকতাত মাধব কন্দলিয়ে ৰচনা কৰা সপ্তকাণ্ড ৰামায়ণৰ ভাষাৰ লগতো ৰাজবংশী ভাষাৰ বহুতো সাদৃশ্য আছে। কিন্তু দুখৰ বিষয় যে মাত্ৰ ত্ৰিশ শতাংশমান ভাষিক বৈশিষ্ট্যৰ সাদৃশ্য লক্ষ্য কৰিয়ে ৰমেন্দ্ৰ সুন্দৰ ত্ৰিবেদীয় শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষাক খাটি বাংলা ভাষাৰ নিদৰ্শন বুলি কব খোজে। আনহাতে বসন্তৰঞ্জন ৰায়ে নিৰপেক্ষভাবে বিচাৰ কৰি দেখুৱাইছে যে শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষাৰ লগত মাধব কন্দলিৰ ভাষাৰ প্ৰচুৰ সাদৃশ্য আছে। যি কি নহওক ডঃ লীলাৱতী শইকীয়া বৰাই সঠিকভাবে অভিমত দিছে যে বড়ু চণ্ডীদাসৰ জন্ম হৈছিল ৰাজবংশী অধ্যুষিত কমতাপুৰত আৰু শ্ৰীকৃষ্ণ কীৰ্তনো ইয়াতে ৰচিত হৈছিল। শ্ৰীকৃষ্ণ কীৰ্তনত ৰাধাকৃষ্ণৰ যি স্থূল প্ৰেমলীলাৰ বৰ্ণনা কৰা হৈছে তেনে বৰ্ণনা বঙ্গীয় সাহিত্যত পাবলৈ নাই। আনহাতে অসমীয়া বৈষ্ণৱ সাহিত্যতো ৰাধা চৰিত্ৰৰ বৰ বেছি উল্লেখ নাই। ইয়াৰ কাৰণ শঙ্কৰদেবৰ বৈষ্ণৱ ধৰ্ম কেবল কৃষ্ণকেন্দ্ৰিক। কিন্তু তেৰাৰ কেলিগোপাল নাটত পোন প্ৰথমবাৰৰ বাবে ৰাধাৰ নামটো পোৱা যায়। আনহাতে মাধবদেবৰ বৰগীতত ৰাধা মাতৃসুলভ হিচাপে অংকিত হৈছে। কবি ৰামসৰস্বতীৰ জয়দেব কাব্যখন গীত গোবিন্দৰ অনুবাদ যদিও ইয়াত শৃংগৰাত্মক ৰসৰ ব্যবহাৰ সিমান হোৱা নাই। গতিকে শ্ৰীকৃষ্ণ কীৰ্তনৰ দৰে পৰকীয়া প্ৰেমলীলা যেনেকৈ অসমীয়া সাহিত্যত নাই ঠিক তেনেদৰে বাংলা সাহিত্যতো ইয়াৰ অভাব। আনহাতে গোৱালপাৰা আৰু কোচবিহাৰ অঞ্চলত নৌকাবিলাসৰ ওপৰত ৰচিত কিছু সংখ্যক ভাওয়াইয়া গানত এনে পৰকীয়া প্ৰেম বিষয়ৰ উল্লেখ পোৱা যায়। ডঃ দ্বিজেন্দ্ৰনাথ ভকতে সংকলন কৰা 'ভাওয়াইয়া গান' গ্ৰন্থত এই গীতসমূহৰ স্ৰষ্টা কোচৰাজবংশী সম্প্ৰদায়ৰ লোক বুলি মত প্ৰকাশ কৰিছে।

ডঃ ভকতে তেওঁৰ "ৰাজবংশী ভাষা সাহিত্যৰ পৰিচয়" গ্ৰন্থত এনেদৰে মন্তব্য আগবঢ়াইছে— ৰাজবংশী ভাষাৰ বুৰঞ্জীৰ বিভিন্ন স্তৰত অৰ্থাৎ কমতাপুৰত ৰচিত প্ৰাচীন সাহিত্যৰ ভাষাৰ লগত শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষাৰ অনেক সাদৃশ্য আছে। কোনো এটা ভাষাৰ বিচাৰ কৰোতে কেইটামান ঘাই কথা হল— ভাষাৰ লিপি, ধ্বনিতত্ত্ব, ৰূপতত্ত আৰু শব্দ ভাণ্ডাৰ। শ্ৰীকৃষ্ণ কীৰ্তনত যি লিপি ব্যৱহাৰ কৰি হৈছে, সেয়া প্ৰাচীন কামৰূপ কামতাত হিন্দু ৰজাসকলৰ দিনত খোদিত শিল আৰু তামৰ ফলিত ব্যৱহৃত লিপিৰ লগত সাদৃশ্য আছে।

ধ্বনি তত্ত্বৰ ফালৰ পৰা বিচাৰ কৰিলে ৰাজবংশী ভাষাৰ লগত শ্ৰীকৃষ্ণ কীৰ্তনৰ যথেষ্ট সাদৃশ্য লক্ষ্য কৰা যায়। শ্ৰীকৃষ্ণ কীৰ্তন কাব্যপুথিত আকাৰন্ত পদৰ উচ্চাৰণ 'অ- কাৰান্তলৈ সলনি কৰা হয়। অ-ধ্বনিৰ উচ্চাৰণ আ-ধ্বনিলৈ পৰিবৰ্ত্তন হৈছে। যেনে অকাৰন শব্দটো আকাৰন বুলি লিখা হৈছে। ৰাজবংশী ভাষাতো এনে বৈশিষ্ট পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে শাশান, সাজ, সামান আদি শব্দ। ঠিক তেনেদৰে অ-ধ্বনিৰ উচ্চাৰণ এ ধ্বনিলৈ ৰূপান্তৰ হয়। খেড়, শেশা ইত্যাদি। অ-ধ্বনি কেতিয়াবা ও ধ্বনিলৈ সলনি হয়। শ্ৰীকৃষ্ণ কীৰ্তনৰ কথোপকথন, নান্দোঘৰে আদিৰ শব্দৰ দৰে ৰাজবংশী ভাষাতো ৰান্দোন, কতোক্ষন, ভাদোৰ মাস আদি শব্দৰ প্ৰচলন আছে। এই কাব্যপুথিত ই আৰু উ ধ্বনি শিথিলভাবে উচ্চাৰিত হোৱাৰ ফলত ই⇧এ আৰু উ⇧ওৰ বিকল্প উচ্চাৰণ দেখা যায়। যেনে— কিমনে, কেমনে, বেয়াকুল। ৰাজবংশী ভাষাতো প্ৰচলিত এনে শব্দবোৰ হল— গেলাস, সেলাই, বেধেং ইত্যাদি।

শ্ৰীকৃষ্ণ কীৰ্তনত ঋ ধ্বনি ৰি হিচাপে উচ্চাৰিত হয়। ৰাজবংশী ভাষাত এনে প্ৰচুৰ শব্দ আছে— কিৰিপন, ছিৰি, বিৰিষ। শ্ৰীকৃষ্ণ কীৰ্তন কাব্যপুথিত অনুনাসিক ধ্বনিৰ ক্ষীণ প্ৰয়োগ হোৱাৰ দৰে ৰাজবংশী ভাষাতো এই নিয়ম প্ৰযোজ্য হয়। যেনে চাদ (চান্দ), আচল (আঁচল), চাপা (চাঁম্পা) ইত্যাদি। আনহাতে দ্বিস্বৰ আৰু ত্ৰিস্বৰ ধ্বনিৰ প্ৰয়োগৰ ক্ষেত্ৰতো এই দুই ভাষাৰ হুবহু সাদৃশ্য লক্ষ্য কৰা যায়।

যেনে— দ্বিস্বৰ- আউ - আউলাইল
ইয়া - মাৰিয়া
উয়া - হাটুয়া

ত্ৰিস্বৰ-ঈ-আই - জীয়াইল
আই - নোয়াইল
এ আই - খোয়াই

অন্যহাতে অৰ্দ্ধতৎসম প্ৰকৰণৰ জৰিয়তে শ্ৰীকৃষ্ণ কীৰ্তনৰ দৰে ধ্বনি পৰিবৰ্ত্তন ৰূপ আধুনিক ৰাজবংশী ভাষাতো আছে —

ক্ষ - ক্ষেমা ⇧ খেমা
জ্ঞ - গেয়ান (জ্ঞান)

ৰূপতত্ত্বৰ ফালৰ পৰাও বিচাৰ কৰিলে শ্ৰীকৃষ্ণ কীৰ্তনৰ লগত ৰাজবংশী ভাষাৰ প্ৰচুৰ মিল চকুত পৰে। সমষ্টিবাচক শব্দবোৰ ব্যৱহাৰ কৰি বহুবচন বুজোৱা নিয়ম ৰাজবংশী ভাষাতো বিদ্যমান। যেনে— সব মানুষ, কতদিন। সংখ্যাবাচক শব্দ ব্যৱহাৰ কৰি বহুবচন কৰাৰ নিয়ম শ্ৰীকৃষ্ণ কীৰ্তনৰ দৰে ৰাজবংশী ভাষাতো আছে— যেনে— বাৰো পেচালী কথা, সাতভাতাৰী, বাৰো ভাতাৰী ইত্যাদি। আনহাতে শব্দৰ দ্বিৰুক্তি কৰি শ্ৰীকৃষ্ণ কীৰ্তনৰ দৰে ৰাজবংশী ভাষাতো বহুবচন বুজোৱা হয়। এই কাব্যপুথিত ভিক্ষা মাঙ্গহ ঘৰে ঘৰে, বনে বনে পালাই ইত্যাদিৰ দৰে ৰাজবংশী ভাষাতো ঘৰে ঘৰে, দুয়োৰে দুয়োৰে শব্দৰ ব্যৱহাৰ হয়।

বচনৰ নিয়মাৱলীৰ উপৰি কাৰক বিভক্তিৰ ক্ষেত্ৰতো শ্ৰীকৃষ্ণ কীৰ্তনৰ লগত ৰাজবংশী ভাষাৰ ৰূপতত্ত্বৰ সাদৃশ্য লক্ষ্য কৰা যায়। শ্ৰীকৃষ্ণ কীৰ্তনত প্ৰথমা বিভক্তিৰ ৰূপ কৰণ, অপাদান, আৰু অবিকৰণ কাৰকত ব্যৱহাৰ হয়। আধুনিক ৰাজবংশী ভাষাতো এই নিয়ম আছে। যেনে— এই কাব্যপুথিৰ "স্ততীত্ৰ তুষিণ"ৰ দৰে ৰাজবংশী ভাষাত কান্দনে কাজ হাসিল। 'আপনাৰ দোষে হৈবে পুৰুষ বধী' ৰ দৰে ৰাজবংশী ভাষাত নিজেৰ দোষে হৈবে পুৰুষ বাদী।

সৰ্বনামৰ ক্ষেত্ৰতো শ্ৰীকৃষ্ণ কীৰ্তন আৰু ৰাজবংশী ভাষাত যথেষ্ট সাদৃশ্য আছে। উত্তম পুৰুষৰ এক বচনত শ্ৰীকৃষ্ণ কীৰ্তনত মোঞে, মোঞি ইত্যাদিৰ দৰে ৰাজবংশী ভাষাত মুই ব্যৱহাৰ হয়। সেইদৰে বহুবচনত আহ্মাৰাৰ পৰিবৰ্তে ৰাজবংশী ভাষাত আমৰা ব্যৱহাৰ হয়। মধ্যম পুৰুষত একবচনত তুঞিৰ পৰিবৰ্তে ৰাজবংশী ভাষাত তুই ব্যৱহাৰ আৰু বহুবচনত তোহ্মাৰাৰ ঠাইত তোমৰা ব্যৱহাৰ হয়।

ইয়াৰ উপৰি ৰূপতত্ত্বৰ দিশৰ পৰা যৌগিককাল, যৌগিক ক্ৰিয়া আৰু অসমাপিকা ক্ৰিয়াৰ ক্ষেত্ৰত শ্ৰীকৃষ্ণ কীৰ্তনৰ লগত ৰাজবংশী ভাষাৰ মিল পোৱা যায়।


যৌগিক কাল —
কৃষ্ণ কীৰ্তনত
নি আঁছিস ৰাজবংশী ভাষাত নিয়া গেচিস
যৌগিক ক্ৰিয়া- আনি দেহ- আনিয়া দে
অসামাপিকা ক্ৰিয়া - কম্পিতে - কাপিতে
কৰিআ - কৰিয়া

শব্দভাণ্ডাৰৰ ক্ষেত্ৰত ৰাজবংশী ভাষাত ব্যৱহৃত প্ৰচুৰ শব্দ শ্ৰীকৃষ্ণ কীৰ্তনত পোৱা যায়। এইবোৰৰ বিশেষ্য, বিশেষণ, ক্ৰিয়া, ক্ৰিয়া বিশেষণ সকলো ৰূপ পোৱা যায় যেনে আপন, উজান, একলায়, কদম, কালসাপ, ঝগৰা পৰসাদ প্ৰসাদ পৰান, পাথৰ ইত্যাদি। বাক্যৰীতিৰ ক্ষেত্ৰতো শ্ৰীকৃষ্ণ কীৰ্তনৰ লগত ৰাজবংশী ভাষাৰ মিল লক্ষ্য কৰা যায়। তলত কেইটামান উদাহৰণ দাঙি ধৰা হল— কিসেৰ কাৰণে, ভাদৰ মাসে, ৰুনুঝুনু বাজে, ৰাখিলেক তোৰ মাঅ বাপ। এনে বাক্যৰীতিৰ প্ৰচলন ৰাজবংশী ভাষাত হুবহু আছে।

পৰিশেষত কব পাৰি যে শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষাৰ লগত বাংলা বা অসমীয়া ভাষাৰ যি সাদৃশ্য আছে তাতকৈ অধিক সাদৃশ্য ৰাজবংশী ভাষাৰ লগত লক্ষ্য কৰা যায়। সেয়েহে শ্ৰীকৃষ্ণ কীৰ্তনৰ অসমীয়া সংস্কৰণৰ সম্পাদিকা ডঃ লীলাবতী শইকীয়া বৰাই স্বীকাৰ কৰিছে যে অসমৰ একেবাৰ পশ্চিম প্ৰান্তৰ দেশীভাষা বা ৰাজবংশী ভাষাৰ পৰ্য্যাপ্ত ৰূপ শ্ৰীকৃষ্ণ কীৰ্তন কাব্যপুথিত ৰক্ষিত হৈ আছে।

*ফোন ঃ ৭০০২৬২৪০৭৩*

## হাৰিয়ানাৰ গৃহমন্ত্ৰীয়ে ক'লে 'যি হিন্দু হৈও হিন্দুত্ববাদী নহয়, তেওঁ নকল হিন্দু'




**নিউজ ব্যুৰ', চণ্ডীগড়, ১৩ ডিচেম্বৰ ঃ** হাৰিয়ানাৰ গৃহমন্ত্ৰী অনিল ভিজে যে কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীক কটাক্ষ কৰি কয় যে যি ব্যক্তি হিন্দু হৈও হিন্দুত্ববাদী নহয়, তেওঁ নকল হিন্দুহে। উল্লেখ্য যে কংগ্ৰেছ সাংসদ ৰাহুলে অলপতে জয়পুৰত মন্তব্য কৰি কৈছিল যে তেওঁ হিন্দু যদিও হিন্দুত্ববাদী নহয়। ৰাহুলে লগতে কৈছিল যে ভাৰত হিন্দুৰ দেশ, হিন্দুত্ববাদীৰ নহয়। ৰাহুলৰ এই মন্তব্যৰ প্ৰসংগত হাৰিয়ানাৰ গৃহমন্ত্ৰীয়ে টুইট কৰি কয়, 'যি হিন্দু হৈও হিন্দুত্ববাদী নহয়, তেওঁ নকল হিন্দু।'

## এসময়ত উপাৰ্জন বৃদ্ধিৰ বাবে টেক্সি চলাইছিল পুটিনে ঃ তথ্যচিত্ৰত কৰিলে সদৰী




**নিউজ ব্যুৰ', ম'স্কো, ১৩ ডিচেম্বৰ ঃ** ছোভিয়েট ৰাছিয়াৰ পতনৰ পাছত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে নিজৰ উপাৰ্জন বৃদ্ধিৰ বাবে টেক্সি চলাব লগা হৈছিল। ৰাছিয়াৰ চৰকাৰী সংবাদ প্ৰতিষ্ঠানৰ বাতৰি অনুসৰি, পুটিনে এখন তথ্যচিত্ৰত নিজে এই কথা স্বীকাৰ কৰি কয় যে এসময়ত তেওঁ অধিক ধন উপাৰ্জন কৰাৰ প্ৰয়োজন হৈছিল। কে জি বিৰ এজেণ্ট হিচাপে পূৰ্বে কৰ্মৰত হোৱা পুটিনে পূৰ্বেও ছোভিয়েট ৰাছিয়াৰ পতনৰ সন্দৰ্ভত আফচোচ প্ৰকাশ কৰিছিল। কিন্তু এইবাৰ এখন তথ্যচিত্ৰত পুটিনে দাবী কৰা অনুসৰি, তিনি দশক পূৰ্বে সংঘটিত হোৱা ছোভিয়েট ৰাছিয়াৰ পতনৰ ঘটনাই আজিও সৰহসংখ্যক নাগৰিকক ত্ৰাসিত কৰি তোলে। উক্ত তথ্যচিত্ৰত পুটিনে কয়, 'মই এজন ব্যক্তিগত গাড়ীচালক হিচাপে চাকৰি কৰি অতিৰিক্ত ধন উপাৰ্জন কৰিব লগা হৈছিল। সঁচা ক'বলৈ হ'লে এই বিষয়ে আলোচনা কৰিবলৈ ভাল নাপাওঁ যদিও দুৰ্ভাগ্যজনকভাৱে এয়া সঁচা আছিল।' 'ৰাছিয়া ঃ ইটছ ৰিচেণ্ট হিষ্ট্ৰি' শীৰ্ষক তথ্যচিত্ৰখন চেনেল-ৱানত প্ৰচাৰ কৰা হ'ব। এই তথ্যচিত্ৰত তদানীন্তন ছোভিয়েট ৰাছিয়াৰ সন্দৰ্ভত বহু তথ্য দাঙি ধৰা হৈছে। পুটিনে প্ৰকাশ কৰা মতে, ছোভিয়েট ৰাছিয়াৰ পতনৰ পাছত দেশখনত ভয়াৱহ আৰ্থিক সংকটে দেখা দিছিল আৰু আন বহু লোকৰ দৰে তেওঁ সেই সময়ত টেক্সি চলাই অতিৰিক্ত ধন উপাৰ্জন কৰিছিল।

## ৰাহুলে হিন্দুত্বক সাৰ-পানী যোগাইছে ঃ ওৱেইছি



**নিউজ ব্যুৰ', হায়দৰাবাদ, ১৩ ডিচেম্বৰ ঃ** ৰাজস্থানৰ জয়পুৰৰ এখন সভাত অংশ লৈ হিন্দু আৰু হিন্দুত্বৰ পাৰ্থক্যৰ সন্দৰ্ভত অলপতে মন্তব্য প্ৰকাশ কৰিছিল কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীয়ে। ৰাহুলে দাবী কৰি কৈছিল যে তেওঁ এজন হিন্দু যদিও হিন্দুত্ববাদী নহয়। ৰাহুলৰ এই মন্তব্যৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে এ আই এম আই এমৰ হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱেইছিয়ে। টুইট কৰি ওৱেইছিয়ে কয়, 'ৰাহুল আৰু কংগ্ৰেছে হিন্দুত্বৰ ভূমিত সাৰ-পানী যোগালে। তেওঁলোকে এতিয়া সংখ্যাগুৰুবাদৰ খেতি কৰিব বিচাৰিছে। হিন্দুক ক্ষমতালৈ অনাৰ ২০২১ বৰ্ষৰ এয়া এক ধৰ্ম নিৰপেক্ষ এজেণ্ডা! বাহ! ভাৰত সকলো ভাৰতীয়ৰ, কেৱল হিন্দুৰ নহয়। সকলো ধৰ্মবিশ্বাসী মানুহৰ দেশ ভাৰতবৰ্ষ, যিসকলে বিশ্বাস নকৰে তেওঁলোকৰো দেশ এই ভাৰতবৰ্ষ।'

## ডুবাইত বিশ্বৰ প্ৰথমখন কাগজবিহীন চৰকাৰ, ৩৫ কোটি ডলাৰ হ'ব ৰাহি



**নিউজ ব্যুৰ', ডুবাই, ১৩ ডিচেম্বৰ ঃ** বিশ্বৰ ভিতৰতে প্ৰথম 'পেপাৰলেছ' অৰ্থাৎ কাগজবিহীন চৰকাৰত পৰিণত হ'ল ডুবাই চৰকাৰ। সংযুক্ত আৰৱ আমিৰশ্বাহিৰ অভিষিক্ত যুৱৰাজ শ্বেখ হমডান বিন মহম্মদ বিন ৰাছিদ অল মকটোমে এই কথা ঘোষণা কৰি কয় যে এতিয়াৰে পৰা ডুবাই চৰকাৰৰ কাম-কাজত কাগজৰ ব্যৱহাৰ কৰা নহ'ব। চৰকাৰৰ এই সিদ্ধান্তৰ ফলত ৩৫ কোটি মাৰ্কিন ডলাৰ আৰু ১.৪ কোটি শ্ৰম ঘণ্টাৰ ৰাহি হ'ব। ডুবাই চৰকাৰৰ সকলো কাম-কাজ এতিয়াৰে পৰা এশ শতাংশ ডিজিটেল পদ্ধতিৰে সম্পন্ন কৰা হ'ব বুলি মকটোমে জানিবলৈ দিয়ে। ডুবাই চৰকাৰৰ মুঠ ৪৫টা বিভাগৰ কাগজৰ নথিপত্ৰৰ পৰিৱৰ্তে ডিজিটেল নথিপত্ৰ ব্যৱহাৰ কৰা হ'ব।



## অ'মিক্ৰন আতংকৰ মাজতে কৰ'নাত আক্ৰান্ত দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি ৰামাফ'ছা

**নিউজ ব্যুৰ' জিম্বাব'ৱে, ১৩ ডিচেম্বৰ ঃ** অ'মিক্ৰন আতংকৰ মাজতে কৰ'নাত আক্ৰান্ত হ'ল দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি ছিৰিল ৰামাফ'ছা। ক'ভিডৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰাৰ পাছতো এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিল ৰাষ্ট্ৰপতিজনৰ শৰীৰত। শৰীৰত সাধাৰণ উপসৰ্গই দেখা দিয়াত ৰামাফ'ছাই ক'ভিড পৰীক্ষণ কৰাইছিল আৰু দেওবাৰে তেওঁৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ ধৰা পৰে। ইয়াৰ পাছতে ৰাষ্ট্ৰপতিজনে নিভৃতবাস গ্ৰহণ কৰে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাতে যোৱা মাহত কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ প্ৰথম সংক্ৰমণ চিনাক্ত কৰা হৈছিল।


### পুটিনৰ দাবীত ব্যাপক চাঞ্চল্য আমেৰিকা-চীনত ঃ বিশ্বৰ সৰ্বাধিক যুদ্ধাস্ত্ৰৰ গৰাকী ৰাছিয়া

## কোন দেশৰ হাতত আছে বিশ্বৰ সৰ্বাধিক যুদ্ধাস্ত্ৰ ?

**নিউজ ব্যুৰ' ম'স্কো, ১৩ ডিচেম্বৰ ঃ** ইউক্ৰেইনক লৈ ৰাছিয়া আৰু আমেৰিকাৰ মাজত সংঘাত অব্যাহত থকাৰ সময়তে ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে কৰা এক দাবীয়ে বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। পুটিনে শেহতীয়াভাৱে দাবী কৰা অনুসৰি, যুদ্ধাস্ত্ৰৰ ক্ষেত্ৰত ৰাছিয়া হৈছে বিশ্বৰ এক নম্বৰ দেশ। ইউক্ৰেইনক লৈ আমেৰিকা আৰু পশ্চিম বিশ্বৰ আন কে'বাখনো দেশে ৰাছিয়াক আক্ৰমণৰ ভাবুকি দিয়াৰ সময়তে পুটিনে এই চাঞ্চল্যকৰ তথ্য সদৰী কৰিলে। সৰ্বাধিক পৰিমাণৰ যুদ্ধাস্ত্ৰ ৰাছিয়াৰ হাতত মজুত থাকিলেও পুটিনে প্ৰতিশ্ৰুতি দি কয় যে ৰাছিয়াই পৰমাণু বুজাবুজিৰ ক্ষেত্ৰত আমেৰিকাৰ স'তে পূৰ্বে সম্পন্ন কৰা চুক্তিত এতিয়াও অটল আছে। ইউক্ৰেইনৰ স'তে শেহতীয়াভাৱে ৰাছিয়াৰ সংঘাত যথেষ্ট বৃদ্ধি পাইছে। ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ চলোৱাৰো ভাবুকি দি আহিছে। ৰাছিয়াৰ এনে ভাবুকিৰ



প্ৰতি লক্ষ্য ৰাখি আমেৰিকাই স্পষ্টভাৱে কৈছে যে ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ চলালে নাটোৰ সদস্য ৰাষ্ট্ৰ হিচাপে ইউক্ৰেইনক আমেৰিকাই মাৰ্কিন সামৰিক সাহায্য প্ৰদান কৰিব। ইউক্ৰেইনক লৈ এনে এক উত্তেজনাময় পৰিস্থিতি অব্যাহত থকাৰ সময়তে ৰুছ ৰাষ্ট্ৰপতি পুটিনে অতি কৌশলেৰে ঘোষণা কৰি ক'লে যে সাম্প্ৰতিক বিশ্বত ৰাছিয়াৰ হাতত সৰ্বাধিকসংখ্যক পাৰমাণৱিক যুদ্ধাস্ত্ৰ মজুত আছে যদিও দেশখনে পূৰ্বে আমেৰিকাৰ স'তে সম্পন্ন কৰা পাৰমাণৱিক চুক্তি মানি চলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। কূটনৈতিক বিশেষজ্ঞসকলৰ মতে, পুটিনে এইদৰে দৰাচলতে আমেৰিকাসহ পশ্চিম বিশ্বক পৰোক্ষভাৱে পাৰমাণৱিক শক্তিৰ উদ্ধৃতিৰে ধমক দিলে। যুদ্ধাস্ত্ৰ বৃদ্ধিৰ প্ৰতিযোগিতাত আমেৰিকা আৰু চীন ব্যস্ত থকাৰ সময়তে কৌশলেৰে পুটিনে দাবী কৰিলে যে পাৰমাণৱিক অস্ত্ৰ আহৰণৰ ক্ষেত্ৰত ৰাছিয়াহে বিশ্বৰ ভিতৰত শীৰ্ষ স্থানত আছে।



## শ্ৰীনগৰত সেনাৰে সংঘৰ্ষত নিহত দুই সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১৩ ডিচেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ ৰংগৰেথ অঞ্চলত নিৰাপত্তা বাহিনীয়ে আজি দুজন সন্ত্ৰাসবাদীক ধৰাশায়ী কৰিলে। অঞ্চলটোত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ খবৰ লাভৰ পাছতে সেনা আৰু আৰক্ষীয়ে আজি পুৱাৰে পৰা ৰংগৰেথত সন্ত্ৰাসবাদীৰ সন্ধানত অভিযান চলাইছিল। অঞ্চলটোত সেনাক প্ৰত্যক্ষ কৰাৰ পাছতে আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত সেনায়ো গুলিৰে প্ৰত্যুত্তৰ দিয়ে। উভয় পক্ষৰ মাজত কে'বাঘণ্টা ধৰি চলা গুলীয়াগুলিত দুজন সন্ত্ৰাসবাদী নিহত হয়। বৰ্তমানলৈকে নিহত দুই সন্ত্ৰাসবাদীৰ পৰিচয় লাভ কৰা হোৱা নাই।

## মহিলাৰ স্বাধীনতাৰ ফলত অভিভাৱকৰ কৰ্তৃত্ব সমাপ্ত, দশম শ্ৰেণীৰ বিতৰ্কিত প্ৰশ্ন বাদ দিলে চি বি এছ ইয়ে



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ ডিচেম্বৰ ঃ** বিতৰ্কৰ সন্মুখীন হোৱাক চি বি এছ ইৰ দশম শ্ৰেণীৰ প্ৰথম টাৰ্মৰ ইংৰাজী পৰীক্ষাৰ প্ৰশ্নকাকতৰ এটা বিতৰ্কিত প্ৰশ্ন বাতিল কৰিবলৈ বাধ্য হ'ল ব'ৰ্ড। 'মহিলা বিৰোধী' উক্ত প্ৰশ্ন বাতিল কৰাৰ কথা ঘোষণা কৰি আজি চি বি এছ ইয়ে কয় যে এই প্ৰশ্নৰ ক্ষেত্ৰত সকলো ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ নম্বৰ লাভ কৰিব। যোৱা ১১ ডিচেম্বৰত চি বি এছ ইৰ দশম শ্ৰেণীৰ ইংৰাজী বিষয়ত এটা অনুচ্ছেদৰ ভিত্তিত একাধিক প্ৰশ্নৰ উত্তৰ লিখিবলৈ দিয়া হৈছিল। এই প্ৰশ্নৰ একাধিক বাক্যক লৈ বিতৰ্কৰ সৃষ্টি হৈছিল। এনে এটা বাক্য আছিল এই ধৰণৰ, 'মহিলাৰ স্বাধীনতাৰ ফলত সন্তানৰ ওপৰত অভিভাৱকৰ কৰ্তৃত্ব সমাপ্ত হৈছে।' আন এটা বাক্যত কোৱা হৈছিল, 'স্বামীৰ কথা পত্নীয়ে নুশুনাৰ ফলত সন্তান আৰু বনকৰা লোকে অমান্য কৰাৰ সাহস পায়।' এই প্ৰশ্নক লৈ বিতৰ্কৰ সৃষ্টি হোৱাত আজি চি বি এছ ইয়ে উক্ত প্ৰশ্ন বাতিল কৰি সকলো ছাত্ৰ-ছাত্ৰীক এই প্ৰশ্নৰ বাবদ সম্পূৰ্ণ নম্বৰ প্ৰদানৰ সিদ্ধান্ত লয়। চি বি এছ ইৰ এই প্ৰশ্নক লৈ আজি সদনতো যথেষ্ট বিতৰ্কৰ সৃষ্টি হয়।

## কেৰালাতো অ'মিক্ৰনৰ সংক্ৰমণ, দেশত আক্ৰান্তৰ সংখ্যা ৩৮ জনলৈ বৃদ্ধি



**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ১৩ ডিচেম্বৰ ঃ** দেওবাৰে দেশৰ চাৰিখন ৰাজ্যত অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰিলে। সৰ্বশেষত অ'মিক্ৰন আক্ৰান্ত ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত হ'ল কেৰালা। ৰাজ্যখনত এয়ে প্ৰথম ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিল। জানিব পৰা অনুসৰি ব্ৰিটেইনৰ পৰা আবু ধাবি হৈ কেৰালালৈ অহা এজন যাত্ৰীৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ চিনাক্ত হৈছে। ফলত ভাৰতত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৩৮ জনলৈ বৃদ্ধি পালে। সম্প্ৰতি আক্ৰান্ত ব্যক্তিজনক নিৰীক্ষণত ৰখা হৈছে। আক্ৰান্ত ব্যক্তিজন কেৰালাৰ এৰ্নাকুলামৰ বাসিন্দা। দেশৰ ভিতৰতে সৰ্বাধিক ক'ভিড আক্ৰান্ত হোৱা ৰাজ্যখনত অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰাৰ পাছত কেৰালাত নতুন আতংকৰ সৃষ্টি হৈছে।

## পাঁচ-১৪ বছৰীয়া শিশু অ'মিক্ৰনত আক্ৰান্ত হোৱাৰ শংকা সৰ্বাধিক ঃ বিশ্ব স্বাস্থ্য সংস্থা

**নিউজ ব্যুৰ' জেনেভা, ১৩ ডিচেম্বৰ ঃ** ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ বিশ্বজুৰি দ্ৰুতগতিত বৃদ্ধি পাইছে। শেহতীয়াভাৱে বিশ্ব স্বাস্থ্য সংস্থা (হু)ই এক প্ৰতিবেদনত প্ৰকাশ কৰা অনুসৰি অ'মিক্ৰনত সৰ্বাধিক আক্ৰান্ত হৈছে পাঁচৰ পৰা ১৪ বছৰীয়া শিশুসকল। হুৰ এই প্ৰতিবেদনত আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৱে উল্লেখ কৰা অনুসৰি শিশুৰ মাজত বিভিন্ন দেশত অ'মিক্ৰনৰ সংক্ৰমণ দুইৰ পৰা



তিনিগুণ অধিক হৈছে। উল্লেখ্য যে হুৰ পূৰ্বে ক'ভিডৰ এই নতুন প্ৰজাতিৰ প্ৰথম সংক্ৰমণ ধৰা পৰা দক্ষিণ আফ্ৰিকাৰ চিকিৎসকেও পাঁচ বছৰৰ কম বয়সৰ শিশুৰ বাবে অ'মিক্ৰন অধিক ভয়াৱহ বুলি সকীয়নি দিছিল। দক্ষিণ আফ্ৰিকাত চিকিৎসালয়ত সম্প্ৰতি চিকিৎসাধীন ক'ভিড ৰোগীৰ মাজত শিশুৰ সংখ্যা বৃদ্ধি পাইছে। সেয়েহে শিশুসকলৰ ক'ভিড টিকাকৰণ অত্যন্ত জৰুৰী হৈছে বুলি চিকিৎসকসকলে মন্তব্য কৰিছে।

## গোমাতাৰ ৰক্ষণাবেক্ষণৰ বাবে তৰোৱাল ৰাখক ঃ পৰামৰ্শ ভিএইচপি নেত্ৰী সাধ্বী সৰস্বতীৰ



**নিউজ ব্যুৰ', বাংগালুৰু, ১৩ ডিচেম্বৰ ঃ** পুনৰ বিতৰ্কিত মন্তব্য প্ৰকাশেৰে সংবাদ শিৰোনাম দখল কৰিলে বিশ্ব হিন্দু পৰিষদ (ভিএইচপি)ৰ নেত্ৰী সাধ্বী সৰস্বতীয়ে। এইবাৰ হিন্দুসকলক সৰস্বতীয়ে পৰিয়াল আৰু গোৰক্ষাৰ অস্ত্ৰ ক্ৰয় কৰিবলৈ আৰু সেই অস্ত্ৰ সকলো সময়তে নিজৰ লগত ৰাখিবলৈ পৰামৰ্শ দিলে। কৰ্ণাটকত বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দলৰ হিন্দু সংগম অনুষ্ঠানত অংশ লৈ সৰস্বতীয়ে কয়, 'সমগ্ৰ পৃথিৱীত গোমাতাক শ্ৰদ্ধা কৰা হয়, কিন্তু কৰ্ণাটকত গোবধ কৰি একাংশ মানুহে মাংস খায়। এই কচাইসকলৰ এইখন দেশত বসবাসৰ যোগ্যতা নাই। এওঁলোকে অস্ত্ৰ প্ৰদৰ্শনেৰে হিন্দুৰ গোহালিৰ পৰা গৰু চুৰি কৰে। সেয়েহে আমি গোমাতাক ৰক্ষা কৰিবলৈ সকলো সময়তে নিজৰ স'তে তৰোৱাল ৰখা উচিত। যিসকলে লাখ টকাৰে ফোন কিনিব পাৰে, তেওঁলোকে এখন তৰোৱাল নিশ্চয় কিনিব পাৰিব।' কৰ্ণাটকৰ উদুপিৰ গান্ধী ময়দানত সৰস্বতীয়ে গোমাতাৰ ৰক্ষণাবেক্ষণৰ বাবে আগবঢ়োৱা এই পৰামৰ্শই বিতৰ্কৰ সৃষ্টি কৰিছে।

## দেশত একেৰাহে তিনিদিন সাত হেজাৰৰ ঘৰত দৈনিক সংক্ৰমণ, ২৪ ঘণ্টাত মৃত্যু ২০২ জনৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ ডিচেম্বৰ ঃ** দেশৰ দৈনিক ক'ভিড সংক্ৰমণ একেৰাহে তৃতীয় দিনৰ বাবে সাত হেজাৰৰ ঘৰত আছে। বিগত দুদিনৰ তুলনাত সোমবাৰে ক'ভিড আক্ৰান্তৰ সংখ্যা সামান্য হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৭,৩৫০ জন লোক। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি দেশত মুঠ ক'ভিড আক্ৰান্তৰ সংখ্যা আজি তিনি কোটি ৪৬ লাখ ৯৭ হেজাৰ ৮৬০ জনলৈ বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত ক'ভিডত প্ৰাণ হেৰুৱালে ২০২ জন লোকে। সৰ্বাধিকসংখ্যক ক'ভিড ৰোগীৰ মৃত্যু হ'ল কেৰালাত। মহাৰাষ্ট্ৰ আৰু তামিলনাডুত মৃতকৰ সংখ্যা ১০ৰ উৰ্ধ্বত আছে যদিও অন্যান্য ৰাজ্যসমূহত মৃত্যুৰ সংখ্যা ১০ৰ তলত আছে। বৰ্তমানে ভাৰতত ৯১,৪৫৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে।




## তেহৰিক-ই-তালিবানৰ বিৰুদ্ধে যুঁজ দিব ইমৰানে, দাবী পাক মন্ত্ৰীৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৩ ডিচেম্বৰ ঃ** শেহতীয়াভাৱে পাকিস্তানত তেহৰিক-ই-তালিবান (টিটিপি) নামৰ সন্ত্ৰাসবাদী সংগঠনটো যথেষ্ট সক্ৰিয় হৈ উঠিছে। একাধিক আক্ৰমণ সংঘটিত কৰি পাকিস্তানৰ বিভিন্ন অঞ্চলত টিটিপিয়ে ত্ৰাস অব্যাহত ৰাখিছে। এনে পৰিস্থিতিতে পাকিস্তানৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ফাৱাড চৌধুৰীয়ে দাবী কৰি কয় যে টিটিপিৰ বিৰুদ্ধে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে যুঁজ দিব। সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী চৌধুৰীয়ে এইদৰে কয়, 'আমি অতীততো তেওঁলোক (তালিবান)ৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিলো আৰু ভৱিষ্যতেও সংগ্ৰাম কৰিব পাৰো।' মন্ত্ৰীজনে লগতে কয় যে টিটিপিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰী ইমৰান সাজু হৈছে।

## ৰাছিয়াৰ স্বাস্থ্য বিজ্ঞানীৰ দাবী ঃ বিশ্বজুৰি ডেল্টাৰ স্থান ল'ব অ'মিক্ৰনে

**নিউজ ব্যুৰ', ম'স্কো, ১৩ ডিচেম্বৰ ঃ** ৰাছিয়াৰ স্বাস্থ্য বিজ্ঞানীয়ে দাবী কৰা অনুসৰি, অ'মিক্ৰন প্ৰজাতিৰ ব্যাপক সংক্ৰমণে অচিৰে ডেল্টা প্ৰজাতিৰ সংক্ৰমণক অতিক্ৰম কৰিব। বিশ্বত ডেল্টাত আক্ৰান্ত ৰোগীৰ সংখ্যাতকৈ আগন্তুক সময়ত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত লোকৰ সংখ্যা অধিক হোৱাৰ সম্ভাৱনা আছে বুলি ৰাছিয়াৰ গমালেয়া ৰিছাৰ্চ চেণ্টাৰ ফ'ৰ এমিডেম'ল'জী এণ্ড



মাইক্ৰ'বায়'ল'জীৰ সঞ্চালক আলেকজেণ্ডাৰ গিণ্টছবৰ্গে দাবী কৰিছে। এক প্ৰতিবেদনত আলেকজেণ্ডাৰে কয় যে দক্ষিণ আফ্ৰিকাত সৰ্বপ্ৰথমে ক'ভিড সংক্ৰমণৰ ক্ষেত্ৰত ডেল্টাৰ স্থান অ'মিক্ৰনে দখল কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। অ'মিক্ৰন প্ৰতিৰোধৰ ক্ষেত্ৰত ৰাছিয়াৰ প্ৰতিষেধক স্পুটনিক ভি কিমান কাৰ্যকৰী সেয়া অহা ১০ দিনৰ ভিতৰত নিশ্চিত কৰা হ'ব বুলিও গৱেষকজনে জানিবলৈ দিয়ে।


## আৰএছপুৰাত বি এছ এফৰ গুলিত নিহত পাকিস্তানী মহিলা অনুপ্ৰৱেশকাৰী



**নিউজ ব্যুৰ', আৰএছপুৰা, ১৩ ডিচেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ আৰএছপুৰা অঞ্চলত নিৰাপত্তা বাহিনীয়ে এগৰাকী পাকিস্তানী মহিলা অনুপ্ৰৱেশকাৰীক গুলীয়াই হত্যা কৰিলে। সূত্ৰৰ বাতৰি অনুসৰি, আৰএছপুৰা অঞ্চলৰ সীমান্তৰে একাংশ পাকিস্তানী লোকে ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা চলাইছিল আৰু অঞ্চলটোত টহলদাৰী বি এছ এফৰ জোৱানে উক্ত ঘটনা প্ৰত্যক্ষ কৰি প্ৰথমে সকীয়নি দিছিল। কিন্তু অনুপ্ৰৱেশকাৰীয়ে সকীয়নি উলংঘন কৰি অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱাত বি এছ এফে গুলিবৰ্ষণ কৰে আৰু এগৰাকী পাকিস্তানী মহিলা নিহত হয়। বি এছ এফৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, এয়ে প্ৰথমবাৰৰ বাবে পাক-ভাৰত সীমান্তত মহিলা অনুপ্ৰৱেশকাৰীক গুলীয়াই হত্যা কৰা হ'ল। পাকিস্তানী সন্ত্ৰাসবাদীয়ে মহিলাক এইদৰে ঢাল হিচাপে ব্যৱহাৰ কৰি ভাৰতলৈ প্ৰেৰণৰ অপচেষ্টা চলোৱা বুলি বি এছ এফে সন্দেহ কৰিছে।

## আমেৰিকাত ক'ভিডত মৃতকৰ সংখ্যা আঠ লাখলৈ বৃদ্ধি

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৩ ডিচেম্বৰ ঃ** আমেৰিকাত কালি কৰ'নাত মৃত্যু হোৱা ৰোগীৰ সংখ্যাই আঠ লাখৰ সীমা অতিক্ৰম কৰিলে। দেশখনত শীত বৃদ্ধিৰ লগে লগে ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰো শংকা প্ৰকট হৈছে। ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰাৰ পাছত আমেৰিকাত কৰ'না আক্ৰান্ত ৰোগীৰ সংখ্যা আগন্তুক সময়ত অধিক বৃদ্ধি পাব পাৰে বুলি চিকিৎসকসকলে উদ্বেগ প্ৰকাশ কৰিছে। দেশখনত ডেল্টা প্ৰজাতিৰ ব্যাপক সংক্ৰমণৰ ফলত ২০২০ বৰ্ষৰ তুলনাত চলিত বৰ্ষত অধিকসংখ্যক ক'ভিড ৰোগীৰ মৃত্যু হৈছে। চলিত বৰ্ষৰ আৰম্ভণিৰে পৰা সৰ্বাধিক পৰিমাণত বিনামূলীয়া টিকাকৰণ সম্পন্ন হোৱাৰ পাছতো আমেৰিকাত কৰ'নাই তাণ্ডৱ অব্যাহত ৰাখিছে। চলিত বৰ্ষৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে দেশখনত ৪.৫০ লাখ লোকে কৰ'নাত প্ৰাণ হেৰুৱালে। মহামাৰীৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে আমেৰিকাত মৃত্যু হোৱা ৰোগীৰ ৫৭ শতাংশৰ মৃত্যু হ'ল চলিত বৰ্ষত।



## ২২ ডিচেম্বৰৰ পূৰ্বে মুম্বাই আৰক্ষীৰ সন্মুখত হাজিৰ হ'বলৈ নিৰ্দেশ কংগনাক



**নিউজ ব্যুৰ', মুম্বাই, ১৩ ডিচেম্বৰ ঃ** বলিউডৰ বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌটৰ বিৰুদ্ধে আদালতত দাখিল কৰা এক আবেদনৰ শুনানিত আজি বোম্বে উচ্চ ন্যায়ালয়ে অভিনেত্ৰীগৰাকীক ২২ ডিচেম্বৰৰ পূৰ্বে মুম্বাই আৰক্ষীৰ সন্মুখত হাজিৰ হ'বলৈ নিৰ্দেশ দিলে। দৰাচলতে অভিনেত্ৰীগৰাকীয়ে চৰকাৰে কৃষি আইন প্ৰত্যাহাৰ কৰাত সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এইদৰে কৈছিল, 'খালিস্তানী সন্ত্ৰাসবাদীয়ে আজি চৰকাৰৰ বাহু ভাঙি দিলে যদিও এই কথা পাহৰিব নালাগে যে এগৰাকী মহিলা প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক মহটিয়াই নিছিল। ইয়াৰ ফলত দেশে কিমান কষ্ট অনুভৱ কৰিছিল সেয়া সকলোৱে অনুভৱ কৰে।' কংগনাৰ এই মন্তব্যৰ বিৰুদ্ধে হিংসাক প্ৰৰোচিত কৰাৰ অভিযোগত এক গোচৰ তৰা হৈছিল। এই গোচৰৰে শুনানিত আজি বোম্বে উচ্চ ন্যায়ালয়ে কংগনাক ২২ ডিচেম্বৰৰ পূৰ্বে মুম্বাই আৰক্ষীৰ সন্মুখত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে।

■ জিলাখনৰ সমবায়সমূহক চৰকাৰে দিবলৈ বাকী আছে ৩০ কোটি টকা
■ গুৱাহাটী মহকুমাৰ গাঁও পঞ্চায়ত সমবায় সমন্বয়ৰক্ষী সমিতিৰ প্ৰস্তাৱ গ্ৰহণ

# কামৰূপৰ এক লাখ ৪০ হেজাৰ হিতাধিকাৰীয়ে নাপাব চাউল

**ছয়গাঁও, ১৩ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ ২৮খন সমবায় সমিতিৰ এক লাখ ৪ ০ হেজাৰ দৰিদ্ৰ হিতাধিকাৰীয়ে নাপাব চৰকাৰী চাউল। এই সিদ্ধান্ত গ্ৰহণ কৰিছে গুৱাহাটী মহকুমাৰ গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে। উল্লেখ্য যে যোৱা ১১ ডিচেম্বৰত দক্ষিণ ৰামপুৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ কাৰ্যালয়ত কামৰূপ জিলা সমবায় সমিতিসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে কামৰূপ জিলা সমন্বয়ৰক্ষী সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰদীপ কুমাৰ বৰাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আদিত্য ৰাভাই। উল্লেখ্য যে ৰাজ্যৰ সমবায় তথা কামৰূপ জিলাৰ সমবায় সমিতিসমূহে সম্প্ৰতি সন্মুখীন হৈ অহা তীব্ৰ আৰ্থিক সংকট সন্দৰ্ভত গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰে। ২০১৯ৰ ছেপ্টেম্বৰ আৰু অক্টোবৰৰ পৰাই ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (২০১৩)ৰ পৰিবহণ ব্যয় (১,৩৬,০০-১,৫০,০০ টকা) আৰু কমিছন (৪২.৯০ টকা) মিলি সমগ্ৰ জিলাখনত প্ৰায় ৩০ কোটি টকা সমবায় সমিতিসমূহক চৰকাৰে আদায় দিব লগা আছে। সেয়েহে সভাই একমাত্ৰ প্ৰস্তাৱ গ্ৰহণ কৰে যে যিহেতু বৰ্তমান সময়ত কোনো কাৰণতেই কোনো সমবায় সমিতিয়ে সাম্ৰী উত্তোলন কৰাৰ বাবে অসমৰ্থ। যাৰ বাবে চলিত ডিচেম্বৰৰ পৰাই এনএছএফএ, পিএমজিকেএৱাই আদি কৰি কোনো সামগ্ৰী জিলাখনৰ সমবায় সমিতিসমূহে উত্তোলন নকৰে বুলি সিদ্ধান্ত গ্ৰহণ কৰে।



যোৰহাটত সদৌ অসম শিশু ভাওনা সমাৰোহৰ লাইখুঁটা স্থাপন, সোমবাৰে।

## শালবাৰী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৩ ডিচেম্বৰ ঃ** বাগ্‌সাৰ গোৱৰ্ধনা শিক্ষাখণ্ডৰ অধীনস্থ পশ্চিম বেলগুৰি প্ৰাথমিক বিদ্যালয়ত অলপতে শালবাৰী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিবেশনখন এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। অধিবেশনৰ লগত সংগতি ৰাখি শালবাৰী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ নতুন সমিতিখন গঠন কৰা হয়। সেই মৰ্মে নতুন সমিতিখন সভাপতি হিচাপে জামাললুদ্দিন আহমেদ, কাৰ্যকৰী সভাপতি ধণজিৎ কলিতা, উপ-সভাপতি বানেশ্বৰ বড়ো, মাণিক নাৰ্জাৰী, মানসী নাথ, ৰাজেন দেউৰী, সাধাৰণ সম্পাদক ৰমেন কুমাৰ দাস, সহকাৰী সম্পাদক এছাহাৰ আলী, সত্যজিৎ উজীৰ, চুবুংশ্ৰী বসুমতাৰী, শংকৰ বৰ্মন, কোষাধ্যক্ষ সোণেশ্বৰ ৰামছিয়াৰী, কাৰ্যালয় সম্পাদকদ্বয় ধনেশ্বৰ বড়ো, নিপন দাস, ৰাজ্যিক সদস্য ৰাধাকান্ত তালুকদাৰ, তৰুলতা ঠাকুৰীয়া, জ্যোতিষ বড়ো, হিচাপ পৰীক্ষক সঞ্জীৱ লাল নাথ, আশ্ৰৱ উদ্দিন আহমেদ আৰু সাংগঠনিক সম্পাদক হিচাপে গণেশ বৈশ্য, হেমেন পাঠক, খৰ্গেশ্বৰ গয়াৰী, নকুল নাথ, প্ৰতিমা নাথক নিৰ্বাচিত কৰি শালবাৰী মহকুমা শিক্ষক সন্মিলনীৰ নতুন সমিতিখন গঠন কৰা হয়।

## কৃষ্ণকান্ত সন্দিকৈৰ ব্যক্তিত্ব-কৰ্মৰাজি অতুলনীয়

■ মৰাণত অষ্টাদশ বাৰ্ষিক ড° লীলা গগৈ স্মাৰক বক্তৃতানুষ্ঠান

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৩ ডিচেম্বৰ ঃ** তাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান, মৰাণহাটৰ উদ্যোগত প্ৰতিষ্ঠানটোৰ সভাকক্ষত কালি বিয়লি অনুষ্ঠিত হয় অষ্টাদশ বাৰ্ষিক ড° লীলা গগৈ স্মাৰক বক্তৃতানুষ্ঠান। গৱেষণা প্ৰতিষ্ঠানটোৰ সঞ্চালক, বিশিষ্ট শিক্ষাবিদ ড° গিৰিণ ফুকনে সঞ্চালনা কৰা 'কৃষ্ণকান্ত সন্দিকৈ ঃ পাণ্ডিত্য আৰু ব্যক্তিত্ব' শীৰ্ষক বক্তৃতানুষ্ঠানত বিশিষ্ট গৱেষক, শিক্ষাবিদ তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নৱ কুমাৰ সন্দিকৈয়ে স্মাৰক বক্তাৰূপে বক্তব্য দাঙি ধৰি কয় যে কৃষ্ণকান্ত সন্দিকৈৰ তিনিওখন প্ৰকাশিত গ্ৰন্থ আজিও পণ্ডিত সমাজৰ কাৰণে অনুকৰণীয় আৰু পথ প্ৰদৰ্শক। কিয়নো তেওঁ কৰা কামসমূহ বিশ্লেষণ কৰিলেই দৃষ্টিগোচৰ হ'ব যে কৃষ্ণকান্ত সন্দিকৈয়ে অতি অসাধাৰণ কাম সমাধান কৰি জাতিটোক বিশ্ববুকুত শক্তিশালী জাতিৰূপে প্ৰতিষ্ঠা কৰি থৈ গৈছে। এগৰাকী আগশাৰীৰ গৱেষক তথা অসাধাৰণ প্ৰতিভাৰ গৰাকী কৃষ্ণকান্ত সন্দিকৈৰ ব্যক্তিত্ব, পাণ্ডিত্য আৰু কৰ্মৰাজি অতুলনীয় বুলি লগতে উল্লেখ কৰে অধ্যাপক ড° সন্দিকৈয়ে। প্ৰতিষ্ঠানটোৰ বিদ্যায়তনিক পৰিষদৰ সমন্বয়ক দীপেন গগৈয়ে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট চিকিৎসক তথা তাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান, মৰাণহাটৰ সভাপতি ডাঃ বিৰিঞ্চি গগৈ, গড়গাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° পুণ্যধৰ গগৈকে আদি কৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## কোকৰাঝাৰত বিধায়ক সেৱা কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৩ ডিচেম্বৰ ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰ টেঙাপাৰাত কালি কোকৰাঝাৰ পূব বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীক ৰাইজে সাক্ষাৎ কৰাৰ সুবিধাৰ্থে পোনপ্ৰথমবাৰৰ বাবে মুকলি কৰা হৈছে এটা বিধায়ক সেৱা কেন্দ্ৰ। উল্লেখ্য যে বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে মুকলি কৰা সেৱা কেন্দ্ৰটোই ৰাইজৰ সুবিধাৰ বাবে এটা যোগাত্মক পদক্ষেপ বুলি কয়। তেওঁ বিটিআৰৰ প্ৰত্যেক বিধায়ক, কাৰ্যবাহী সদস্য আৰু পাৰিষদসকলকো নিজৰ সমষ্টিত যাবলৈ আহ্বান জনাই দুদিনমান সমষ্টিৰ ৰাইজৰ সমস্যাৰ বুজ ল'বলৈ নিৰ্দেশ দিয়ে। তেনে ক্ষেত্ৰত জনতাই যাতে বিধায়কক বিচাৰি দিছপুৰ তথা ঘৰত যাব নালাগে সেয়ে ৰাইজৰ সুবিধাৰ্থে এটা স্থায়ী ঠিকনাৰ প্ৰয়োজন বুলি কয়। বড়োৱে অহা পহিলা বৰ্ষৰ জানুৱাৰীৰ পৰা ইউপিপিএল আৰু বিজেপিৰ জনপ্ৰতিনিধিসকলক নিজ নিজ গৃহ সমষ্টিবাসীৰ সমস্যাৰ বুজ ল'বলৈ আহ্বান জনায়। তেওঁ প্ৰসংগত উল্লেখ কৰি কয় যে ভোটাৰে স্থানীয় বিধায়কক সাক্ষাৎ কৰিবলৈ নাপালে সৰু-সুৰা সমস্যা সমাধান নহ'য়। সেয়ে আজিৰ পদক্ষেপে ৰাইজক উপকৃত কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। আনহাতে, কোকৰাঝাৰ পূব সমষ্টিৰ বিধায়ক ইছলাৰীয়ে আজি বিধায়ক সেৱা কেন্দ্ৰ এটা মুকলি কৰি ৰাইজে যাতে বিচাৰি অসুবিধাৰ সন্মুখীন নহয় তাৰ লক্ষ্য কৰি এনে এক স্থায়ী ঠিকনাৰ বাবে কেন্দ্ৰটো খোলা বুলি মত ব্যক্ত কৰে। উল্লেখ্য যে কোকৰাঝাৰ চহৰৰ টেঙাপাৰাত আজি প্ৰথম বিধায়ক সেৱা কেন্দ্ৰ এটা মুকলি কৰা অনুষ্ঠানত গোসাঁইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক জিৰন বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্যসকলো উপস্থিত থাকে।

## গোসাঁইগাঁৱত চিকিৎসাৰ অভাৱত দৃষ্টিশক্তিহীন কন্যা সন্তানক লৈ পিতৃ-মাতৃৰ হাহাকাৰ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১৩ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমা তথা বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ দুই নম্বৰ ফাইলাগুৰি গাঁৱৰ বাসিন্দা লাল বাহাদুৰ চৌধুৰীৰ তিনি বছৰীয়া কন্যা সন্তান সোনালিকা চৌধুৰীৰ তিনিমাহ বয়সত শ্বাসকষ্টৰ ৰোগত আক্ৰান্ত হয়। চিকিৎসাৰ পাছত কণমানি শিশুটি সুস্থ হয় যদিও তেওঁ দৃষ্টিশক্তি হেৰুৱাই পেলায়। তেতিয়াৰ পৰা দৰিদ্ৰ পৰিয়ালটোৱে শিশুটিৰ চিকিৎসা কৰি আছে। শেহতীয়াকৈ নেপালৰ এখন চকু চিকিৎসালয়ত নিয়াৰ পাছত শিশুটিক চেন্নাইলৈ লৈ যাবলৈ পৰামৰ্শ দিয়ে। কিন্তু অতি দুখীয়া পৰিয়ালটোৱে উন্নত চিকিৎসাৰ বাবে প্ৰয়োজনীয় ধনৰ অভাৱত দৃষ্টিশক্তিহীন শিশুটিক লৈ পৰিয়ালটোৰ মাজত এক হাহাকাৰৰ সৃষ্টি হৈছে। উক্ত খবৰ লাভ কৰি শ্ৰীৰামপুৰ সমষ্টিৰ পৰিষদীয় সদস্য সজল কুমাৰ সিংহই আজি পৰিয়ালটোৰ গৃহত উপস্থিত হৈ শিশুটিৰ স্বাস্থ্যৰ বুজ লয়। সিংহই দৃষ্টিশক্তিহীন শিশুটিৰ উপযুক্ত চিকিৎসাৰ বাবে সম্পূৰ্ণ দায়িত্ব লয়। তেওঁ শিশুটিৰ উন্নত চিকিৎসাৰ বাবে আজি ৫০ হেজাৰ টকা পৰিয়ালটোক আগবঢ়ায় আৰু অতি শীঘ্ৰে শিশুটিক দক্ষিণ ভাৰতলৈ নিয়াৰ বাবে অভিভাৱকসকলক পৰামৰ্শ দিয়ে। সিংহৰ এনে কাৰ্যত পৰিয়ালটোৰ মাজত আশাৰ ৰেঙণি জাগিছে।

## নাজিৰা মহাবিদ্যালয়ত পৰিৱেশ প্ৰদূষণৰ ওপৰত আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১৩ ডিচেম্বৰ ঃ** নাজিৰা মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ উদ্যোগত 'পৰিৱেশ প্ৰদূষণ আৰু মানৱ জীৱনৰ ওপৰত ইয়াৰ প্ৰভাৱ' শীৰ্ষক বিষয়ত অলপতে এখন মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত হয়। গণিত বিভাগৰ সহযোগী অধ্যাপিকা সুজাতা বৰঠাকুৰে মুখ্য সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি পৰিৱেশ প্ৰদূষণে মানৱ জীৱনৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাইছে সেই সন্দৰ্ভত বিশদভাৱে আলোচনা আগবঢ়ায়। ড° অজিত বড়াই মুকলি কৰা আলোচনাচক্ৰখনত অধ্যাপক গজেন্দ্ৰ শৰ্মা, কিৰণমণি বৰগোহাঁই, মানস জ্যোতি শইকীয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি আলোচনাচক্ৰখন সাফল্য মণ্ডিত কৰি তোলে।

## চলিত বৰ্ষৰ ভিতৰতে পদ প্ৰাদেশিকীকৰণৰ আহ্বান

■ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সন্থাৰ শিক্ষামন্ত্ৰীক সাক্ষাৎ

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১৩ ডিচেম্বৰ ঃ** বিগত ৰাজ্য চৰকাৰে যোৱা পাঁচ ফেব্ৰুৱাৰীত ৰাজ্যখনৰ ১৬ হেজাৰৰো অধিক ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ কৰিলে যদিও ৰাজ্যৰ ২১০৭খন মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষকসকলৰ পদ প্ৰাদেশিকীকৰণ কৰাৰ বিপৰীতে ২১০৭ জন চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ নকৰিলে। ফলত বিগত ২৫-৩০ বছৰে বিনা বেতনে সেৱা আগবঢ়াই অহা এইসকল চতুৰ্থ বৰ্গৰ কৰ্মচাৰীয়ে গভীৰ আশংকাত দিন অতিবাহিত কৰিবলগীয়া হৈছে। উল্লেখ্য যে ২০১৭ৰ অসম ভেঞ্চাৰ স্কুল পদ প্ৰাদেশিকীকৰণ আইন আৰু ২০১৮ৰ অসম ভেঞ্চাৰ স্কুল পদ প্ৰাদেশিকীৰণ (সংশোধনী) আইনত আন আন শিক্ষানুষ্ঠানৰ লগতে মধ্য ইংৰাজী বিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পদ প্ৰাদেশিকীকৰণৰ দফা সন্নিবিষ্ট হৈ আছিল যদিও ৰহস্যজনক কাৰণত এই সমূহ পদ প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হৈ পৰিল। সেয়েহে নতুন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পদসমূহ শীঘ্ৰে প্ৰাদেশিকীকৰণৰ আহ্বান জনাই আজি সদৌ অসম মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সন্থাৰ এটা প্ৰতিনিধি দলে দিছপুৰৰ চৰকাৰী কাৰ্যালয়ত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক সাক্ষাৎ কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সদ্য প্ৰাদেশিকীকৃত মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সন্থাৰ সভাপতি দীনেশ পাটৰ আৰু সাধাৰণ সম্পাদক ডিজেন বৰা স্বাক্ষৰিত স্মাৰকপত্ৰখনত উল্লেখ কৰিছে যে বছৰ বছৰ ধৰি শিক্ষকসকলৰ লগতে বিনা বেতনে বিদ্যালয়ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলেও সেৱা আগবঢ়াই আহিছে যদিও যোৱা পাঁচ ফেব্ৰুৱাৰীত শিক্ষকসকলৰ পদ প্ৰাদেশিকীকৰণ হ'ল; কিন্তু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পদ আজিও প্ৰাদেশিকীকৰণ নহ'ল। যাৰ বাবে এই সকল কৰ্মচাৰী মানসিকভাৱে ভাগি পৰিছে। গতিকে অহা ৩১ ডিচেম্বৰৰ ভিতৰত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পদসমূহ প্ৰাদেশিকীকৰণ নিশ্চিত কৰিবলৈ স্মাৰকপত্ৰ যোগে শিক্ষামন্ত্ৰীক আহ্বান জনায়। ইফালে, ২০১৭ৰ প্ৰাদেশিকীকৰণ আইনৰ আওতাত থাকি পদ প্ৰাদেশিকীকৰণ হোৱা অনা-শিক্ষক-কৰ্মচাৰীসকলৰ সংগঠন সদৌ অসম নতুনকৈ প্ৰাদেশিকীকৃত অনা-শিক্ষক-কৰ্মচাৰী সন্থাৰ ৰাজ্যিক সভাপতি ভবেশ নাথ আৰু সাধাৰণ সম্পাদক যুগল কুমাৰ শৰ্মাই একেখন আইনতে থকা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পদসমূহো চলিত বছৰৰ ভিতৰতে প্ৰাদেশিকীকৰণ কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনাইছে।

## বেবেজীয়া ব্যৱসায়ী সন্থাৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বেবেজীয়া চাৰিআলি ব্যৱসায়ী সন্থাৰ এখন সাধাৰণ সভাত বেবেজীয়া ব্যৱসায়ী সন্থাৰ নতুন সমিতিখন গঠন কৰা হয়। এই উপলক্ষে বেবেজীয়া চাৰিআলিত জ্যেষ্ঠ ব্যৱসায়ী গুৰুপ্ৰসাদ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি পিকু-ইকি ৰেস্তোৰাঁৰ স্বত্বাধিকাৰী বিতুল কাকতিয়ে সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ আদৰ্শ দাঙি ধৰি সকলো ব্যৱসায়ীকে ঐক্যবদ্ধ হৈ নিজ নিজ ব্যৱসায়-বাণিজ্যৰ প্ৰতি মনোনিৱেশ কৰিবলৈ আহ্বান জনোৱাৰ লগতে ব্যৱসায়ীসকলৰ নিশ্চিত নিৰাপত্তাৰ বাবেই সমিতিখন গঠনৰ পোষকতা কৰা হয়। দিনকদিনে বেবেজীয়া চাৰিআলিত একাংশ শিক্ষিত যুৱক-যুৱতীয়ে স্বাৱলম্বিতাৰ অনুকৰণীয় পথ দেখুৱাই নতুন নতুন দোকান-পোহাৰসমূহ স্থাপনেৰে এক আশাবাদৰ ৰেঙণি দেখুৱাবলৈ সক্ষম হোৱা এইসকল ন-ব্যৱসায়ীক একগোট কৰি প্ৰতিষ্ঠিত ব্যৱসায়ীসকলো সন্মিলিতভাৱে যুক্ত হৈ সোমৰাম পাটৰক সভাপতি, গুৰুপ্ৰসাদ শৰ্মা আৰু গণেশ শৰ্মাক উপ-সভাপতি, অৰূপ শৰ্মা বৰুৱাক সম্পাদক, মানস বৰা আৰু নিতুল কাকতিক সহকাৰী সম্পাদকৰূপে লৈ সৰ্বসন্মতিক্ৰমে গঠন কৰা সমিতিখনত দীপ বৰা, মিণ্টু দাস, জয় শইকীয়া, গণেশ বৰা, বকুল বৰা, ফণীন্দ্ৰ শৰ্মা, ৰণ বৰদলৈ আৰু অতুল বৰাক সদস্যৰূপে মনোনীত কৰা হয়। উল্লেখ্য যে সমিতিখনত জ্যেষ্ঠ ব্যৱসায়ী নিৰঞ্জন বেজবৰা, বিতুল কাকতি, ধৰ্মেশ্বৰ হাজৰিকা, প্ৰদ্যুন্ন গোস্বামী, অশোক বেজবৰা আৰু মদন শৰ্মাক উপদেষ্টাৰূপে লৈ গঠিত বেবেজীয়া চাৰিআলিৰ ব্যৱসায়ী সন্থাৰ প্ৰতি প্ৰেছ ক্লাব, বেবেজীয়াৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰা হয়।

## ঠাকুৰীয়াৰ আঞ্চলিক আক্ৰাছুৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**টংলা, ১৩ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত ঠাকুৰীয়াপাৰা ৰাণিপুখুৰীৰ দুৰ্গা মন্দিৰ প্ৰাংগণত যোৱা ১২ ডিচেম্বৰত ঠাকুৰীয়াপাৰা আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ উদ্যোগত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। ঠাকুৰীয়াপাৰা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনৰ প্ৰাক্তন সভাপতি নাৰায়ণ বৰ্মনে সভাপতিত্ব কৰা সভাত ঠাকুৰীয়াপাৰা আঞ্চলিক আক্ৰাছু পুৰণি সমিতিখন ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। নতুন সমিতি ঠাকুৰীয়াপাৰা আঞ্চলিক আক্ৰাছুৰ ৰমাকান্ত সিংহক সভাপতি আৰু গোবিন্দ সিংহক সাধাৰণ সম্পাদক হিচাপে লৈ নতুন সমিতিখন গঠন কৰা হয়। সভাত আক্ৰাছু কেন্দ্ৰীয় সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বড়া কোচে কয় যে চৰকাৰে অতি শীঘ্ৰে অসমৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰক্ৰিয়া আগুৱাই নিয়ক। ইংৰাজী নতুন বছৰত অসমৰ কোচ ৰাজবংশীক জনজাতিকৰণ লাগিব। বিটিআৰৰ ভূমিপুত্ৰ কোচ ৰাজবংশীক ভূমিৰ অধিকাৰ অতি শীঘ্ৰে দিবৰ বাবে চৰকাৰক দাবী জনায়। অসমৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ বিষয়াসকলক আগন্তুক শীতকালীন অধিবেশন কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী বিধান সভাত উত্থাপন কৰিবৰ বাবে অনুৰোধ জনায়। সভাত উপস্থিত থাকে আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক, হেমন্ত বড়া কোচ, সহকাৰী সাধাৰণ সম্পাদক হেমন্ত ডেকা, ওদালগুৰি জিলা আক্ৰাছু (পশ্চিম)ৰ সভাপতি মিণ্টু বৰুৱা, টংলা আঞ্চলিক আক্ৰাছু সভাপতি মুন ডেকা, ওদালগুৰি জিলা আক্ৰাছু (পশ্চিম)ৰ উপ-সভাপতি ৰঞ্জিত ৰায়, সুদৰ্শন ৰাজবংশী, ওদালগুৰি জিলা আক্ৰাছু (পশ্চিম)ৰ সহকাৰী সাধাৰণ সম্পাদক অভিলাখ বৰ্মন, সাংগঠনিক সম্পাদক ভানু বৰ্মন আৰু সাংগঠনিক সম্পাদক নিকুঞ্জ বৰ্মনে।

## মাটিয়া খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ নতুন কমিটী গঠন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৩ ডিচেম্বৰ ঃ** মাটিয়া প্ৰাথমিক শিক্ষক সন্মিলনীৰ নতুন কমিটী গঠন কৰা হৈছে। সিদ্ধেশ্বৰ কলিতাক সভাপতি, ফজৰ আলীক সাধাৰণ সম্পাদক আৰু লোকনাথ কলিতাক কোষাধ্যক্ষ হিচাপে লৈ মুঠ ৩৫ জনীয়া শক্তিশালী কমিটী এখন গঠন কৰা হয়। এই উপলক্ষে যোৱা আঠ ডিচেম্বৰত বুদুচৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত মাটিয়া খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ নৱ দ্বিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈ যায়। দলগোমা আৰু বুদুচৰ প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত অধিবেশনৰ কাৰ্যসূচী অনুসৰি আঠ ডিচেম্বৰৰ পুৱা আঠ বজাত চাফাই অভিযান, ৮-৩০ বজাত পতাকা উত্তোলন, ন বজাত স্মৃতি তৰ্পণ, ৯-৩০ত বৃক্ষৰোপণ, ১০ত প্ৰতিনিধি পঞ্জীয়ন, ১০-৩০ত প্ৰতিনিধি শিবিৰ উন্মোচন, ১১ বজাত আলোচনাচক্ৰ আৰু এক বজাত মুকলি সভা অনুষ্ঠিত হয়। ইপিনে, কাৰ্যসূচীৰ লগত সংগতি ৰাখি 'ক'ভিড পৰিস্থিতিত বৰ্তমান শৈক্ষিক অৱস্থাত পিতৃ-মাতৃ, অভিভাৱক তথা শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য' বিষয় শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। উক্ত আলোচনাচক্ৰখনত আলোচক হিচাপে ক্ৰমে জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা চিত্তৰঞ্জন কলিতা, দলগোমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মীৰা দাস, জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক অখিল নাথ আৰু অৱসৰপ্ৰাপ্ত শিক্ষক কেৰামত আলী শ্বেখে উপস্থিত থাকি বিষয়বস্তুৰ ওপৰত ভাষণ প্ৰদান কৰে। আবেলি এক বজাত হৃদয় ৰঞ্জন নাথৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাখনত মুখ্য অতিথিৰূপে দলগোমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ খলিলুৰ ৰহমান, সন্মানীয় অতিথিৰূপে জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ছাদুল্লা খান, জিলাখনৰ তিনিটা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ক্ৰমে মাটিয়াৰ বজলুল বাছিত সৰকাৰ, বালিজানাৰ নজৰুল ইছলাম বখতিয়াৰ আৰু দুধনৈৰ ৰীতা ৰাভা, কৃষ্ণাইৰ এছ আই ৰাজু আহমেদ আৰু দলগোমা আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গংগেশ কলিতা উপস্থিত থাকি শৈক্ষিক দিশত বক্তব্য ৰাখে।

■ মুছলপুৰত কেৰিয়াৰ কাউন্সিলিঙৰ কৰ্মশালা

## জ্ঞানেহে মানুহৰ পৰিচিতি বঢ়ায় ঃ ড° ডেকা

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৩ ডিচেম্বৰ ঃ** কেৰিয়াৰ এদিনতে গঢ়া বস্তু নহয়। যিসকলে নিজৰ লক্ষ্য স্থিৰ কৰি অধ্যয়নশীল মনেৰে আগবাঢ়ে তেওঁলোক কৃতকাৰ্য হয়। যিসকলৰ নিজৰ জীৱন সম্বন্ধে স্পষ্ট, যিসকল সমাজৰ প্ৰতি দায়বদ্ধ, যিসকলে ভোগবাদী সমাজ ব্যৱস্থাৰ প্ৰতি লালায়িত নহৈ গঠনমূলক চিন্তা-চৰ্চাৰে আগবাঢ়িব খোজে তেওঁলোক সমাজৰ পূজ্য ব্যক্তি। শ্ৰদ্ধা থকাজনেহে জ্ঞান অৰ্জন কৰিব পাৰে। জ্ঞানেহে মানুহ এজনৰ সমাজ পৰিচিতি বঢ়ায়। বাগ্‌সাৰ নিকাছিৰ জ্ঞানপীঠ ডিগ্ৰী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত আৰু ৰামধেনু শৈক্ষিক উন্নয়ন সমবায় সমিতিৰ সহযোগত কালি মুছলপুৰৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ৰেইনবো একাডেমীত কেৰিয়াৰ কাউন্সিলিং সমন্ধীয় সভা এখনত অংশ লৈ এনেদৰে কয় মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড০ উৎপল ডেকাই। তেওঁ কয় যে সমাজে লোক এজনক স্বীকৃতি দিবলৈ হ'লে তেওঁৰ পৰা সমাজে কিবা আশা কৰে। 'মিছন আৰু ভিজন' আলোচনী, সাধাৰণ জ্ঞান, ভূগোল, ইতিহাস আদি নিয়মীয়াভাৱে পঢ়িলে এ পি এচ চি বা ইউ পি এচ চি পৰীক্ষাত সফলতা অৰ্জন কৰিব পৰাটো কঠিন কাম নহয়। ৰামধেনু শৈক্ষিক উন্নয়ন সমবায় সমিতিৰ সভাপতি মনোৰঞ্জন দাসৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালাত ৰেইনবো একাডেমীৰ নেতৃত্ব বিভাগৰ প্ৰৱক্তা জ্যোতিষ ডেকাই উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক সফলতা লাভৰ বাবে অধিক অধ্যয়নশীল হ'বলৈ আহ্বান জনায়। মহান মনিষীসকলৰ জীৱনৰ কৰ্মশালাত ৰেইনবো একাডেমী পৰিচালনা সমিতিৰ জ্যেষ্ঠ সদস্য কনক কলিতা, সম্পাদক কাৰ্তিক দাস, ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তা সঞ্জয় ৰাজবংশী, শিক্ষা বিভাগৰ প্ৰৱক্তা কৰবী কলিতাও উপস্থিত থাকে।

## মাজুলী মহাবিদ্যালয়ত বঁটা বিতৰণী সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৩ ডিচেম্বৰ ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মাজুলী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত যোৱা পহিলা ডিচেম্বৰৰ পৰা অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাত স্থান প্ৰাপকসকলক বঁটা প্ৰদান কৰাৰ যোৱা ১০ ডিচেম্বৰত মহাবিদ্যালয়ত সভা সম্পন্ন হয়। মহাবিদ্যালয়ৰ চৌহদত বিভিন্ন বিভাগ আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। কেশৱৰাম বৰা প্ৰেক্ষাগৃহত অনুষ্ঠিত বঁটা বিতৰণী সভা মুকলি কৰা হয় মহাবিদ্যালয়ৰ অধ্যাপিকাসকলৰ দ্বাৰা পৰিৱেশিত এটি ব্যতিক্ৰম ধৰ্মী সমবেত সংগীতেৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সভা উদ্বোধন কৰি কয় যে আজিৰ কঠিন সময়ৰ সকলো মুহূৰ্ততে আমি প্ৰতিযোগিতাৰ বাবে সাজু থাকিব লাগিব আৰু তাৰ বাবে কছৰৎ কৰাৰ কৌশল এনে ধৰণৰ প্ৰতিযোগিতাসমূহৰ পৰাই আয়ত্ত কৰিব লাগিব। অসমীয়া বিভাগৰ অধ্যাপক কাৰ্তিক নাথে আঁত ধৰা সভাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকি পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়া, অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা, অৱসৰপ্ৰাপ্ত অধ্যাপক জিতেন্দ্ৰ নাথ ডেকা, অমৃতেশ্বৰ চুতীয়া, প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া, শৈক্ষিক সমন্বয়ক অৱনী কুমাৰ দত্ত আদিয়ে বক্তব্য দাঙি ধৰে। ছাত্ৰ একতা সভাৰ সহকাৰী সম্পাদক শ্যামন্ত কমল বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত আদৰণি বক্তব্য দাঙি ধৰে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী যাদৱ পায়েঙে। সভাত নৈশ চকীদাৰ ৰত্ন বৰাৰ লোকগীত, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী মংগলা পায়েঙৰ বিহুগীত, ছাত্ৰী বন্দনা বৰা আৰু পূজা বৰাৰ ঢোলবাদন, মহাবিদ্যালয়ৰ শ্ৰেষ্ঠকৰিশ্মা দেৱীৰ আধুনিক গীত পৰিৱেশনে সকলোকে মোহিত কৰে। আজিৰ সভাত মহাবিদ্যালয় খেল সপ্তাহৰ বিভিন্ন বিভাগত পুৰস্কাৰপ্ৰাপক সকলে মহাবিদ্যালয়ৰ অধ্যক্ষৰ পৰা পুৰস্কাৰ গ্ৰহণ কৰে। শেষত মহাবিদ্যালয়ৰ অধ্যাপকসকলৰ দ্বাৰা পৰিৱেশিত এটি দলীয় বিহুগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

## শিক্ষকক প্ৰত্যাহ্বানৰে শিক্ষাদানত ব্ৰতী হ'বলৈ আহ্বান

■ গৰুভাষাত কাজলগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিবেশন সম্পন্ন ঃ কমিটী গঠন

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ১৩ ডিচেম্বৰ ঃ** কাজলগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশনখন যোৱা ১১ ডিচেম্বৰত ৫১৮ নম্বৰ গৰুভাষা বজাৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। গৰুভাষা প্ৰাথমিক শৈক্ষিক উত্তৰণ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত উক্ত অধিবেশনৰ কাৰ্যসূচী অনুসৰি পুৱা আঠ বজাত পৰিৱেশ নিষ্কাসনৰ আঁত ধৰে জ্যেষ্ঠ সাংবাদিক বদ্ৰী ছেত্ৰীয়ে। পুৱা ন বজাত কাজলগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি কেশৰ বাহাদুৰ ছেত্ৰীয়ে পতাকা উত্তোলন কৰাৰ পাছত স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে। সন্মিলনীৰ সাধাৰণ সম্পাদক প্ৰাণ সূত্ৰধৰ আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি বিমল মুৰ্মুয়ে। পুৱা ৯-৩০ বজাত বৃক্ষৰোপণ কাৰ্যসূচী আৰম্ভ কৰে ক্ৰমে শৈক্ষিক উত্তৰণ কেন্দ্ৰৰ সভাপতি মাণিক কুমাৰ গয়াৰী আৰু সন্মিলনীৰ উপ-সভাপতি সুবোধ বসুমতাৰীয়ে। পুৱা ১০ বজাত প্ৰতিনিধি পঞ্জীয়নৰ পাছত ১০-৩০ বজাত মহকুমা সন্মিলনীৰ সভাপতি কেশৰ বাহাদুৰ ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাখন উদ্বোধন কৰে



বিটিএডি প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক বিনোদ চন্দ্ৰ ৰায়ে। উক্ত সভাত বিটিএডি মণ্ডল সমন্বয়িকা তথা সৰ্বভাৰতীয় সদস্য সৰস্বতী ৰাভা মুছাহাৰী পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। দিনৰ এক বজাৰ পৰা সন্মিলনীৰ সভাপতি কেশৰ বাহাদুৰ ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখন উদ্বোধন কৰে ৩১ নম্বৰ চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে। তেওঁ শিক্ষকসকল জাতি গঢ়োতা বুলি উল্লেখ কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি বিমল মুৰ্মুয়ে আদৰণি ভাষণ আগবঢ়োৱাৰ পাছত স্মৃতিগ্ৰন্থ উন্মোচন কৰে চিৰাং জিলা প্ৰাথমিক শিক্ষা বিষয়া বিজয় বৈষ্ণৱে। অধিবেশন উপলক্ষে প্ৰকাশিত 'চম্পাৱতী' নামৰ স্মৰণিকাখন উন্মোচন কৰে। অধিবেশনত বিভাগীয়ভাৱে কৃতী বঁটাপ্ৰাপ্ত শিক্ষকসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। নিৰ্দিষ্ট বক্তা ৰূপে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভাপতি সুব্ৰত ধৰে শিক্ষকসকলক প্ৰত্যাহ্বান স্বীকাৰ কৰি শিক্ষাদান কাৰ্যত ব্ৰতী হ'বলৈ আহ্বান জনায়। চৰকাৰে শিক্ষকসকলক বিভিন্ন কামত নিয়োজিত কৰি শ্ৰেণী কোঠাৰ পৰা বাহিৰত ৰাখি উন্নতমানৰ শিক্ষাৰ ফলাফল আশা কৰাটো যুক্তিপূৰ্ণ নহয়। তেওঁ 'ৰীনচ' এপত নিয়মীয়া উপস্থিতি দিয়াত শিক্ষকসকলৰ আপত্তি নথকা বুলি উল্লেখ কৰি কয় যে বণিয়া গোষ্ঠীৰ দ্বাৰা পৰিচালিত ৰিন্‌চ এপত শিক্ষকসকলক ব্যক্তিগত তথা সন্নিৱিষ্ট কৰাটোতহে আপত্তি আছে। সভাত বিশিষ্ট অতিথিৰূপে বিটিআৰৰ পাৰিষদ ক্ৰমে মাধৱচন্দ্ৰ ছেত্ৰীয়ে শিক্ষকতা জীৱিকাটো আটাইতকৈ উৎকৃষ্ট সেৱা যিটোৰ জৰিয়তে জীৱন গঢ়াৰ জ্ঞান বিলোৱা হয়। সভাত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সৰ্বভাৰতীয় সদস্য ছৰিফ হাচান, বিজনী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ভবেন বৰ্মন, চিৰাং জিলা বড়ো প্ৰাথমিক শিক্ষক সন্থাৰ সহকাৰী সম্পাদক বাবুৰাম বসুমতাৰী আদি কে'বাগৰাকীও বিশিষ্ট অতিথি উপস্থিত থাকে।

■ অংগনৱাড়ী কেন্দ্ৰত বিশুদ্ধ পানী যোগানৰ নামত স্থাপন কৰা আঁচনিক লৈ অনিয়ম

# বিটিচিৰ বহিৰ্ভূত চাৰিখন পঞ্চায়তত জনস্বাস্থ্য দুৰ্নীতি

**তামাৰহাট, ১৩ ডিচেম্বৰ ঃ** শেহতীয়াকৈ বিশুদ্ধ খোৱাপানী যোগানৰ নামত গাঁৱে-ভূঞে স্থাপন কৰা জল জীৱন আঁচনিৰ নামত কোটি কোটি টকাৰ দুৰ্নীতি হোৱাৰ সমান্তৰালকৈ ৰাজ্যখনত আন এক দুৰ্নীতিৰ তথ্য পোহৰলৈ আহিছে। দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিছে গ্ৰামাঞ্চলৰ ৰাইজে। অংগনৱাড়ী কেন্দ্ৰত যোৱা শিশুসকলক বিশুদ্ধ খোৱা পানী যোগান ধৰিবলৈ চৰকাৰে এখন নতুন আঁচনি প্ৰস্তুত কৰি কাৰ্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যৰ প্ৰতিখন অংগনৱাড়ী কেন্দ্ৰত জল জীৱনৰ আঁচনিৰ অধীনত এটাকৈ ডীপ টিউবৱেল, মটৰ, পানী টেংকী, আইৰণ ৰিম'ভলে প্ৰেছাৰ ফিল্টাৰ আদি কৰি এখন নতুন আঁচনি স্থাপন কৰে। উক্ত আঁচনি সংযোগ কৰা মটৰৰ মূল্য ১৪ হেজাৰ টকা দেখুৱাইছে যদিও ২,৫০০টকাৰ মটৰ লগায়। একেদৰে পানীৰ টেংকী ৰখা ফ্ৰেমৰ উচ্চতা ১১.৫ ফুট আৰু ছয় এম এম জোখৰ পাতি দিব লাগে যদিও উচ্চতা ১০ ফুট দিয়াৰ লগতে চাৰি এম এম পাতি দিছে। অতিকৈ গুৰুত্বপূৰ্ণ বিষয়টো এয়ে যে আঁচনিসমূহত ব্যৱহাৰ কৰা সামগ্ৰীসমূহ নিৰ্দিষ্ট কোম্পানীৰ পৰা ক্ৰয় কৰাৰ পৰিৱৰ্তে বজাৰৰ পৰা নিম্নমানৰ সামগ্ৰী ক্ৰয় কৰি লগাই দিছে। উক্ত চাৰিখন পঞ্চায়তৰ ৬১ টা অংগনৱাড়ী কেন্দ্ৰৰ আঁচনিসমূহ স্থাপনৰ ঠিকা লাভ কৰে বি কে এণ্টাৰপ্ৰাইজ , অভিষেক এণ্টাৰপ্ৰাইজ আৰু ৰফিকুল ইছলামে। ৰাজ্যৰ গাঁৱে-ভূঞে, নগৰে-চহৰে উক্ত আঁচনি স্থাপন কৰিছে। উক্ত আঁচনিসমূহ স্থাপনৰ সম্পূৰ্ণ দায়িত্ব আছিল জনস্বাস্থ্য কাৰিকৰী বিভাগৰ। ইয়াৰ সুবিধা লৈ উক্ত আঁচনি স্থাপনৰ ক্ষেত্ৰত পৰ্বতসম দুৰ্নীতি হোৱাৰ তথ্য পোহৰ লৈ আহিছে। ধুবুৰী জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ আৰু গোসাঁইগাঁও বিধানসভা সমষ্টিৰ চাৰিখন গাঁও পঞ্চায়তৰ ৬১ টা অংগনৱাড়ী কেন্দ্ৰত বিশুদ্ধ খোৱাপানী আঁচনি স্থাপন কৰিছে। গোসাঁইগাঁও বিধানসভা সমষ্টিৰ আৰু বিটিচিৰ বহিৰ্ভূত তামাৰহাট, ডিংডিঙা, কামানডাংগা আৰু ছোটগুমা পঞ্চায়তৰ সকলো অংগনৱাড়ী কেন্দ্ৰত আঁচনিসমূহ স্থাপন কৰিছে যদিও সেয়া কিমান দূৰ সঠিক তাক লৈ ৰাইজৰ সন্দেহ আছে। স্থানীয় শিক্ষিত যুৱক আলিম শ্বেখে তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে উক্ত আঁচনিৰ সবিশেষ বিচাৰি কৰ্তৃপক্ষলৈ আবেদন কৰাৰ পাছতো সঠিক উত্তৰ দিব পৰা নাই । উত্থাপিত অভিযোগ মতে, উক্ত আঁচনিসমূহৰ প্ৰাক্কলনত থকা মতে কোনো এখন আঁচনি স্থাপন কৰা হোৱা নাই। টিউবৱেল বহুওৱা, পাইপ লগোৱা, টেংকী দিয়া, টেংকীৰ উচ্চতা, টেংকী বহুওৱা ঠাইৰ উচ্চতা আদি কৰি সকলো ক্ষেত্ৰতে নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ লগতে কম টকা ব্যয় কৰি নিৰ্মাণ কৰে একো একোখন আঁচনিৰ বাবদ ডেৰ লাখৰ অধিক টকা মঞ্জুৰি দিয়া হৈছে যদিও এক লাখ টকাৰ তলত কাম সম্পূৰ্ণ কৰিছে। অতি তাৎপৰ্যপূৰ্ণ কথা যে অংগনৱাড়ী কেন্দ্ৰসমূহত স্থাপন কৰা বিশুদ্ধ পানী যোগান আঁচনিসমূহৰ কামৰ নিৰীক্ষণ, কামৰ খতিয়ান আদি কৰি সকলো দিশ সাঙুৰি লৈ পৰ্যবেক্ষণ কৰাৰ এখন সমিতি গঠন কৰি দিছিল। কিন্তু ৰহস্যজনকভাৱে উক্ত সমিতিখন বাস্তৱত অংগনৱাড়ী কেন্দ্ৰসমূহত উপস্থিত নহৈ গোপন স্থানত বহি চহী মাৰি কামৰ সকলো তথ্য কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰি আৱন্টন দিয়া ধন ল'বলৈ সম্পূৰ্ণ কৰি তুলিছে। উক্ত আঁচনিসমূহ স্থাপনৰ ক্ষেত্ৰত নিম্ন স্তৰৰ পৰা উৰ্দ্ধতন কৰ্তৃ পক্ষলৈ যে দুৰ্নীতি সংঘটিত কৰি আহিছে সেয়া স্পষ্ট হৈ পৰিছে। উক্ত আঁচনি স্থাপন আৰু ৰূপায়ণৰ ক্ষেত্ৰত চাৰিখন পঞ্চায়তৰ অংগনৱাড়ী কৰ্মী, সচেতন ৰাইজে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক উপযুক্ত তদন্তৰ দাবী জনাইছে।



# শিক্ষকসকল ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সমাজখনৰো নায়ক

■ দুধনৈত সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থাৰ অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১৩ ডিচেম্বৰ ঃ** সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থাৰ ২৯ সংখ্যক দ্বিবাৰ্ষিক অধিবেশনখন যোৱা ১২ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে দুধনৈৰ জনমন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয়। অধিবেশনৰ কাৰ্যসূচী অনুসৰি পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰে সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থাৰ সভাপতি ৰত্নাকৰ নাথে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক নৰেশ চন্দ্ৰ হাজৰিকাই। ইপিনে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে দুধনৈ উন্নয়ন সমিতিৰ সভাপতি গোবিন্দ বসুমতাৰীয়ে। ৰত্নাকৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত হয় প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভা। বিষয় বাছনি সভাত পুৰণি সমিতি ভংগ কৰি গোৱালপাৰা জিলাৰ ডম্বৰুধৰ নাথক সভাপতি আৰু নগাঁও জিলাৰ নৰেন্দ্ৰ চন্দ্ৰ হাজৰিকাক সাধাৰণ সম্পাদকৰূপে লৈ আগন্তুক কাৰ্যকালৰ বাবে নতুন সমিতি গঠন কৰা হয়। আবেলি সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থাৰ সভাপতি ৰত্নাকৰ নাথৰ পৌৰোহিত্যত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত লক্ষীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া দেবানন্দ বড়োই কয় যে শিক্ষক-শিক্ষয়িত্ৰীসকল ছাত্ৰ-ছাত্ৰীসকলৰ নায়ক। অকল ছাত্ৰ-ছাত্ৰীসকলৰে নায়ক নহয় সমাজখনৰো নায়ক শিক্ষকসকল। কাৰণ শিক্ষকসকলে চিকিৎসক, অভিযন্তা বনোৱাৰ লগতে দেশৰ ৰাষ্ট্ৰপতিলৈকে গঢ়ি তোলে। লগতে নতুনকৈ প্ৰৱৰ্তন হ'বলগীয়া ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত তেওঁ কয় যে নতুন শিক্ষানীতি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে এক প্ৰত্যাহ্বান হ'ব, সেই প্ৰত্যাহ্বান শিক্ষক-শিক্ষয়িত্ৰীসকলে গ্ৰহণ কৰিব পাৰিব লাগিব। ইপিনে, উক্ত সভাতে স্মৃতিগ্ৰন্থ 'বুনিয়াদ' উন্মোচন কৰে জিলা প্ৰাথমিক শিক্ষা বিষয়া মহম্মদ ছাদুল্লা খানে। গ্ৰন্থ উন্মোচন কৰি তেওঁ কয় যে আমি ছাত্ৰ-ছাত্ৰীসকলক চিকিৎসক, অভিযন্তা বনাব নোৱাৰিলেও আমি যাতে ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ বাবে ভাল মানুহ গঢ়ি তুলিব পাৰো সেই দায়িত্ব শিক্ষকসকলে পালন কৰিব লাগিব। সভাত দুধনৈ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰীতা ৰাভা প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাষণ প্ৰদান কৰে।




# বিশিষ্ট সমাজকৰ্মী-অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰয়াত হেমন্ত কুমাৰ ৰায়চৌধুৰীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১৩ ডিচেম্বৰ ঃ** বিশিষ্ট সমাজ সংগঠক, শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোৱালপাৰা জিলা সমিতিৰ সভাপতি, ধূপধৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, ধূপধৰা মিলন সংঘৰ প্ৰাক্তন সভাপতি তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত প্ৰয়াত হেমন্ত কুমাৰ ৰায়চৌধুৰীৰ যোৱা ১২ ডিচেম্বৰত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখ্য যে হেমন্ত কুমাৰ ৰায়চৌধুৰীৰ যোৱা ২১ মে'ত গুৱাহাটীত চিকিৎসাধীন অৱস্থাত মৃত্যু হৈছিল। ধূপধৰাৰ জুৰণিপাৰাস্থিত তেওঁৰ বাসগৃহত শুভাকাংক্ষী ৰাইজৰ সহযোগত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিসভাৰ কাৰ্যসূচী অনুসৰি ৰায়চৌধুৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সহধৰ্মিণী অনুপমা ৰায়চৌধুৰীয়ে। ইয়াৰ পাছত খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দীনেশ চন্দ্ৰ পাটগিৰীয়ে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। আনহাতে ধূপধৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চক্ৰধৰ দাসৰ সঞ্চালনাত স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। স্মৃতিচাৰণ সভাতেই মাছলাম মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক শিবেন্দ্ৰ পাটগিৰীৰ সম্পাদনাত প্ৰয়াত ৰায়চৌধুৰীৰ স্মৃতিত প্ৰকাশ কৰি উলিওৱা 'হেমন্ত সৌৰভ' শীৰ্ষক স্মাৰকগ্ৰন্থ এখন উন্মোচন কৰে ধূপধৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যোগনাৰায়ণ পাঠকে। ইফালে শিবেন্দ্ৰ পাটগিৰীয়ে আঁত ধৰা অনুষ্ঠানত বৃহত্তৰ অঞ্চলটোৰ বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুৰব্বীসকল উপস্থিত থকাৰ উপৰি বিশিষ্ট শিক্ষাবিদ, গুৱাহাটী আই আই টিৰ অৱসৰপ্ৰাপ্ত পঞ্জীয়ক তথা ধূপধৰাৰ বিকালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ নাথ ৰায়চৌধুৰী, অৱসৰপ্ৰাপ্ত অধ্যক্ষা ড° মলিনা দেৱী ৰাভা প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ নতুন শাখা গঠন

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৩ ডিচেম্বৰ ঃ** দৰঙী লোকশিল্পীসকলৰ মুখ্য আৰু ঐক্যবদ্ধ অনুষ্ঠান দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ নতুনকৈ দুটা শাখা গঠন কৰা হয়। ইয়াৰ প্ৰথমটো শাখা লাউজানত চণ্ডি নাথক সভাপতি আৰু উপেন নাথক সম্পাদক হিচাপে লৈ সংঘৰ লাউজান শাখা গঠন কৰাৰ পাছত যোৱা ১১ ডিচেম্বৰত জনসেৱাত সাহিত্য-সাংস্কৃতিক কৰ্মী কুলেন্দ্ৰ চহৰীয়াক সভাপতি আৰু শিল্পী ভূপাল বৰুৱাক সম্পাদক হিচাপে লৈ ২১ জনীয়া জনসেৱা শাখা গঠন কৰা হয়। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াৰ নেতৃত্বত সভাপতি কুলেন্দ্ৰ নাথ ডেকা, গুৰু দ্ৰোণ ভূঞা, ৰত্নকান্ত ডেকা, উপেন বৰুৱা, দুৰ্লভ শৰ্মা, হেমচন্দ্ৰ শৰ্মা উপস্থিত থকা ৰাজহুৱা সভাত লাউজান আৰু জনসেৱাত শাখা ভিত্তিত লোককৃষ্টি সমাৰোহ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# অসমৰ ৰাইজে 'কা' আন্দোলনক প্ৰাধান্য নিদিয়ে ঃ কলিতা

■ ডুমডুমাত বিজেপিৰ যোগদান কাৰ্যসূচী

**ডুমডুমা, ১৩ ডিচেম্বৰ ঃ** 'আগন্তুক পৌৰসভাৰ নিৰ্বাচনৰ বাবে বিজেপিয়ে টঙালি বান্ধিছে। গেৰুৱাকৰণ কৰাৰ বাবে বিজেপি তৎপৰ হৈ পৰিছে।' যোৱা ১২ ডিচেম্বৰত তিনিচুকীয়া জিলাৰ ডুমডুমাত বিজেপি যোগদান সমাৰোহত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই এইদৰে কয়। অনুষ্ঠানত ডুমডুমা অঞ্চলৰ দুই শতাধিক পুৰুষ, মহিলাই বিজেপিত যোগদান কৰে। যোগদানৰ সমাৰোহত কংগ্ৰেছৰ বৰ্তমানৰ পঞ্চায়তৰ সভাপতি, প্ৰাক্তন সভাপতি, ৱাৰ্ড সদস্যয়ো যোগদান কৰে। যোগদান সমাৰোহত একাধিক লোকে যোগ দি দলক অধিক শক্তিশালী কৰি তোলা বুলি মন্তব্য কৰে সভাপতি কলিতাই। সভাত কলিতাই বিজেপিক কোনোৱে প্ৰতিৰোধ কৰিব নোৱাৰে বুলি উল্লেখ কৰে। তেওঁ কয় যে বিজেপিক ৰাইজে আদৰি লৈছে। বিজেপি ৰাইজৰ হিয়াৰ আঁমঠু হৈ পৰিছে। বিজেপিয়ে ৰাইজৰ কাষত আছে। বিজেপিৰ বাবেই খিলঞ্জীয়া সুৰক্ষিত হৈছে বুলি মন্তব্য কৰে। ডুমডুমাৰ বিধায়ক ৰূপেশ গুৱালাই আদৰণি ভাষণ দিয়া যোগদান সমাৰোহৰ আঁত ধৰে জিলা বিজেপিৰ উপ-সভাপতি পুলক চেতিয়াই আৰু বীৰেন কৈৰীয়ে। যোগদান সমাৰোহত বিজেপিৰ উপ-সভাপতি পুলক গোহাঁই, ডিগবৈৰ বিধায়ক সুৰেন ফুকন, জিলা বিজেপিৰ সভাপতি কুশকান্ত বড়া, জিলা পৰিষদৰ সভাপতি ৰাজেন কৈৰী, বিজেপি নেতা ভবেন শৰ্মা আদি উপস্থিত থাকে। যোগদান কাৰ্যসূচীত বিজেপিৰ ৰাজ্যিক সমিতিৰ বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে। ইপিনে ৰাজ্যত কা আন্দোলন পুনৰ আৰম্ভ হোৱাৰ সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত বিজেপিৰ সভাপতি কলিতাই অসমৰ ৰাইজে আন্দোলনক প্ৰাধান্য নিদিয়ে বুলি মতপ্ৰকাশ কৰাৰ লগতে বিজেপিৰ প্ৰতি ৰাইজৰ বিশ্বাস অটুট আছে বুলি মন্তব্য কৰে। কলিতাই লগতে অখিল গগৈৰ বিৰুদ্ধে উত্থাপিত ভূমি কেলেংকাৰিৰ উচিত তদন্ত হওক বুলি উল্লেখ কৰাৰ লগতে ৰাজ্যৰ প্ৰভাৱশালী মন্ত্ৰীৰ সদস্যৰ বিৰুদ্ধে উত্থাপিত ভূমি কেলেংকাৰিৰ সন্দৰ্ভত মন্তব্য কৰাৰ পৰা বিৰত থাকে।

## বিশ্বনাথ চাৰিআলিত জ্যেষ্ঠ নাগৰিক সন্থাৰ অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৩ ডিচেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ জ্যেষ্ঠ নাগৰিক সন্থাৰ উদ্যোগত যোৱা ১১ ডিচেম্বৰত এখন ৰাজহুৱা সভা সন্থাৰ স্থায়ী সভাপতি ড° নিত্যানন্দ গগৈৰ সভাপতিত্বত নিজা কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। সদৌ অসম জ্যেষ্ঠ নাগৰিক সন্থাৰ নৱম দ্বিবাৰ্ষিক অধিবেশন বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত কৰাৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিশ্বনাথ চাৰিআলি জ্যেষ্ঠ নাগৰিক সন্থাৰ সম্পাদক বিজয় গোস্বামীয়ে। অনুষ্ঠানত বিশ্বনাথৰ বিশিষ্ট সমাজকৰ্মী বিশ্বনাথ চাৰিআলি জ্যেষ্ঠ নাগৰিক সন্থাৰ উপদেষ্টা জিতেন ভাগৱতী, জ্যেষ্ঠ নাগৰিক সন্থাৰ বিষয়ববীয়া থানুৰাম শৰ্মা, যোগেন শৰ্মা, অকণ হাজৰিকা, ভৰত চন্দ্ৰ তামুলী আদিয়ে অংশগ্ৰহণ কৰে। সদৌ অসম জ্যেষ্ঠ নাগৰিক সন্থাৰ নৱম দ্বিবাৰ্ষিক অধিবেশন অহা ফেব্ৰুৱাৰীৰ শেষ সপ্তাহত আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰে। বিশ্বনাথ জিলাৰ বহু সংখ্যক জ্যেষ্ঠ নাগৰিকৰ উপস্থিতিত অনুষ্ঠিত সভাই ড° নিত্যানন্দ গগৈক সভাপতি, বিজয় গোস্বামীক সাধাৰণ সম্পাদকৰূপে লৈ অধিবেশনৰ বাবে এখন আদৰণি সমিতি গঠন কৰাৰ লগতে কে'বাখনো উপ-সমিতি গঠন কৰে।

## তামুলপুৰত সদৌ বিটিআৰ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৩ ডিচেম্বৰ ঃ** সদৌ বিটিআৰ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ এখন জৰুৰী সাধাৰণ সভা আজি তামুলপুৰ মহকুমাৰ অন্তৰ্গত পশ্চিম নাগ্ৰীজুলি চিলাৰায় ভৱনত অনুষ্ঠিত হয়। স্থানীয় সমাজকৰ্মী নেকৰু ৰাজবংশীৰ সভাপতিত্ব অনুষ্ঠিত সভাতে সদৌ বিটিআৰ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি সমীৰণ সিংহ, সাধাৰণ সম্পাদক মণিৰাম ৰায়ৰ লগতে আন কে'বাজনো কেন্দ্ৰীয় নেতা আৰু স্থানীয় কৰ্মী উপস্থিত থাকে। সভাত বিটিআৰ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰাৰ লগতে বিটিআৰত বসবাস কৰা কোচ ৰাজবংশীসকলৰ ৰাজনৈতিক অধিকাৰ, জনজাতিকৰণ, ভূমি অধিকাৰ আৰু জনগোষ্ঠীটোৰ উন্নয়নৰ সম্পৰ্কে আলোচনা কৰা হয়। এই সভাতেই জিতু মেধিক সভাপতি আৰু নিৰঞ্জন সিংহক সাধাৰণ সম্পাদক হিচাপে লৈ সদৌ বিটিআৰ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ তামুলপুৰ জিলা সমিতি গঠন কৰা হয়।

## চামগুৰিত বজাৰৰ পৰা মটৰ চাইকেল চুৰি

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ১৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত চামগুৰি সাপ্তাহিক বজাৰৰ পৰা যোৱা ১২ ডিচেম্বৰত এখন মটৰ চাইকেল চুৰি হয়। দিনৰ প্ৰায় ১১ বজাত চামগুৰিৰ দেওবৰীয়া সাপ্তাহিক বজাৰখনলৈ শিঙিয়া কেঁকুৰাচুক গাঁৱৰ প্ৰৱালজিৎ ডেকা নামৰ লোকজনে এএছ-০২ পি-৩৮৪৭ নম্বৰৰ পালছাৰ মটৰ চাইকেলখন লৈ বজাৰ কৰিবলৈ আহিছিল। মটৰ চাইকেলখন থৈ তেওঁ বজাৰ কৰি থকা সময়তে চোৰে মটৰ চাইকেলখন চুৰি কৰি নিয়ে। পৰৱৰ্তী সময়ত চুৰি কাণ্ড সন্দৰ্ভত চামগুৰি আৰক্ষী থানাত তেওঁ এখন এজাহাৰ দাখিল কৰে। চামগুৰি আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে যদিও একো শুংসুত্ৰ পোৱা নাই।

■ পৰ্যটন ক্ষেত্ৰ হিচাপে চৰকাৰৰ সু-দৃষ্টিৰ আহ্বান

# বনভোজকাৰীৰ আগমনত বৰহোলাৰ শিলডুবিত উখল-মাখল পৰিৱেশ

**অগ্ৰদূত বাৰ্তা**

**নগাবাট, ১৩ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বনভোজকাৰী দলে ভিৰ কৰিছেহি শিলডুবিত। বিশেষকৈ দেওবাৰৰ দিনটোত অগণন বনভোজ দলৰ উপস্থিতিত শিলডুবিত সৃষ্টি হয় এক উৎসৱমুখৰ পৰিৱেশ। দীৰ্ঘদিনীয়া কৰ'না পৰিস্থিতিৰ অন্তত সমিলমিলেৰে এসাঁজ খাবলৈ যেন সুযোগ পাইছে ৰাজ্যবাসীয়ে। উল্লেখ্য যে তিতাবৰ মহকুমাৰ অসম-নগালেণ্ড সীমান্তত অৱস্থিত এই শিলডুবি অঞ্চলটো শেহতীয়াকৈ পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ় দিয়াত যথেষ্ট সম্ভাৱনা দেখা গৈছে। অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্যত অতিকৈ চহকী শিলডুবি। সেউজীয়া চৌদিশ, গাতে লাগি থকা নগা পাহাৰ, কুলু কুলু সুৰেৰে বৈ থকা নৈ-নিজৰা, জান-জুৰি আদিবোৰৰ উপৰি অঞ্চলটোত বসবাস কৰি অহা বিভিন্ন জাতি-জনগোষ্ঠীৰ সমষ্টিয়েই শিলডুবিলৈ এক নতুন আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। কাষতে আছে নগালেণ্ডৰ চাংপাং নামৰ এখন নগা গাওঁ। নগালেণ্ডৰ গিৰ্জা, স্কুল ঘৰ, বেটেলিয়ন কেম্প, আৰক্ষী থানা, চাহ-ৰবৰৰ বাগান আদিৰে ভৰপূৰ চাংপাং গাঁওখন। শিলডুবিৰ এফালে যদি অসমীয়াৰ আহোম, চুতীয়া, সোণোৱাল, কছাৰীৰ উপৰি মিছিং, নেপালী, মুছলমান আদি আনফালে আকৌ নগাৰ লথা, চেমা, আও আদি জনগোষ্ঠীৰ লোকেৰে জনগাঁঠনিত এক বৰ্ণিল সংমিশ্ৰণ ঘটিছে। বনজ সম্পদ, খনিজ সম্পদ আদিতো অতিকৈ চহকী এই অঞ্চলটোতে আছে জি. জি. এছ. আৰু জি. চি. পিকে ধৰি অ' এন. জি. চিৰ কে'বাটাও বহু মূল্যৱান সম্পদ । উল্লেখযোগ্য যে ১৯৬৯তে বৰহোলাত অ' এন. জি চিয়ে প্ৰথম খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ অনুসন্ধান চলোৱাৰ পাছতে বৰহোলাৰ সমীপৱৰ্তী শিলডুবিত কে'বাটাও তেল আৰু গেছৰ খাদ বহিছিল। কিন্তু যে চাৰিটা দশক ধৰি অ'. এন. জি. চিয়ে এই অঞ্চলটোৰ ভূগৰ্ভৰ পৰা অহৰহ তেল আৰু গেছ আহৰণ কৰি আহিছে যদিও অঞ্চলটোৰ উন্নয়ণৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান নকৰাত ৰাইজে অভিযোগ উত্থাপন কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত সময়ে সময়ে শিলডুবিত অ' এন জি চিৰ বিৰুদ্ধে স্থানীয় ৰাইজ আৰু দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে। ইফালে অঞ্চলটোৰ উন্নয়নত একেবাৰে গুৰুত্ব নাই চৰকাৰৰো। ফলত বছৰে বছৰে এনেদৰে এলাগী হৈয়ে ৰৈছে পৰ্যটনৰ অলেখ সম্ভাৱনাপূৰ্ণ শিলডুবি অঞ্চলটো। তথাপি প্ৰকৃতিয়ে স্ব-ইচ্ছাই যেন সাজি-কাচি জিলিকাই তুলিছে শিলডুবিক। সেয়ে হয়তো শিলডুবিৰ অপূৰ্ব ৰূপে বহুজনক আজিও ৰিঙিয়াই মাতে। উল্লেখ্য যে শিলডুবি আৰু চাংপাঙক পৰ্যটন ক্ষেত্ৰৰূপে গঢ় দিয়াৰ লক্ষ্যৰে অসম আৰু নগালেণ্ডৰ এদল উদ্যমী যুৱক-যুৱতী, সচেতন লোক তথা ৰাইজে বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি নগা আৰু অসমীয়াৰ ভ্ৰাতৃত্ববোধৰ এনাজৰী অধিক কটকটীয়া কৰি তুলিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। উভয় ৰাজ্যৰ সচেতন লোকসকলৰ এই পদক্ষেপ সমগ্ৰ তিতাবৰৰ অসম নগালেণ্ড সীমান্তবাসীৰ বাবে গৌৰৱৰ বিষয়।

## বৰমাত 'কা' আন্দোলনৰ ছহিদক স্মৰণ

**বৰমা, ১৩ ডিচেম্বৰ ঃ** অসমৰ অন্যান্য ঠাইৰ দৰে যোৱা ১২ ডিচেম্বৰত বৰমাতো 'কা' বিৰোধী আন্দোলনত প্ৰাণ আহুতি দিয়া পাঁচগৰাকী বীৰ ছহিদলৈ বৰমা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে হোৱা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহ-সাধাৰণ সম্পাদক আব্দুল মতিন আলীয়ে। শ্ৰদ্ধাঞ্জলি প্ৰদান কৰে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য পাপুমণি দাস। অনুষ্ঠানত বৰমা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নৱজিৎ ৰাজবংশী, সভাপতি গুণজিৎ বৰ্মন আৰু আঞ্চলিক ছাত্ৰ সন্থা, শাখা ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# কুঁজীডাহত আই পদ্মপ্ৰিয়া লেখিকা সংস্থাৰ বাৰ্ষিক অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ কুঁজীডাহত অসম লেখিকা সংস্থাৰ স্বীকৃতিপ্ৰাপ্ত শাখা আই পদ্মপ্ৰিয়া লেখিকা সংস্থাৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশনখন যোৱা পাঁচ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। আই পদ্মপ্ৰিয়া লেখিকা সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতি অৰুণা বৰাৰ বাসগৃহত কাষৰ শ্ৰীশ্ৰীধোপাবৰ সত্ৰ কৃষ্টি বিকাশ কেন্দ্ৰ প্ৰাংগণত অনুষ্ঠিত অধিবেশনৰ পতাকা উত্তোলনৰে আৰম্ভ হয়। পুৱা অনুষ্ঠিত প্ৰতিনিধি সভাত আগন্তুক দুবছৰৰ বাবে ববিতা শইকীয়া আৰু দিপালী শইকীয়াক ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। বিয়লি নৱনিৰ্বাচিত সভাপতি ববিতা শইকীয়াৰ সঞ্চালনাত 'হেৰাই যোৱা লোক সাহিত্য ফকৰা-যোজনা' শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰ মুকলি কৰে ডিমৰীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক মোহিনী মোহন ডেকাই। ভাষণ প্ৰসংগত ডেকাই লোকসাহিত্যৰ বুকুতে আধুনিক সভ্যতাৰ বীজ নিহিত হৈ থকা বুলি মন্তব্য কৰে। আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি 'নুপুৰ মোমাইদেউ' খ্যাত বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভটাচাৰ্যই ফকৰা যোজনাৰ ওপৰত বৈজ্ঞানিক বিশ্লেষণ দাঙি ধৰাৰ প্ৰয়াস কৰে। আনগৰাকী সমল ব্যক্তি, অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা প্ৰবীণ শিক্ষাবিদ ৰাণা প্ৰকাশ বৰাই লোকসাহিত্যৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি ফকৰা যোজনাৰ ব্যৱহাৰিক দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আলোচনা চক্ৰখনত উপস্থিত থকা সু-লেখিকাদ্বয় ক্ৰমে ৰূপা শইকীয়া আৰু লীনা সন্দিকৈয়ে ভাষণ দিয়ে। সভাৰ আৰম্ভণিতে অৰুণা বৰাই আই পদ্মপ্ৰিয়াৰ ওপৰত ৰচনা কৰা আৰু কানু কন্দলিয়ে সুৰ কৰা সমবেত গীত পৰিৱেশন কৰে স্থানীয় কে'বাগৰাকী বাছকবনীয় কণ্ঠশিল্পীয়ে। সভাত সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক সঞ্জীৱ সাদৰ চৌধুৰীয়ে দুটি স্বৰচিত কবিতা পাঠ কৰে। চহা মহিলা কবি ৰাণু বৰায়ো স্বৰচিত গীত পৰিৱেশন কৰে। কবিতা খাউণ্ডে স্বৰচিত কবিতা পাঠ কৰা অনুষ্ঠানৰ আকৰ্ষণীয় দিশ আছিল নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ শতাধিক লেখিকাৰ সমাৱেশ।

# বৰভাগত 'কা' আন্দোলনৰ পঞ্চ ছহিদক বৰভাগ আঞ্চলিক সমিতিৰ স্মৰণ




**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১৩ ডিচেম্বৰ ঃ** 'কা' আন্দোলনে কালি দুটা বছৰ পাৰ কৰাৰ সময়ত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বৰভাগ আঞ্চলিক সমিতিৰ তৰফৰ পৰা পৰিষদৰ কমাৰকুছিস্থিত কাৰ্যালয়ত 'কা' আন্দোলনৰ পাঁচগৰাকী ছহিদৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বৰভাগ আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাতুল আহমেদে 'কা' বিৰোধী আন্দোলনত প্ৰতিবাদ কৰিবলৈ গৈ জীৱন উছৰ্গা কৰা পাঁচগৰাকী বীৰ ছহিদলৈ সশ্ৰদ্ধ প্ৰণাম জনায়। লগতে এই পাঁচগৰাকী ছহিদ সদায় আমাৰ মাজত অমৰ হৈ থাকিব বুলি কয়। শ্ৰদ্ধাঞ্জলি অৰ্পণ কাৰ্যসূচীত উপস্থিত থাকে বৰভাগ আঞ্চলিক সমিতিৰ উপ-সভাপতি ৰাতুল আহমেদ, সাধাৰণ সম্পাদক ময়ুৰ ৰহমান, যুটীয়া সম্পাদক চাজিদ আহমেদ, কাৰ্যনিৰ্বাহক সদস্য অনুপ কলিতা, বৰভাগ মহাবিদ্যালয় গোটৰ সদস্য পাৰ্থজিৎ ডেকা, হিৰকজ্যোতি শৰ্মা, সুৰজিৎ বৰুৱা আদিয়ে।

# আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ দ্বিবাৰ্ষিক অধিবেশন সম্পন্ন ঃ নতুন কমিটী গঠন

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ১৩ ডিচেম্বৰ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত ধুবুৰী জিলাৰ আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিবেশন আগমনী ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ত যোৱা ১২ ডিচেম্বৰত কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পৰিষদৰ পতাকা উত্তোলন কৰে আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি আবুবক্কৰ ছিদ্দিকে, ছহিদ তৰ্পণ কৰে আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ড° সুশীল কুমাৰ ৰায়ে, গছপুলি ৰোপণ কৰে ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ সহকাৰী সম্পাদক মান্নাফ খানে। বিভিন্ন বিদ্যালয়, কাৰ্যালয় আদিৰ শতাধিক প্ৰতিনিধিৰ অংশগ্ৰহণেৰে আৰু জিলা পৰ্যবেক্ষক মান্নাফ খানৰ উপস্থিতিত দুপৰীয়া অনুষ্ঠিত বিষয় বাছনি সভাত নজৰুল ইছলামক সভাপতি, ৰবিউল ইছলাম ছেলিম, মনোজ কুমাৰ বৰ্মন, পতিশ চৰকাৰক উপ-সভাপতি, ৰফিকুল হুছেইনক সম্পাদক, আতিকুৰ ৰহমানক সাংগঠনিক সম্পাদক আদি কৰি মুঠ ৩১ জনীয়াকৈ আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ নতুন সমিতি গঠন হয়। দুপৰীয়া অনুষ্ঠিত মুকলি সভাত ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি আমজাদ মজুমদাৰ, জিলা সম্পাদক দেৱজিৎ চক্ৰৱৰ্তী, সহ-সম্পাদক সহিদুৰ ৰহমান মণ্ডল, আগমনী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ধৰ্ম প্ৰসাদ ৰায়, আগমনী ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰফিকুল হুছেইনে গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়। কৰ্মচাৰী পৰিষদে শিক্ষক-কৰ্মচাৰীসকলৰ সমস্যা সন্দৰ্ভত অধিক তৎপৰতাৰে কাম কৰাৰ সুবিধাৰ্থে সকলো শিক্ষক-কৰ্মচাৰীক নিজ নিজ সন্থা-সংঘৰ উপৰি কৰ্মচাৰী পৰিষদৰ লগত সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। তদুপৰি বৰ্তমান সময়ত কৰ্তৃপক্ষই শিক্ষক সমাজক আস্থাত নোলোৱাৰ উপৰি কিছু সংখ্যক বিষয়াই দৰমহা কৰ্তনৰ অন্যায় ভাবুকিৰে শিক্ষক সমাজৰ ভীতিগ্ৰস্ত কৰিবলৈ চেষ্টা কৰা বুলি অভিযোগ কৰি ৰিমছ সম্পৰ্কে শিক্ষক সংগঠনসমূহৰ যৌথ মঞ্চই গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি সঁহাৰি জনাবলৈ জিলা সভাপতিয়ে সকলো শিক্ষকক আহ্বান জনায়।

# 'কা' আন্দোলনত মৃত্যুবৰণ কৰা জাতীয় ছহিদসকলক টংলা আছুৰ স্মৰণ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৩ ডিচেম্বৰ ঃ** অসম আৰু অসমীয়াৰ জাতীয় স্বাৰ্থৰ পৰিপন্থী কুখ্যাত জাতিধ্বংসী আইন 'কা' বিৰোধী আন্দোলনত মৃত্যুবৰণ কৰা পঞ্চ ছহিদক যোৱা ১২ ডিচেম্বৰত টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ছহিদ ভৱনত স্মৰণ কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্য, টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল ডেকা, সম্পাদক ৰিংকু ডেকা প্ৰমুখ্যে বিষয়ববীয়াই 'কা' আন্দোলনৰ পঞ্চ ছহিদ চেম ষ্টেফৰ্ড, দিপাঞ্জল দাস, ঈশ্বৰ নায়ক, আব্দুল হালিম আৰু দ্বিজেন্দ্ৰ পাংগিঙক সুঁৱৰি বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে একাঁজলি শ্ৰদ্ধাৰ্ঘ্য জনায়।

# বৰপেটাৰ মাজৰচৰত একে নিশাই ১০ ঘৰত চুৰিকাণ্ড

## লুটি নিলে নগদ ধন, আ-অলংকাৰ, নথিপত্ৰ

**আলোপতি, ১৩ ডিচেম্বৰ ঃ** একে নিশাই ১০ ঘৰত চোৰৰ চলিল চাফাই অভিযান। বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত মাজৰচৰ গাঁৱত সংঘটিত হৈছে এই চুৰিকাণ্ড। যোৱা নিশা গাঁওখনৰ ১০ টা পৰিয়ালৰ ঘৰত সংঘটিত চুৰিকাণ্ডই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে অঞ্চলটোত। ঘৰৰ দুৱাৰ, বেৰ ভাঙি ভিতৰত প্ৰৱেশ কৰি বাকচ, শ্বোকেজ, আলমিৰা আদি ভাঙি আটাইকেইটা পৰিয়ালৰ ঘৰৰ পৰা নগদ ধন, আ-অলংকাৰৰ লগতে একাধিক পৰিয়ালৰ নথিপত্ৰও লুটি নিয়ে। প্ৰাপ্ত তথ্য মতে গাঁওখনৰ ৰাজেদ আলীৰ ঘৰৰ পৰা ১৮ হেজাৰ, ছিৰাজুল হকৰ ১০ হেজাৰ, আমজাদ আলীৰ ঘৰৰ পৰা ছয় হেজাৰ টকাৰ উপৰিও কুব্বাদ আলী, মহম্মদ আলী, ইয়াকুব আলী, জিয়াৰুল হক, ছাইফুল ইছলাম, জিয়াউৰ ৰহমান, মুছা আলীৰ ঘৰৰ পৰাও নগদ ধন, অলংকাৰ আৰু নথিপত্ৰ লুটি নিয়ে। উল্লেখ্য যে চুৰিকাণ্ড সংঘটিত হোৱা অধিকাংশ পৰিয়ালেই দৰিদ্ৰ। ওচৰৰ ১৩ পৃষ্ঠাত চাওক

■ মুখ্যমন্ত্ৰীলৈ স্বাস্থ্যকৰ্মীৰ কাতৰ আহ্বান ■ আশ্বাসৰ পাছতো নিয়মীয়া নহ'ল

# ন্যূনতম দৰমহাই স্বাস্থ্যকৰ্মীসকলৰ জীৱনলৈ হাহাকাৰ

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৩ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ চিকিৎসালয়সমূহত সামান্য টকাৰ বিনিময়ত বছৰ বছৰ ধৰি কাম কৰি অহা অস্থায়ী স্বাস্থ্যকৰ্মীসকলৰ চাকৰি নিয়মীয়াকৰণৰ লগতে ন্যূনতম দৰমহা অদায় দিয়াৰ বাবে মুখ্যমন্ত্ৰীলৈ কাতৰ আহ্বান জনাইছে কৰ্মচাৰীসকলে। উল্লেখ্য যে ৰাজ্যখনৰ অন্যান্য জিলাৰ দৰে বঙাইগাঁও জিলাৰ বিভিন্ন চিকিৎসালয়ত বছৰ বছৰ ধৰি কাম কৰি আহিছে। এনে কৰ্মচাৰীসকলে ইয়াৰে একাংশ ১০ৰ পৰা ১৭ বছৰ পৰ্যন্ত নিয়মিতভাৱে কাম কৰি অহাৰ বিপৰীতে তেওঁলোকলৈ আগবঢ়োৱা হয় মাহিলি এহেজাৰ টকাৰ পৰা চাৰি হেজাৰ টকাকৈ। আনপিনে, তেওঁলোকে অভিযোগ কৰা মতে, দৈনিক আঠ ঘণ্টাকৈ কৰ্তব্যত থাকিব লাগে যদিও বহু সময়ত ২৪ ঘণ্টাই কামত ব্ৰতী থাকিবলগীয়া হয়। এনে অৱস্থাত এই সামান্য ধনৰাশিৰে পৰিয়াল চলোৱাতো কোনোপধ্যেই সম্ভৱ নহয় বুলি সাংবাদিকৰ আগত উল্লেখ কৰে। আনপিনে, ক'ভিডকালত মৰণতো শৰণ দি দিনে-নিশাই সেৱা আগবঢ়াই অহাৰ পাছতো এনে অস্থায়ী কৰ্মচাৰীসকলৰ পদ স্থায়ীকৰণ কৰাৰ বিপৰীতে নতুনকৈ স্বাস্থ্যকৰ্মী নিয়োগ কৰাৰ বাবে বিজ্ঞাপন দিয়াত বছৰ বছৰ ধৰি কাম কৰি অহা স্বাস্থ্যকৰ্মীসকলে চাকৰি হেৰুওৱাৰ আশংকাত ভুগিছে। উল্লেখ্য যে তেওঁলোকৰ বেছিভাগৰে এই মুহূৰ্তত নতুনকৈ চাকৰিৰ আবেদন কৰাৰ বয়স নাই। আনপিনে, চাকৰি নিয়মীয়া কৰাৰ বাবে ইতিমধ্যে স্বাস্থ্য বিভাগৰ সঞ্চালক, সচিবৰ উপৰি মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ বয়স নাই। আনপিনে, চাকৰি নিয়মীয়া কৰাৰ বাবে ইতিমধ্যে স্বাস্থ্য বিভাগৰ সঞ্চালক, সচিবৰ উপৰি মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাত চাৰি-পাঁচমাহৰ ভিতৰত স্বাস্থ্যকৰ্মীসকলৰ চাকৰি নিয়মীয়াকৰণৰ আশ্বাস দিছিল যদিও সকলো ফুটুকাৰ ফেনত পৰিণত হোৱাৰ অভিযোগ তুলিছে। যাৰ বাবে যোৱা ১২ ডিচেম্বৰত অভয়াপুৰীত তেওঁলোকে মুখ্যমন্ত্ৰীলৈ এই আবেদন জনায়।

# সাংবাদিকক সম্বৰ্ধনা ঃ তামাৰহাট দুৰ্গা পূজা সমিতি-সজল ফাউণ্ডেছনৰ

**তামাৰহাট, ১৩ ডিচেম্বৰ ঃ** ধুবুৰী জিলাৰ তামাৰহাটৰ বেচৰকাৰী সংস্থা সজল ফাউণ্ডেছন আৰু তামাৰহাট দুৰ্গা মন্দিৰ পূজা সমিতিয়ে কালি সন্ধিয়া গোসাঁইগাঁৱৰ সংবাদদাতা দুলাল চন্দ্ৰ ৰায়ক পৃথকে পৃথকে সম্বৰ্ধনা জ্ঞাপন কৰে। দীৰ্ঘদিন ধৰি অতিকৈ পিছপৰা বৃহত্তৰ তামাৰহাট অঞ্চলৰ লগতে গোসাঁইগাঁও মহকুমাৰ চুকে-কোণে বিভিন্ন সমস্যাৰ ওপৰত বাতৰি পৰিৱেশন কৰাৰ লগতে দুৰ্গা পূজাৰ সময়ত অন্যান্য পূজা মণ্ডপৰ লগতে তামাৰহাট পূজা মণ্ডপৰ বাতৰি পৰিৱেশন কৰিছিল। গাঁৱে-ভূঞে গৈ ৰাইজৰ জ্বলন্ত সমস্যাসমূহ বাতৰি কাকতৰ জৰিয়তে প্ৰকাশ কৰি সমাজক আগবাঢ়ি নিয়াৰ ক্ষেত্ৰত সাংবাদিকজনে গ্ৰহণ কৰা ভূমিকাৰ বাবে সজল ফাউণ্ডেছনৰ পৰা এখন ফুলাম গামোচা, মানপত্ৰ দি সম্বৰ্ধনা জনায় ফাউণ্ডেছনৰ মুখ্য সঞ্চালক সজল সিংহই। একেখন সভাত তামাৰহাট দুৰ্গা মন্দিৰ পূজা সমিতিয়ে 'আমাৰ অসম'ৰ গোসাঁইগাঁৱৰ সংবাদদাতা তথা 'নিউজ লাইভ'ৰ গোসাঁইগাঁৱৰ সাংবাদিক দুলাল চন্দ্ৰ ৰায়ক মানপত্ৰ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ লগতে তামাৰহাট প্ৰেছ ক্লাৱৰ অন্যান্য সদস্য সকলোকে ফুলাম গামোচাৰে আদৰণি জনায়।

# তিতাৰাম বৰদলৈ বিদ্যালয়ৰ প্ৰধান শিক্ষকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১৩ ডিচেম্বৰ ঃ** তিতাৰাম বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ললিত শইকীয়াৰ শিক্ষকতাৰ কাৰ্যকাল অন্ত পৰাত যোৱা ১০ ডিচেম্বৰত বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এখনি সভাত বিদায় সম্বৰ্ধনা জনোৱাৰ লগতে ন্যাস বঁটাৰো আৰম্ভ কৰা হয়। বিদ্যালয়ৰ এন চি চি কেডেটসকলে পৰিৱেশ নকৰা এটি কোৰাচেৰে মুকলি কৰা সভাত পৌৰহিত্য কৰে পৰিচালনা সমিতিৰ সভাপতি হেমন্ত মংগল বৰদলৈয়ে। শিক্ষয়িত্ৰী গীতুমণি বৰদলৈয়ে উদ্দেশ্যে ব্যাখ্যা কৰা সভাত আদৰণি ভাষণ প্ৰদান কৰে প্ৰধান শিক্ষয়িত্ৰী জ্যোতি দত্ত বৰদলৈয়ে। শিক্ষক বিমান শইকীয়াই আঁত ধৰা অনুষ্ঠানত ৪০ বছৰ ধৰি বিদ্যালয়খনত শিক্ষকতাৰ সেৱা আগবঢ়াই ১৯২০ত অৱসৰ গ্ৰহণ কৰা তথা মাধ্যমিক শিক্ষক সংস্থা তথা অধিবিদ্যা পৰিষদৰ সভাপতি পদ অলংকৃত কৰাৰ লগতে শিক্ষকতাৰ উপৰিও বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত প্ৰধান ১৩ পৃষ্ঠাত চাওক

■ চিৰিপুৰীয়াত বাঁহৰ গোঁজ পুতি খহনীয়া ৰোধৰ চেষ্টা ঃ ৰাইজৰ ক্ষোভ

# বান-খহনীয়াত ভাৰাক্ৰান্ত ভাটীবনগাঁওবাসী



অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১৩ ডিচেম্বৰ ঃ** শিৱসাগৰ ৰাজহ চক্ৰৰ অধীনৰ ৰুদ্ৰসাগৰ পঞ্চায়তৰ ভাটীবনগাঁওবাসীয়ে বছৰ বছৰ ধৰি বান আৰু খহনীয়াৰ লগত সহাৱস্থান কৰিবলগীয়া হৈছে। আহোম ৰাজত্বকালতে স্থাপন হোৱা কৈৱৰ্ত সম্প্ৰদায়ৰ দুশৰো অধিক পৰিয়ালে বসবাস কৰা গাঁওখনৰ এনেবোৰ জলন্ত সমস্যা সমাধানৰ বাবে আজিলৈকে কোনো এখন চৰকাৰে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। নিৰ্বাচনৰ সময়ত বিভিন্ন দলৰ প্ৰাৰ্থীসকলে গাঁওবাসীৰ এনেবোৰ জ্বলন্ত সমস্যা সমাধানৰ আশ্বাস দিলেও সময়ত সেয়া ফুটুকাৰ ফেনত পৰিণত হৈছে। বছৰৰ পাছত বছৰ ধৰি বান আৰু খহনীয়াত আক্ৰান্ত হৈ অহা গাঁওবাসীয়ে বাৰিষা অহাৰ লগে লগে আতংকত দিন অতিবাহিত কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। কাৰণ বাৰিষা গাঁওখনত এক বিভীষিকাময় পৰিৱেশৰ সৃষ্টি হয় বান আৰু খহনীয়াত। নিশাটোৰ ভিতৰতে গাঁওবাসীৰ ঘৰ-দুৱাৰ পানীৰ তলত ডুব যোৱা পৰিয়ালসমূহে প্ৰতিবছৰে বসবাস কৰিব লগা হয় আশ্ৰয় শিবিৰত। ইতিমধ্যে দিখৌ নদীৰ কাষতে থকা বহু কেইটা পৰিয়াল খহনীয়াৰ কৱলত পৰি ভেটি উছন হোৱাৰ উপৰি বৰ্তমান আন বহু কেইটা পৰিয়ালৰ ভেটি খহনীয়াত জাহ যোৱাৰ উপক্ৰম ঘটিছে। ইফালে, আমগুৰি সমষ্টিৰ অন্তৰ্গত গৌৰীসাগৰৰ চিৰিপুৰীয়া পাৰঘাটৰ সমীপৰ দিখৌ নদীৰ দক্ষিণ পাৰৰ মথাউৰিটোৰ বহু অংশ খহনীয়াই বিপদাপন্ন কৰিছে। জলসম্পদ বিভাগে এনে খহনীয়া ৰোধৰ বাবে কোনো স্থায়ী আঁচনি গ্ৰহণ নকৰি কেৱল বাঁহৰ গোঁজ পুতি নৈতিক দায়িত্ব সম্পন্ন কৰিছে। এনেদৰে থাকিলে ১৩ পৃষ্ঠাত চাওক

# মেলেঙত বনৰীয়া হাতীৰ উপদ্ৰৱ ঃ ছটা বাসগৃহ লণ্ড-ভণ্ড

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৩ ডিচেম্বৰ ঃ** বনৰীয়া হাতীৰ সন্ত্ৰাস দিনক দিনে ৰাজ্যৰ চৌদিশে বিস্তাৰ হৈ থকাৰ সময়তে মধ্য যোৰহাটৰ মেলেং গোহাঁই গাঁৱত গিবন অভয়াৰণ্যৰ পৰা অহা ৫০-৬০টা বনৰীয়া হাতীৰ জাক এটাই চেপা আৰু মুণ্ডা বস্তিৰ ছটাকৈ বাসগৃহ যোৱা নিশা ভাঙি লণ্ড-ভণ্ড কৰে। বন্যহস্তীয়ে চেপা আৰু মুণ্ডা বস্তিৰ বীৰচা মুণ্ডা, সঞ্জয় নায়ক, আইজনী কৰ্মকাৰ, বিশাল কৰ্মকাৰ, ৰীমা কৰ্মকাৰ আৰু দামু কৰ্মকাৰ ঘৰ লগতে ভড়াল ঘৰ ভাঙি ধান খাই তহিলং কৰে। বন বিভাগ যোৰহাট সংমণ্ডলে বনৰীয়া হাতীৰ সন্ত্ৰাস) পৰা ৰাইজক ৰক্ষা কৰিব নোৱাৰাত ভুক্তভোগীয়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে।

# দিখৌ নৈত যুৱকৰ মৃতদেহ উদ্ধাৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৩ ডিচেম্বৰ ঃ** শিৱসাগৰ সদৰ থানাৰ অন্তৰ্গত কোঁৱৰপুৰ মৌজাৰ বলিয়াঘাট অঞ্চলৰ মাজেৰে বৈ যোৱা দিখৌ নৈত আজি পুৱাই চফিকুল আলি ওৰফে গাঁওবুঢ়া (35) নামৰ এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। যুৱকজন বলিয়াঘাট গাঁৱৰে প্ৰয়াত পুৱা আলিৰ কনিষ্ঠ পুত্ৰ। গাঁৱৰ ৰাইজে পুৱা মৃতদেহটো প্ৰত্যক্ষ কৰি শিৱসাগৰ আৰক্ষীক খবৰ দিয়াত ততালিকে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো পানীৰ পৰা তুলি আনি মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। যুৱকজনে তিনিজন ভ্ৰাতৃসহ নবৌয়েক-ভতিজাকক ইহ-সংসাৰত এৰি যায়।

# অসম নাট্য সন্মিলনৰ অভয়াপুৰী শাখাৰ উদ্যোগত অভয়াপুৰীত শিশু নাট সমাৰোহৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৩ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ক সামৰি বিদ্যালয় ভিত্তিত শিশুসকলৰ নাট্য দক্ষতা বিকাশৰ বাবে অহা সাত জানুৱাৰীৰ পৰা শিশু নাট সমাৰোহৰ আয়োজন কৰা হৈছে। অসম নাট্য সন্মিলনৰ অভয়াপুৰী শাখাৰ উদ্যোগত অভয়াপুৰী কলা পৰিষদ ভৱনত আয়োজিত নাট সমাৰোহত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক প্ৰতিযোগী ১৪ বছৰৰ তলৰ, অষ্টম শ্ৰেণীত অধ্যয়নৰত হোৱাৰ লগতে প্ৰতিযোগী দল গঠনৰ বাবে শিল্পীৰ অভাৱ হ'লে আন বিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীক অন্তৰ্ভুক্ত কৰিব পাৰে। তদুপৰি নাটকৰ আখৰাৰ বাবে পৰিচালকৰ অভাৱ হ'লে বিদ্যালয় কৰ্তৃপক্ষৰ যোগাযোগ মৰ্মে নাট্য সন্মিলনৰ অভয়াপুৰী শাখাই ব্যৱস্থা কৰাৰ লগতে নাট পৰিৱেশনৰ বাবে আয়োজকে মঞ্চৰ প্ৰয়োজনীয় কাপোৰ, সাধাৰণ পোহৰ তথা শব্দৰ ব্যৱস্থা কৰাৰ বিপৰীতে অন্যান্য ব্যৱস্থা প্ৰতিযোগী দলে কৰিব লাগে। আনহাতে, প্ৰতিটো নাট্যদলৰ একোজন শ্ৰেষ্ঠ অভিনেতা, অভিনেত্ৰীক পুৰস্কৃত কৰাৰ লগতে প্ৰতিগৰাকী শিশু শিল্পীলৈ প্ৰমাণপত্ৰ প্ৰদান কৰিব বুলি আয়োজক সমিতিয়ে উল্লেখ কৰিছে। এই সন্দৰ্ভত ৯৪৩৫০-২২৮৫৬ বা ৭০০২০-৭৩৮১৪ নম্বৰত যোগাযোগ কৰিব পাৰে।

# 'পেজ টাৰ্ণাৰ' শীৰ্ষক ব্যৱসায়িক প্ৰতিষ্ঠান মুকলি

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১৩ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ বঙালপুখুৰী অঞ্চলত কালি এক ব্যৱসায়িক প্ৰতিষ্ঠান উদ্বোধন কৰা হয়। য'ত গ্ৰাহক তথা ইচ্ছুক পাঠকে সুন্দৰকৈ কিতাপ পঢ়িব পৰাৰ লগতে ক্ৰয় কৰিব পাৰিব। 'পেজ টাৰ্ণাৰ' নামৰ প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰ বাগেশ্ৰী কটকী নামৰ উচ্চ শিক্ষিত যুৱতীগৰাকীয়ে জনোৱা মতে তথা কিতাপ বিক্ৰী প্ৰতিষ্ঠান হিচাপে তেওঁ ব্যৱসায়টো আৰম্ভ কৰিছে। তেওঁ বিদ্যালয়ৰ শিক্ষয়িত্ৰীৰ চাকৰি এৰি নৱপ্ৰজন্মৰ ১৩ পৃষ্ঠাত চাওক

# কৰ্মস্থলীত মহিলাৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ সক্ষম হোৱা নাই চৰকাৰ

■ কৰ্মস্থলীত যৌন উৎপীড়ন শীৰ্ষক সজাগতা সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ১৩ ডিচেম্বৰ ঃ** সাম্প্ৰতিক অসমত কৰ্ম ক্ষেত্ৰত মহিলাসকলৰ ওপৰত যৌন নিৰ্যাতনৰ ঘটনা বৃদ্ধি পাইছে। ফলত মহিলাসকলে নিৰাপত্তাহীনতাত ভুগিছে আৰু কেতিয়াবা আত্মহত্যাৰ দৰে কঠোৰ সিদ্ধান্তৰ বলি হ'বলগীয়া পৰিস্থিতিৰ সন্মুখীন হৈছে। উল্লেখ্য যে ২০১৩ ৰ ২২ এপ্ৰিলৰ পৰা ভাৰতত কৰ্ম ক্ষেত্ৰত মহিলাসকলৰ ওপৰত যৌন নিৰ্যাতন বা উৎপীড়ন প্ৰতিৰোধ, নিবাৰণ, নিষিদ্ধকৰণৰ বাবে আইন প্ৰচলিত। তথাপি অসমত বা ভাৰতবৰ্ষৰ কৰ্মস্থলীত মহিলাসকলৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ চৰকাৰ সক্ষম হোৱা নাই। এই প্ৰসংগত যোৱা ন ডিচেম্বৰত যোৰহাট জিলাৰ অন্তৰ্গত নগৰৰ মাজমজিয়াত হৃদয়ংগম ক্লাৱত এখন সজাগতা সভা অনুষ্ঠিত হয়। যোৰহাট জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত ক্লাৱৰ সহযোগত অনুষ্ঠিত হোৱা কৰ্মস্থলীত মহিলা বিষয়া-কৰ্মচাৰীসকলৰ ওপৰত যৌন নিৰ্যাতন বা উৎপীড়ন শীৰ্ষক সজাগতা সভাত জিলা সমাজ কল্যাণ বিষয়া ৰাজকুমাৰ কেডিয়া, জিলা মহিলা কল্যাণ বিষয়া সংযুক্তা ভূঞা, জিলা সমন্বয়ক পায়েল বৰবৰা আৰু নীতাশ্ৰী দত্তই অংশগ্ৰহণ কৰি মহিলা চাকৰিয়াল অথবা কৰ্মস্থলীত মহিলাসকলৰ নিৰাপত্তা নিশ্চিত কৰা প্ৰসংগত ল'ব লগা সাৱধানতাৰ উপৰি এই ক্ষেত্ৰত এছ এইছ ডব্লিউ ডব্লিউ পি আইন, ২০১৩ ৰ অধীনত কাৰ্যব্যৱস্থা গ্ৰহণ সম্পৰ্কে বিশিষ্ট ব্যক্তিসকলে ৰাইজক অৱগত কৰে। মহিলা কল্যাণ বিষয়াগৰাকীয়ে যৌন উৎপীড়নৰ বিভিন্ন প্ৰকাৰ আৰু আইনৰ অধীনত প্ৰতিৰোধ অথবা নিবাৰণৰ উপায় সন্দৰ্ভত মহিলাসকলক অৱগত কৰে। উক্ত সজাগতা সভাত অংগনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মীসকলৰ উপৰি বিভাগৰ ছুপাৰভাইজৰসকলে অংশগ্ৰহণ কৰে। বক্তাসকলে অংগনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মীসকলক, ছুপাৰভাইজৰসকলক এই ক্ষেত্ৰত সজাগ আৰু সচেতন হ'বলৈ নিজ নিজ অঞ্চলত সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়।

# সেৱাৰ প্ৰতিষ্ঠা দিৱস দৃশ্য চাই ছবি আঁকা-পৰিৱেশ কুইজ প্ৰতিযোগিতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১৩ ডিচেম্বৰ ঃ** যোৰহাটৰ অগ্ৰণী অনুষ্ঠান সেৱাৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে অহা ১৯ ডিচেম্বৰত নিমাতীৰ চাংপো নদী পৰ্যটন কেন্দ্ৰত বিতুল দত্ত সোঁৱৰণী প্ৰাকৃতিক দৃশ্য চাই ছবি আঁকা প্ৰতিযোগিতা আৰু ভাওনা মহীয়ান কুলকমল দত্ত সোঁৱৰণী পৰিৱেশ বিষয়ক কুইজৰ আয়োজন কৰিছে। যোৰহাট জিলা ভিত্তিত হ'বলগীয়া প্ৰতিযোগিতাৰ ছবি আঁকাত পঞ্চমৰ পৰা অষ্টমলৈ আৰু কুইজ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ কাৰণে ইচ্ছুকসকলক ৰাজীৱ কুমাৰ নজিৰ, দূৰভাষ ঃ ৮৬৩৮২৩১৭০৬ বা শ্ৰীমন্ত মাধৱ বৰুৱা, দূৰভাষ ঃ ৮৬৩৮৬৭৩৫৫০ৰ লগত যোগাযোগ কৰিবলৈ আহ্বায়কদ্বয় ৰূপকৰঞ্জন দত্ত আৰু মুকুন্দ ভৰালীয়ে কামনা কৰিছে।

# সুবৰ্ণ বৰাৰ 'অপেক্ষাৰত উৰ্মিলা' গ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৩ ডিচেম্বৰ ঃ** জামুগুৰিহাটৰ লেখিকা, কবি, সাহিত্যিক তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী সুবৰ্ণ বৰাৰ নৱতম গ্ৰন্থ 'অপেক্ষাৰত উৰ্মিলা' নামৰ উপন্যাসখনৰ আজি উন্মোচন কৰা হয়। এই উদ্দেশ্যে লেখিকাগৰাকীৰ জামুগুৰিহাটৰ গেৰেকীচুকস্থিত বাসগৃহত অনুষ্ঠিত উন্মোচনী সভাত গ্ৰন্থখন উন্মোচন কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অমৰজ্যোতি বৰঠাকুৰে। গ্ৰন্থখন উন্মোচন কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক বৰঠাকুৰে কয় যে বৰ্তমানৰ ডিজিটেল মাধ্যমৰ যুগত কিতাপ পঢ়া, বাতৰি কাকত পঢ়া মানুহৰ সংখ্যা বহু পৰিমাণে হ্ৰাস পাইছে যদিও সুবৰ্ণ বৰাৰ দৰে প্ৰবীণ লেখিকাৰ এতিয়াও লেখা-মেলাৰ প্ৰতি যি আগ্ৰহ এই ১৩ পৃষ্ঠাত চাওক

# ১৯ ডিচেম্বৰত গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ শুৱালকুছি অধিবেশন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৩ ডিচেম্বৰ ঃ** ৰাজ্যৰ কৰ্মচাৰী সমাজৰ উমৈহতীয়া সংস্থা সদৌ অসম কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ ৩৭ সংখ্যক বাৰ্ষিক অধিবেশন শুৱালকুছিৰ বংশৰ জল্টি দাস উচ্চ মাধ্যমিক বিদ্যালয়ত অহা ১৯ ডিচেম্বৰত অনুষ্ঠিত হ'ব। অধিবেশনৰ প্ৰতিনিধি সভাত দুয়োখন কামৰূপ জিলাৰ প্ৰতিনিধিৰ উপৰি জিলা আৰু কেন্দ্ৰীয় নেতৃত্বই অংশ ল'ব। অধিবেশনৰ কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা পৰিষদৰ পতাকা উত্তোলন কৰিব গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মহানন্দ কলিতাই। ছহিদ তৰ্পণ কৰিব শুৱালকুছি আঞ্চলিক কৰ্মচাৰী পৰিষদৰৰ সভাপতি পুলিন ভৰালীয়ে। বন্তি প্ৰজ্বলন কৰিব শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দ্বীপেশ চন্দ্ৰ ভাগৱতীয়ে। বন্তি প্ৰজ্বলনৰ পাছতে গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি, সম্পাদক আৰু শুৱালকুছি-বংশৰৰ একাংশ সমাজকৰ্মীয়ে গুৱাহাটী-শুৱালকুছিৰ নৱনিৰ্মিত গড়কাপ্তানী পথৰ দাঁতিত ৩৭ জোপা বৃক্ষৰোপণ কৰিব। প্ৰতিনিধি আৰু বিষয় বাছনি সভাত পৌৰোহিত্য কৰিব জিলাৰ সভাপতি মহানন্দ কলিতাই। দুপৰীয়াৰ মুকলি সভাতে সম্পাদকদ্বয় উত্তম ভট্টাচাৰ্য, বিৰাজ বৈশ্যৰ সম্পাদনাত প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থ 'মহুৱা' উন্মোচন কৰিব গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি ভূপেন বুৰবাই। এমট্ৰ'নৰ সহকাৰী মুখ্য প্ৰবন্ধক দিনমণি ভাণ্ডাৰ কায়স্থই উদ্বোধন কৰিব লগা মুকলি সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা বাসৱ চন্দ্ৰ কলিতা, সভাপতি প্ৰদীপ দত্ত, উপ-সভাপতি দ্বীপেন শৰ্মা, নৃপেন ভূঞা, শৰৎ দাস, জামাল আহমেদ আৰু ভাৰপ্ৰাপ্ত সম্পাদক প্ৰধান শ্যামন্ত দাস উপস্থিত থাকিব। অধিবেশনত শুৱালকুছি আঞ্চলিক কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত ৰাজ্যিক কৰ্মচাৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতি কামনা কৰিছে অভ্যৰ্থনা সমিতিয়ে।

# ঘগ্ৰাপাৰৰ দলুৱাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নলবাৰী জিলা অধিবেশনৰ প্ৰস্তুতি

■১৯ ডিচেম্বৰত লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৩ ডিচেম্বৰ ঃ** অসম আৰু অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ নামেৰে নামাংকিত ভাৰতবৰ্ষৰ সুবৃহৎ ধৰ্ম-কলা-সাহিত্য-সংস্কৃতিৰ মানৱতাবাদী মহান জাতীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নলবাৰী জিলা শাখাৰ ৪৪ সংখ্যক বাৰ্ষিক অধিবেশন অহা ২৯ আৰু ৩০ জানুৱাৰীত দলুৱাস্থিত বিষ্ণু-জ্যোতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তৰুণ চন্দ্ৰ তালুকদাৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব বুলি নলবাৰী জিলা শাখাৰ সম্পাদক কৰ্ণধৰ বৰ্মনে এই কথা জানিবলৈ দিয়ে। ইতিমধ্যে অধিবেশন পৰিচালনা কৰিবলৈ পূব নলবাৰী আঞ্চলিক শাখা সমিতিৰ সভাপতি হেমন্ত কুমাৰ বৈশ্য, সম্পাদক মোহন কলিতাৰ উপৰি ৪৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ আদৰণি সমিতিৰ হৈ সভাপতি ডম্বৰুধৰ বড়ো, সম্পাদক বংশীধৰ কলিতাৰ নেতৃত্বত বাৰ্ষিক অধিবেশন সৰ্বাংগ সুন্দৰ হিচাপে পৰিচালনা কৰিবলৈ প্ৰস্তুতি চলাই আহিছে। এই উপলক্ষে অহা ১৯ ডিচেম্বৰত অধিবেশনৰ লাইখুঁটা স্থাপন কৰিব উদ্যোক্তাসকলে। সিদিনা পুৱা প্ৰাতঃপ্ৰসংগ পৰিচালনা কৰিব দলুৱা প্ৰাথমিক শাখাৰ সভাপতি দুৰ্গা মোহন ডেকাই। আদৰণি সমিতিৰ সভাপতি ডম্বৰুধৰ বড়োৱে আদৰণি সমিতিৰ কাৰ্যালয় মুকলিৰ পাছতে লাইখুঁটা স্থাপনৰ লগতে জাগৰণ সভা অনুষ্ঠিত হ'ব। সভাত সভাপতিত্ব কৰিব শ্ৰীমন্ত শংকৰদেৱ ১৩ পৃষ্ঠাত চাওক

# পশ্চিম মুঢ়াদল গাঁও পঞ্চায়তত তিনিখনকৈ মহিলাৰ গাহৰি ফাৰ্ম উদ্বোধন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৩ ডিচেম্বৰ ঃ** নদুৱাৰৰ অন্তৰ্গত পশ্চিম মুঢ়াদল গাঁও পঞ্চায়তৰ অন্তৰ্গত গড়বিল, চিলনী পাম আৰু বৰদিকৰাইত তিনিখনকৈ গাহৰি ফাৰ্ম আজি উদ্বোধন কৰে নদুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি অজিত পায়েঙে। অঞ্চলটোৰ মহিলাসকলে গোট বান্ধি আৰম্ভ কৰা এই গাহৰি ফাৰ্মলৈ পঞ্চায়তৰ তৰফৰ পৰা আৰ্থিক সাহায্য আগবঢ়োৱা কথা জানিবলৈ দিয়ে সভাপতি পায়েঙে। ফাৰ্ম তিনিখন উদ্বোধন কৰি সভাপতিজনে কয় যে গ্ৰামাঞ্চলৰ অৰ্থনৈতিক ভেটি সবল কৰাৰ ক্ষেত্ৰত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই বিভিন্ন আঁচনি যুগুত কৰি আহিছে। আমি সকলো শ্ৰেণীৰ ৰাইজক এই আঁচনিৰ অংশীদাৰ হ'বলৈ আহ্বান জনাইছো। গ্ৰামাঞ্চলৰ অৰ্থনৈতিক ভেটি সবল কৰাৰ ক্ষেত্ৰত মহিলাসকলে পশ্চিম মুঢ়াদল গাঁও পঞ্চায়তত যি ভূমিকা গ্ৰহণ কৰিছে সেয়া প্ৰশংসনীয় বুলি মন্তব্য কৰে সভাপতিজনে। ইফালে, পায়েঙে চিলনী পামত মহিলা আত্মসহায়ক গোটে নিৰ্মাণ কৰা এটি বিস্কুটৰ উদ্যোগো মুকলি কৰে।

# নামাচাৰ্য প্ৰফুল্ল কলিতা স্মৃতিৰক্ষা সমিতিৰ পদক্ষেপ ঃ কৰ্মসূচী প্ৰস্তুত

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১৩ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ কুৰালগুৰি অঞ্চলৰ এখন সৰবৰহী ব্যক্তি, নামাচাৰ্য তথা ব্যৱসায়ী প্ৰফুল্ল কলিতাৰ মৃত্যুৰ আজি এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে তেওঁৰ স্মৃতি ৰক্ষাৰ বাবে গঠিত 'প্ৰফুল্ল কলিতা স্মৃতিৰক্ষা সমিতিয়ে' গোলাঘাট কেন্দ্ৰীয় শিক্ষাখণ্ড আৰু উত্তৰ শিক্ষাখণ্ডৰ অন্তৰ্গত ২৫ খন চৰকাৰী বিদ্যালয়ৰ প্ৰায় ছয়শ ছাত্ৰ-ছাত্ৰীৰ মাজত লঘু আহাৰ বিতৰণ কৰে। সমিতিৰ সম্পাদক লুকুমণি দত্তই জানিবলৈ দিয়া মতে, উক্ত লঘু আহাৰৰ সম্পূৰ্ণ খৰচ প্ৰয়াত কলিতাৰ পুত্ৰ শিক্ষা বিভাগৰ কৰ্মচাৰী চন্দন কলিতাই বহন কৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত লঘু আহাৰ বিতৰণ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰা বাবে প্ৰতিখন বিদ্যালয়ৰ কৰ্মকৰ্তালৈ সমিতিৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰে। সমাজৰ বিভিন্ন গঠনমূলক কৰ্মক অনুপ্ৰাণিত কৰা আৰু প্ৰয়াত কলিতাৰ আদৰ্শ জীয়াই ৰাখিবৰ বাবে গঠন হোৱা এই সংস্থাৰ এনে কামক সচেতন মহলে শলাগ লৈছে। উল্লেখ্য যে আগন্তুক দিনবোৰত চৰকাৰী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত, আৰ্থিকভাৱে দুৰ্বল কৃতী ছাত্ৰ-ছাত্ৰীক সহায় কৰা আদি কৰ্মসূচী আগত ৰাখি কাম-কাজ চলাই যাব বুলি সমিতিৰ সম্পাদকে জানিবলৈ দিয়ে।

# সমাজকৰ্মী যদুমণি বৰুৱাৰ মৃত্যু

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৩ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ বলিয়াঘাট বৰুৱাচুক গাঁৱৰ সমাজকৰ্মী যদুমণি বৰুৱা (93) ৰ আজি পুৱতি নিশা নিজা বাসভৱনত মৃত্যু হয়। বৰুৱা অঞ্চলটোৰ শ্যাম সুন্দৰ দুৱৰা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক হোৱাৰ লগতে কোঁৱৰপুৰ প্ৰাথমিক সহায়ক স্বাস্থ্য কেন্দ্ৰ, পশ্চিম কোঁৱৰপুৰ সমবায় সমিতি, কোঁৱৰপুৰ গ্ৰামীণ বিকাশ বেংক, কোঁৱৰপুৰ গাঁও পঞ্চায়ত কাৰ্যালয়, কৃষ্টি বিকাশ সমাজ আদি ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠাকালৰ লগত ওতপ্ৰোতভাৱে জড়িত ব্যক্তি আছিল। ব্যক্তিজনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰাৰ লগতে কৃষ্টি বিকাশ সমাজ, কৃষ্টি বিকাশ সংগীত মহাবিদ্যালয়কে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিবিশেষে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ তিনি পুত্ৰ আৰু তিনিগৰাকী জীয়ৰীৰ লগতে আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# নীৰৱে শিল্প সাধনা মাণিক চন্দ্ৰ নাথৰ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৩ ডিচেম্বৰ ঃ** তেজপুৰৰ পটিয়াচুবুৰি নিবাসী এজন নীৰৱ হস্তশিল্পী মাণিক চন্দ্ৰ নাথ আজিও অৱহেলিত। বৰ্তমান শাৰীৰিক অসুস্থতাৰ বাবে জিৰণিত থকা ৫৮ বছৰীয়া এইজন হস্তশিল্পীয়ে দীঘলীয়া সময়ত নিৰ্জীৱ কাঠ বাঁহক বিভিন্ন ৰূপত নতুন আকৃতি প্ৰদান কৰিছে। তেজপুৰৰ নিকটৱৰ্তী বিহগুৰিত ১৯৬৩ত জন্ম গ্ৰহণ কৰা নাথে কৃষক পৰিয়ালৰ এজন সদস্য হিচাপেই আৰম্ভ কৰিছিল চাপৰিলৈ যোৱাটো। আৰিমৰাৰ তিনিখৰীয়া, ঝাৱনি চাপৰিত মিঠা আলু ৰুবলৈ খুৰাকৰ লগতে গৈ চাপৰিত পোৱা বিভিন্ন গছৰ মুঢ়াবোৰক বিভিন্ন চৰাই-চিৰিকটি নতুবা জীৱ-জন্তুৰ ৰূপ দিয়াৰ চেষ্টা চলায়। ১০-১২ বছৰ বয়সতে হাতত কটাৰিখন লৈ বাঁহৰ মুঢ়াত এনেদৰে কলা সাধনা আৰম্ভ কৰা নাথৰ সৃষ্টি ইয়াৰ মাজতে এজন শুভাকাংক্ষীৰ জৰিয়তে দেখিবলৈ পালে তেজপুৰৰ এজন বিশিষ্ট হস্ত তথা স্থাপত্য শিল্পী সপোন নেওগৰ দৃষ্টিগোচৰ হয় আৰু তেওঁৰ কথা মতেই নাথে এইজন বিশিষ্ট শিল্পীৰ তত্বাৱধানত ছমাহৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। উল্লেখ্য যে ইয়াৰ পাছতে নাথে ১৯৮৫ত তেজপুৰত একাধিক প্ৰদৰ্শনীত তেওঁৰ সৃষ্টিসমূহ প্ৰদৰ্শন কৰি বহুসংখ্যক কলা ৰসিকৰ প্ৰশংসা লাভ কৰাৰ লগতে জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়তো এক প্ৰদৰ্শনীত অংশগ্ৰহণ কৰে। তদুপৰি চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিকৰ সোণালী জয়ন্তী অনুষ্ঠানতো এইজন হস্তশিল্পীৰ দ্বাৰা সৃষ্ট বিভিন্ন কলাৰ প্ৰদৰ্শন কৰা হয়। তেওঁৰ এনে সৃষ্টিশীলতাৰ বিষয়ে জানিব পাৰি এছএছবিৰ স্থানীয় কাৰ্যালয়ে যোগাযোগ কৰে আৰু ১৯৯৩ত তেওঁ এমাহৰ বাবে ছিকিমত এছএছবিৰ দ্বাৰা আয়োজিত এক প্ৰদৰ্শনীত তেওঁৰ শিল্পকৰ্মৰ প্ৰদৰ্শন কৰে। ইয়াৰ জৰিয়তেই তেওঁ এছএছবিত যোগদান কৰে ১৯৯৪ত। পৰৱৰ্তী সময়ত তেজপুৰৰ পটিয়াচুবুৰিৰ স্থায়ী বাসিন্দা হৈ পৰা এইজন হস্তশিল্পী বৰ্তমান আন এক চৰকাৰী বাহিনীত কৰ্মৰত যদিও ছমাহ পূৰ্বে হৃদযন্ত্ৰৰ এক অস্ত্ৰোপচাৰৰ বাবে তেওঁ বৰ্তমান জিৰণিত আছে। তেওঁৰ হাতেৰে কাঠ আৰু বাঁহত সৃষ্ট বিভিন্ন সামগ্ৰী যদিও ১৩ পৃষ্ঠাত চাওক







### জেৰেমিৰ পাছত দেশক সোণ দিলে অজয় সিঙে ঃ ভাৰতৰ তিনি ভাৰোত্তোলকৰ বাৰ্মিংহাম কমনৱেলথ গেমছলৈ যোগ্যতা

# কমনৱেলথ ভাৰোত্তোলনত অসমৰ পপীৰ ৰূপ

## তিনিচুকীয়াৰ বিৰুদ্ধে নগাঁৱৰ জয়

## আৰ জি বৰুৱা ৰাজ্যিক ক্ৰিকেটৰ ছেমিত গুৱাহাটী

**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** গুৱাহাটী জিলা দলে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। এলিট গ্ৰুপৰ আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা মেচত গুৱাহাটী জিলা দলে চাৰি উইকেটত পৰাস্ত কৰে কৰিমগঞ্জ জিলা দলক। পোনতে বেটিং কৰি কৰিমগঞ্জ জিলা দলে 145-9 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, গুৱাহাটী জিলা দলে 148-6 ৰাণ কৰি জয় অৰ্জন কৰে লগতে প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। ইফালে, বৰ্ষাপাৰা ষ্টেডিয়ামতে আজি হোৱা অন্য এখন মেচত নগাঁও জিলা দলে 57 ৰাণত পৰাস্ত কৰে তিনিচুকীয়া জিলা দলক। পোনতে বেটিং কৰি নগাঁও দলে 153-9 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, তিনিচুকীয়া জিলাই 96-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত 41 টা দলক ভাগ কৰা হৈছিল। প্লেট গ্ৰুপৰ মেচৰ সামৰণিৰ পাছত এতিয়া আৰম্ভ হৈছে এলিট গ্ৰুপৰ মেচ। প্লেট গ্ৰুপৰ পৰা দুটা দল যোগ্যতা অৰ্জন কৰিছে এলিট গ্ৰুপলৈ।



**নতুন দিল্লী, ১৩ ডিচেম্বৰ ঃ** অসমৰ মহিলা ভাৰোত্তোলক প'পী হাজৰিকাই চলিত কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে প'পীয়ে মুঠ 189 কিলোগ্ৰাম ওজন উত্তোলন কৰি কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ৰেলৱেত কৰ্মৰত অসমৰ ভাৰোত্তোলক প'পীয়ে প্ৰতিযোগিতাত মহিলাৰ 59 কিলোগ্ৰাম শাখাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে। ইফালে, চলিত কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত আজি দেশৰ হৈ সোণ লাভ কৰে পুৰুষৰ 81 কিলোগ্ৰাম শাখাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা অজয় সিঙে। 322 কিলোগ্ৰাম ওজন উত্তোলন কৰি কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয় অজয়ে। ইয়াৰপূৰ্বে মিজোৰামৰ ভাৰোত্তোলক জেৰেমিয়ে চলিত কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত সোণ লাভ কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছিল। উল্লেখ্য যে জেৰেমিয়ে মুঠ 305 কিলোগ্ৰাম ওজন উত্তোলন কৰি কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত সোণ লাভ কৰিবলৈ সক্ষম হয়। মিজোৰামৰ ভাৰোত্তোলক জেৰেমিয়ে প্ৰতিযোগিতাত পুৰুষৰ 67 কিলোগ্ৰাম শাখাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে। অৱশ্যে চলিত কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত সোণ লাভ কৰিলেও জেৰেমিয়ে নিজৰ অভিলেখ ভংগ কৰিব নোৱাৰিলে। এইবাৰ মিজোৰামৰ ভাৰোত্তোলক জেৰেমিয়ে 305 কিলোগ্ৰাম ওজন উত্তোলন কৰে যদিও তেওঁৰ শ্ৰেষ্ঠ প্ৰদৰ্শন হ'ল 306 কিলোগ্ৰাম। 2019 ৰ যুৱ অলিম্পিকত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি জেৰেমিয়ে মুঠ 306 কিলোগ্ৰাম ওজন উত্তোলন কৰিছিল। কিন্তু জেৰেমি আৰু অজয়ে 2022 ৰ কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰিছে। বাৰ্মিংহামত হ'বলগা 2022 ৰ কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰিছে ভাৰোত্তোলক অচিন্ত ছেউলিয়েও।



### ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা

## ধেমাজি-ৰেলৱেৰ জয়লাভ

**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নেহৰু ষ্টেডিয়ামত হোৱা মেচত ধেমাজি জিলা দলে 94 ৰাণত পৰাস্ত কৰে গোৱালপাৰা জিলা দলক। পোনতে বেটিং কৰি ধেমাজি জিলা দলে 177-8 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, গোৱালপাৰা জিলা দলে 83-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, আমিনগাঁও খেলপথাৰত আজি হোৱা মেচখনত ৰেলৱে দলে 19 ৰাণত পৰাস্ত কৰে শিৱসাগৰ জিলা দলক। পোনতে বেটিং কৰি ৰেলৱে দলে 152-9 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, শিৱসাগৰ জিলা দলে 133-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি পৰিব অহা 21 ডিচেম্বৰত। এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব।





## বড়ৌচা কাপত কেৰালা ফুটবল দলৰ জয়লাভ

**ডিগবৈ, ১৩ ডিচেম্বৰ ঃ** চলিত বড়ৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ আজি ডিগবৈ হোৱা মেচত কেৰালা ফুটবল দলে খেলে ডুমডুমা মৰ্নিং ক্লাবৰ বিৰুদ্ধে। একপক্ষীয় মেচখনত কেৰালা ফুটবল দলে 4-2 গ'লত পৰাস্ত কৰে ডুমডুমা মৰ্নিং ক্লাবক। উল্লেখ্য যে ইয়াৰপূৰ্বৰ মেচত ডিবিডি ফুটবল ক্লাবে জয় অৰ্জন কৰিছিল। মোলুকগাওঁ খেলপথাৰত হোৱা মেচত ডিবিডি ফুটবল ক্লাব মুখামুখি হয় নৱজ্যোতি ফুটবল ক্লাবৰ। মেচখনত ডিবিডি ফুটবল ক্লাবে 5-2 গ'লত পৰাস্ত কৰে নৱজ্যোতি ফুটবল ক্লাবক। উল্লেখ্য যে এয়া নৱজ্যোতি ফুটবল ক্লাবৰ দ্বিতীয় পৰাজয়। মোলুকগাওঁ খেলপথাৰত হোৱা পূৰ্বৰ মেচত সঞ্জীৱ বাৰ্মা ফুটবল ক্লাবে 2-0 গ'লত পৰাস্ত কৰিছিল নৱজ্যোতি এ চিক।

### দক্ষিণ আফ্ৰিকা ভ্ৰমণৰ পূৰ্বে আঘাতৰ সমস্যাত টীম ইণ্ডিয়া

## টেষ্ট দলৰ পৰা বাহিৰ হ'ল ৰোহিত

**মুম্বাই, ১৩ ডিচেম্বৰ ঃ** দক্ষিণ আফ্ৰিকা ভ্ৰমণৰ পূৰ্বে টীম ইণ্ডিয়াৰ বাবে দুখবৰ। আঘাতৰ বাবে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলৰ পৰা বাদ পৰিছে অপেনাৰ তথা দলৰ সহঃঅধিনায়ক ৰোহিত শৰ্মা। মুম্বাইত অনুশীলন কৰি থকাৰ সময়তে আঘাত পাই ৰোহিতে। উল্লেখ্য যে চলিত মাহতে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটো ইতিমধ্যে ঘোষণা কৰিছিল বি চি চি আয়ে। দক্ষিণ আফ্ৰিকাত ভাৰতীয় দলে তিনিখন টেষ্টৰ এক শৃংখলা খেলিব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। টীম ইণ্ডিয়াৰ এদিনীয়া আৰু টি-20 ৰ অধিনায়ক ৰোহিত শৰ্মাক এইবাৰ টেষ্ট দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছিল পূৰ্বৰ অজিংক্য ৰাহানেৰ স্থানত। কিন্তু এতিয়া ৰোহিতে দক্ষিণ আফ্ৰিকাত হ'বলগা টেষ্ট শৃংখলাত অংশ ল'ব নোৱাৰিব। তেওঁৰ স্থানত নিৰ্বাচকে অন্তৰ্ভুক্ত কৰিছে প্ৰিয়াংক পাঞ্চলক। উল্লেখ্য যে ইয়াৰপূৰ্বে আঘাতৰ বাবে বিৰাট কোহলিৰ নেতৃত্বত ঘোষিত দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটোত স্থান পোৱা নাছিল ৰবীন্দ্ৰ জাডেজা, শুভমন গিল আৰু অক্ষৰ পেটেলে। দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা টেষ্ট দলটো হ'ল ঃ বিৰাট কোহলি, লোকেছ ৰাহুল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, প্ৰিয়াংক পাঞ্চল, ঋষভ পণ্ট, ঋদ্ধিমান সাহা, ৰবিচন্দ্ৰন অশ্বিন, জয়ন্ত যাদব, ঈশান্ত শৰ্মা, মহম্মদ ছামি, উমেশ যাদব, যশপ্ৰীত বুমৰাহ, ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ চিৰাজ। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 26-30 ডিচেম্বৰত, দ্বিতীয় টেষ্ট তিনিৰ পৰা সাত জানুৱাৰী আৰু তৃতীয় টেষ্ট 11-15 জানুৱাৰীত অনুষ্ঠিত হ'ব।



## আজিৰে পৰা গুৱাহাটীত সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ

**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** গুৱাহাটীৰ উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনত কাইলৈৰ পৰা আৰম্ভ হ'ব 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। উল্লেখ্য যে অসম টেনিছ সন্থাই ইতিমধ্যে নতুন ছিজনৰ বিভিন্ন প্ৰতিযোগিতাৰ দিন আৰু স্থান নিশ্চিত কৰি সূচী ঘোষণা কৰিছে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত হ'বলগা 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাত ল'ৰাৰ বয়স শাখা তিনিটা হ'ল 12, 14 আৰু 18 বছৰ অনূৰ্ধ তথা ছোৱালীৰ শাখা দুটা হ'ল 14 আৰু 18 বছৰ অনূৰ্ধ। কাইলৈৰ পৰা অহা 19 ডিচেম্বৰলৈ গুৱাহাটীৰ উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত হ'ব 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। ইফালে, অহা 25 আৰু 26 ডিচেম্বৰত নৰ্থ ইষ্ট টেনিছ ফাউণ্ডেছনৰ কৰ্তৃত অনুষ্ঠিত হ'ব প্ৰসন্ন কুমাৰ শৰ্মা সোঁৱৰণি সদৌ অসম প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলাৰ উক্ত ৰাজ্যিক প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ বয়স শাখা তিনিটা হ'ল 35, 45 আৰু 55 বছৰ উৰ্দ্ধৰ তথা মহিলাৰ একমাত্ৰ শাখাতো হ'ল 55 বছৰ উৰ্দ্ধৰ। যোগদানৰ অন্তিম তাৰিখ 23 ডিচেম্বৰ।



## পল্লৱ ফুকন প্ৰাইজমানি ফুটবল

**অগ্ৰদূত বাৰ্তা, শিমলুগুৰি, নাজিৰা, ১৩ ডিচেম্বৰ ঃ** গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত চলি থকা ৰাষ্ট্ৰীয় খেলুৱৈ পল্লৱ ফুকন সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত জয়লাভ কৰে দিখৌ-দিচাং ফুটবল একাদশ। এখন উত্তেজনাপূৰ্ণ মেচত দিখৌ-দিচাং ফুটবল একাদশে একমাত্ৰ গ'লত পৰাস্ত কৰে চৰাইদেউ ফুটবল একাদশক। উল্লেখ্য যে পল্লৱ ফুকন সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী মেচত শিৱসাগৰ একাদশে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল নাজিৰা ইডানি একাদশক। প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখন উদ্বোধন কৰে মন্ত্ৰী যোগেন মহনে।



নতুন দিল্লীত ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰৰ স'তে 'ট'প' আঁচনিৰ সদস্য সকল। উল্লেখ্য যে কমিটীত আছে অসমৰ অৰ্জুন বঁটা বিজয়ী ক্ৰীড়াবিদ মনালিছা বৰুৱা মেহতা।

## পাৰবিন আখতাৰ-লাচিত ডেকা সোঁৱৰণী ৰোলবলৰ সামৰণি

**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** গুৱাহাটীত অনুষ্ঠিত হোৱা পাৰবিন আখতাৰ-লাচিত ডেকা সোঁৱৰণী আন্তঃজিলা ৰোলবল প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। উল্লেখ্য যে ৰাজ্যিক প্ৰতিযোগিতাখনত খিতাপ লাভ কৰিছে আয়োজক জিলা গুৱাহাটীৰ লগতে দুলীয়াজানে। অসম ৰোল বল সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা দুদিনীয়া চতুৰ্থ আন্তঃজিলা মিনি আৰু ছাব-জুনিয়ৰ ৰোলবল প্ৰতিযোগিতাখনৰ ছাব জুনিয়ৰ শাখাত ল'ৰাৰ বিভাগত গুৱাহাটীয়ে ফাইনেলত দুলীয়াজানক পৰাস্ত কৰি খিতাপ লাভ কৰাৰ বিপৰীতে ছোৱালীৰ বিভাগত গুৱাহাটীয়ে ফাইনেলত কামৰূপ (মেট্ৰো) দলক পৰাস্ত কৰি চেম্পিয়ন হয়। ইফালে, মিনি শাখাত ল'ৰাৰ বিভাগত দুলীয়াজানে ফাইনেলত কামৰূপ (মেট্ৰো) দলক পৰাস্ত কৰি চেম্পিয়ন হয়। মিনিৰ ছোৱালী শাখাৰ ফাইনেলত দুলীয়াজানে পৰাস্ত কৰে নলবাৰীক। ল'ৰা-ছোৱালীৰ উভয় শাখাৰ এই আন্তঃজিলা মিনি আৰু ছাব-জুনিয়ৰ ৰোল বল প্ৰতিযোগিতাখন অসম ৰোল বল সন্থাৰ সহযোগত কামৰূপ মহানগৰ ৰোল বল সন্থাই আয়োজন কৰিছিল। প্ৰতিযোগিতাখন অনুষ্ঠিত হয় দিছপুৰ ৰোলাৰ স্কেটিং ৰিঙত। অসম ৰোল বল সন্থাই জনোৱা অনুসৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰায় দুশ খেলুৱৈয়ে উক্ত আন্তঃজিলা মিনি আৰু ছাব-জুনিয়ৰ ৰোল বল প্ৰতিযোগিতাত অংশ লয়। উল্লেখ্য যে প্ৰয়াত লাচিত ডেকা আৰু পাৰবিন আখতাৰ আহমেদৰ সোঁৱৰণত অনুষ্ঠিত হয় চতুৰ্থ আন্তঃজিলা মিনি আৰু ছাব-জুনিয়ৰ ৰোল বল প্ৰতিযোগিতা।

## সব্যসাচী ফুটবলত বকোৰ খিতাপ

**অগ্ৰদূত বাৰ্তা, বকো, ১৩ ডিচেম্বৰ ঃ** কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা নৱম সব্যসাচী ৰাভা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে বকো এফ চি। উল্লেখ্য যে বকো ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা সব্যসাচী ৰাভা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ ফাইনেল মেচত বকো এফ চি দলে ফৰ ষ্টাৰ হেল্পিং ছ'ছাইটি, আহোমগাঁও দলক 3-0 গলত পৰাস্ত কৰি খিতাপ লাভ কৰে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ সৰ্বাধিক গ'ল কৰাৰ সন্মান লাভ কৰে চেম্পিয়ন বকো এফ চিৰ বিপিন বড়ো। আনহাতে, বকো এফ চিৰ শুক্ৰসিং বড়ো শ্ৰেষ্ঠ খেলুৱৈৰূপে নিৰ্বাচিত হয়।



## লখিমপুৰ কে বি ৰোড যুৱ সমাজৰ প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ১৩ ডিচেম্বৰ ঃ** লখিমপুৰ কে বি ৰ'ড যুৱ সমাজৰ উদ্যোগত অহা 17-19 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাইজমাণি ক্ৰিকেট প্ৰতিযোগিতা। সোনেশ্বৰ বৰুৱা পথ খেলপথাৰত অনুষ্ঠিত হ'ব উক্ত প্ৰাইজমাণি ক্ৰিকেট প্ৰতিযোগিতাখন। উল্লেখ্য যে ফিৰদুচ আলি হাজৰিকাৰ সোঁৱৰণত লখিমপুৰ কে বি ৰ'ড যুৱ সমাজে আয়োজন কৰিছে উক্ত প্ৰাইজমাণি ক্ৰিকেট প্ৰতিযোগিতাখন। প্ৰতিযোগিতাৰ চেম্পিয়ন দলক 30 হেজাৰ টকা আৰু ৰানাৰ্ছআপ দলক 10 হেজাৰ টকা প্ৰাইজমানি দিয়া হ'ব বুলি জনাইছে আয়োজক লখিমপুৰ কে বি ৰ'ড যুৱ সমাজে। ইফালে, প্ৰাইজমাণি ক্ৰিকেট প্ৰতিযোগিতাখনত যোগদান কৰিব বিচৰা দলসমূহে 9365955145 নম্বৰত যোগাযোগ কৰিব পাৰিব।

## পুৰুষত বিদ্যুৎ পৰিষদ, মহিলাত গুৱাহাটী ভলীবল ক্লাব চেম্পিয়ন



**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা আন্তঃক্লাৱ ভলীবল প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। প্ৰতিযোগিতাত পুৰুষ শাখাত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ দল আৰু মহিলা শাখাত গুৱাহাটী ভলীবল ক্লাব চেম্পিয়ন হৈছে। উল্লেখ্য যে কিৰণ ওঝা আৰু বৰুণ বৰ্মন সোঁৱৰণী আন্তঃক্লাৱ ভলীবল প্ৰতিযোগিতাখন অনুষ্ঠিত হৈছিল স্থানীয় জজ খেলপথাৰত থকা গুৱাহাটী ভলীবল প্ৰশিক্ষণ কেন্দ্ৰত। গুৱাহাটী ক্ৰীড়া সন্থাই জনোৱা অনুসৰি দুদিনীয়া আন্তঃক্লাৱ ভলীবল প্ৰতিযোগিতাখনত পুৰুষ শাখাত 10 টা দলে আৰু মহিলা শাখাত ছটা দলে অংশ লৈছিল। পুৰুষ শাখাৰ ফাইনেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ দলে 2-0 ত পৰাস্ত কৰে মহাৰাণা এথলেটিকচ ক্লাবক। ইয়াৰপূৰ্বে ছেমিফাইনেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ দলে 2-0 ত পৰাস্ত কৰে গ্ৰীনভেলী ক্লাবক। আনহাতে, মহাৰাণা এথলেটিকচ ক্লাবে ছেমিফাইনেলত 2-0 ত পৰাস্ত কৰে সৰুসজাই ভলীবল ক্লাবক। মহিলাৰ ফাইনেল মেচত গুৱাহাটী ভলীবল ক্লাবে 2-1 ত পৰাস্ত কৰে সৰুসজাই ভলীবল ক্লাবক। ইফালে, গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত অহা 15 ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'ব 'চি' ডিভিজন ফুটবল লীগৰ কোৱালিফায়িং ৰাউণ্ড।


### কিৰণ ওজা-বৰুণ বৰ্মন আন্তঃক্লাৱ ভলীবলৰ সামৰণি





চেম্পিয়নছ লীগলৈ পি এছ জি, উল্লাসিত মেছি-এমবাপ্পে।

## বিলাসনন্দন চ'ৰা



# সময় চোৰ

**সময়ৰ** লগে লগে সকলো সলনি হয়। এয়া ধ্ৰুৱসত্য কথা। কিন্তু কিছুমান কথা ইমান বেছি সলনি হ'ব বুলি কোনেও কাহানিও ভবা নাছিল। আগেয়ে ক্লাছৰূমত মাষ্টৰে বুজাই থকাৰ সময়ত কোনো ষ্টুডেণ্টে যদি তেওঁৰ মুখলৈ চাই সাংঘাতিক ধৰণে বুজাৰ ট্ৰাই মাৰে, মাষ্টৰে চিধাই গৰজি উঠে—'অ'ই গৰু, কিতাপলৈ চা। মোৰ মুখলৈ কি চাই আছ? মুখত কিতাপ থাকে নেকি?' এই প্ৰশ্নটো কিন্তু আজি-কালি মাষ্টৰে কৰিব নোৱাৰে। যদি কোনো মাষ্টৰে আজিৰ তাৰিখত এই প্ৰশ্ন কৰে যে মুখত কিতাপ থাকে নেকি, সৱ ষ্টুডেণ্টে একেলগে হাত দাঙি ক'ব— 'থাকে ছাৰ। মুখত কিতাপ থাকে।' আধুনিক সভ্যতাৰ হেল'জেন লাইটৰ পোহৰ নোপোৱা মাষ্টৰ হ'লে তেওঁ লগে লগে চিঞৰি উঠিব—'কি কথাবোৰ কৰহা? মুখত কি কিতাপ থাকেনো?' ষ্টুডেণ্টবোৰে একেলগে কোৰাছ গাব—'ফেচবুক!' ফেচ মানে মুখ, বুক মানে কিতাপ সেই ফালৰ পৰা উত্তৰটো বৰ বেঠিকো নহয়।

প্ৰথম প্ৰথম ঘৰবোৰ পোহৰাবলৈ আনোতে টিউব লাইটবোৰক লৈ বৰ ধেমালি চলিছিল। চুইচটো দিয়াৰ পাছত ধিমিক-ধামাককৈ থাকি, এই জ্বলো এই জ্বলোকৈ থাকি কোন মুহূৰ্তত জ্বলে তাৰ একো ঠিকনা নাছিল যে! কিছুদিন যোৱাৰ পাছত দুই মেৰুৰ পৰা ক'লা পৰি আহি পাৰ্মানেণ্টলী নজ্বলা হৈ যায় যে! কমকৈ বুজা বা দেৰিকৈ বুজাসকলক সেই কাৰণে লগৰবোৰে টিউব লাইট বুলি জোকাইছিল। ইংৰাজীত গালি দিছিল 'ইউ আৰ এ টিউব!' আজিৰ তাৰিখত ইউ টিউবৰ হোৱাটো কম গ্লেমাৰ থকা চাকৰি হৈছেনে? বহু ছোৱালীয়েতো কলেজত খোজ নোপেলোৱাৰ পৰাই হিচাপ কৰিবলৈ আৰম্ভ কৰে ছানডে কোনজন ইউ টিউবাৰ ট্ৰেণ্ডিং আছিল আৰু মানডে কোনজন ট্ৰেণ্ডিঙত আহি গৈছে। অৱশ্যে ঘৰ পোহৰোৱা টিউববোৰ জ্বলো-নুমাওকৈ থাকে যে, ইউ টিউব তেনেকৈ



নাথাকে। হঠাতে জ্বলে আৰু হঠাতে নুমাই যায়। জ্বলাৰ সময়. খিনিত সাংঘাতিক, কিন্তু নুমোৱাৰ পাছত কোনেও তাৰ খবৰ নলয়। ঘৰৰ টিউবটোক অন্ততঃ পাছফালে পৰি থকা অৱস্থাত বিচাৰি পোৱাই যায়, ইউ টিউবাৰকেইটা এবাৰ হেৰালে আৰু বিচাৰি পোৱাটো বৰ টান।

আগেয়ে দুৰ্গা পূজাত সৰু ল'ৰা-ছোৱালীবোৰৰ হাতে হাতে এটা বস্তু বৰকৈ দেখা গৈছিল। বস্তুটো আকাৰত একেবাৰে সৰু আছিল। বুঢ়া আঙুলিৰে এচটা টিন টিপি থাকিব লাগে, টুইট টুইট শব্দ ওলায়। বহুতে ইয়াক ভেঁকুলী বুলিও কৈছিল। পূজাৰ কেইদিনত এইটো বজাই বজাই সৰু সৰু ল'ৰাবোৰে মাক-বাপেকৰ কাণ-মূৰ গৰম কৰি দিছিল। বাপেকে এটা সময়ত চিঞৰি দিছিল— 'অ'ই ল'ৰা হ'ব দে! আৰু কিমান টুইট টুইট কৰি থাকিবি। বেলেগ কাম-ধান্দা নাই!' অথচ আজি-কালি টুইট টুইট নকৰিলে আচল খবৰবোৰ ৰাইজৰ কাষলৈ প্ৰেৰণ কৰিবই পৰা নাযায়। কোনো নেতাই যদি কোনোবাদিনা টুইট টুইট কৰিবলৈ পাহৰি যায়, সিহঁতে ৰাতি চুইট চুইট ড্ৰীম নেদেখা হৈ যায়। এনে ফিলিং হয় যেন আজি টুইট নকৰা কাৰণে তেওঁৰ পলিটিকেল হাইট নোহোৱা হৈ গ'ল। টুইট নকৰা নেতাৰ আজি-কালি কোনো দামেই নাই। সৱেই কয়— 'টুইটাৰেই নচলায়, তেওঁ ফাইটাৰ কেনেকৈ হ'ব?' টুইটেই নকৰে, ফাইট কেনেকৈ কৰিব? ইত্যাদি বহু কমেণ্ট শুনিব লগা হয় টুইট নকৰা নেতাবোৰে। সেই কাৰণে আজি-কালি সৱ নেতাই অনবৰতে টুইট টুইট কৰি থাকে। এই ধৰক—ক'ৰ পৰা পীৰাত বহি মাছ-ভাত খালে, অমুক জাগালৈ মিটিং কৰিবলৈ জাপি, গামোচা পালে, তমুকলৈ গৈ খেতিপথাৰ চালে, সেইবোৰকে টুইট টুইট কৰি ৰাইজক জনাই থাকে।

তাৰ মাজতে টুইট টুইট কৰি কিছুমান বৰ ইণ্টাৰেষ্টিং খবৰ কিছুমান হাতত আহি পৰে। তেনে এটা খবৰৰ ভিত্তিতেই এইবাৰ মন কী বাত শুনাম বুলি থিৰাং কৰিছে দিল্লীৰ বাদশ্বাহে। তেওঁ ক'বলৈ ওলোৱা এইবাৰ মন কী বাত এই ধৰণৰ—কিছুমান খবৰে মনটো পুলকিত কৰি তোলে। ভাবিবলৈ বাধ্য কৰাই দিয়ে যে আজিৰ মানুহে সময়ক কিমান মূল্য দিবলৈ লৈছে। বহুতে ক'ব খোজে কিছুমান বেপাৰীয়ে কোটি কোটি টকা মাৰি আমাৰ দেছৰ পৰা পলাই গৈছে। মোৰ বোধেৰে টকা চুৰি কৰি নিয়াটো একো ডাঙৰ কথা নহয়। এনে চোৰ আমি পৃথিৱীৰ সকলোৱে দেখিবলৈ পাওঁ। কিন্তু আমাৰ দেছৰ চোৰে ক'তো টকা-পইচা, বা গহনা-গাঁঠকি সামৰি চুৰি কৰিব খোজা নাই। আমাৰ দেছৰ লোকে বুজিছে যে টকা-পইচা, গহনা-গাঁঠৰিতকৈ মূল্যৱান হ'ল সময়। গতিকে আমাৰ দেছৰ চোৰে চুৰি কৰি আনিছে সময়। তাকো কাৰ সময়? ফুটবলৰ ৰাজপুত্ৰৰ সময়। ইয়াতকৈ আমাৰ কাৰণে গৌৰৱৰ কথা কি হ'ব পাৰে যে এই সময়ৰ সদ্ব্যৱহাৰ কৰি আমি ইয়াক অচিৰে ডাঙৰ কোম্পানীৰ হাতত বেচি দিম।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## চোৰাং গৰুভৰ্তি বাহনসহ চোৰক আটক কৰি আৰক্ষীক গতাই দিলে ৰাইজে

# বকোত গৰুভৰ্তি পিকআপ ভানসহ পাঁচ গৰুচোৰ গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**বকো, ১৩ ডিচেম্বৰ ঃ** চোৰাং গৰুৰ সৰবৰাহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলেও সৰবৰাহ অব্যাহত আছে ৰাজ্যত। আৰক্ষী প্ৰশাসনে যিমানে তৎপৰতা অৱলম্বন কৰিছে সিমানে একাংশ চোৰাং সৰবৰাহকাৰীয়ে বিভিন্ন পন্থা অৱলম্বন কৰি ইয়াৰ সৰবৰাহ অব্যাহত ৰাখিছে। ইয়াৰ মাজতে আজি কামৰূপ জিলাৰ বকোৰ চেখাদাৰীত গৰু সৰবৰাহ কৰা এখন বাহনসহ পাঁচজন গৰু চোৰক আটক কৰে আৰক্ষীয়ে। স্থানীয় একাংশ লোকে এ এছ-২৫ ই চি-২৮৭২ নম্বৰৰ পিকআপ বাহনখন জব্দ কৰি আঠটা গৰু উদ্ধাৰ কৰে। লগতে বাহনখনত থকা গোৱালপাৰা জিলাৰ মাটিয়াৰ আমিনুল ইছলাম (৩২), মাটিয়া নয়াপাৰাৰ আব্দুল কালাম (৪৮), আব্দুল চালাম (২১), ধূপধৰাৰ ৰফিকুল ইছলাম (৩৪) আৰু বকোৰ ঝামলাইৰ আজাদুল আলী (২১)ক আটক কৰি আৰক্ষীক গতাই দিয়ে। সম্প্ৰতি চোৰকেইজনক বকো আৰক্ষীয়ে জেৰা চলাই আছে।

■ নিউজ ব্যুৰ'

**কলকাতা, ১৩ ডিচেম্বৰ ঃ** কাণৰ কাষেৰেই সঘন যাতায়াত আছিল যমদূতৰ। জীৱনত বহুবাৰ প্ৰাণ লোৱাৰ বাবে যমদূত তেওঁৰ কাষলৈ আহিছিল, কিন্তু প্ৰতিবাৰতে বিফল মনোৰথে উভতি গৈছিল এই 'সৌভাগ্যবান দুৰ্ভগীয়া' লোকজনৰ কাষৰ পৰা। ৯২ বছৰীয়া জীৱনত আজি পৰ্যন্ত যমদূতে তেওঁৰ প্ৰাণ হৰণ কৰিব পৰা নাই। ক্ৰ'ৱেছিয়াৰ ফ্ৰানে ছেলাক নামৰ এই বৃদ্ধজনে প্ৰতিবাৰতে মৃত্যুক অংগুষ্ঠ প্ৰদৰ্শন কৰি জীৱন আগুৱাই নিবলৈ সক্ষম হৈছে। যাৰ বাবে তেওঁ এতিয়া লাভ কৰিছে বিশ্বৰ সবাতোকৈ 'সৌভাগ্যবান দুৰ্ভগীয়া'ৰ খ্যাতি। এনে 'সৌভাগ্যবান দুৰ্ভগীয়া' যে বহুবাৰ নিশ্চিত মৃত্যুৰ হাত সৰাৰ পাছত নিশাৰ ভিতৰতে কোটিপতিত পৰিণত হোৱাৰ পাছতো আজি তেওঁ সাধাৰণ জীৱনহে যাপন কৰিবলগীয়া হৈছে।

ছালেক এজন সংগীতৰ শিক্ষক। দীঘলীয়া জীৱনটোত তেওঁ সাতবাৰ ভয়ানক জীৱন সংকটৰ সন্মুখীন হৈছিল। বিমান দুৰ্ঘটনাৰ পৰা আৰম্ভ কৰি গাড়ী বিস্ফোৰণ, ৰেল দুৰ্ঘটনা আদি একোৱেই তালিকাৰ পৰা বাদ যোৱা নাই। অথচ দুৰ্ঘটনা যিমানেই ভয়ানক নহওক কিয়, সামান্য কটা-ছিঙাৰেই ছালেকৰ বিপদ আঁতৰি গৈছিল। ছালেকক 'সৌভাগ্যবান দুৰ্ভগীয়া' বুলি কোৱাৰ দুটা কাৰণ আছে। সৌভাগ্যবান এই বাবেই যে প্ৰতিবাৰতে তেওঁ নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা পাইছে। আনহাতে, দুৰ্ভগীয়া আখ্যা পোৱাৰ কাৰণটো হৈছে তেওঁ বাৰে বাৰে সাক্ষাৎ যমদূত আহি ছালেকৰ সন্মুখত উপস্থিত হৈছিল। ১৯২৯ৰ ১৪

জীৱনত বহুবাৰ প্ৰাণ লোৱাৰ বাবে যমদূত তেওঁৰ কাষলৈ আহিছিল, কিন্তু প্ৰতিবাৰতে বিফল মনোৰথে উভতি গৈছিল এই 'সৌভাগ্যবান দুৰ্ভগীয়া' লোকজনৰ কাষৰ পৰা। ৯২ বছৰীয়া জীৱনত আজি পৰ্যন্ত যমদূতে তেওঁৰ প্ৰাণ হৰণ কৰিব পৰা নাই। ক্ৰ'ৱেছিয়াৰ ফ্ৰানে ছেলাক নামৰ এই বৃদ্ধজনে প্ৰতিবাৰতে মৃত্যুক অংগুষ্ঠ প্ৰদৰ্শন কৰি জীৱন আগুৱাই নিবলৈ সক্ষম হৈছে।

## ■ বিমান-ৰেল-বাছ-গাড়ীৰ কোনো দুৰ্ঘটনাতে নহ'ল মৃত্যু ■ জিকিছিল কোটি টকাৰ লটাৰী

জুনত ছালেকৰ জন্ম। এতিয়া তেওঁ ৯২ বছৰীয়া বৃদ্ধ। অৱশ্যে মৃত্যুৰ স'তে সংগ্ৰাম তেওঁৰ ১৯৬২ৰ পৰাই। তেতিয়া ছালেকৰ বয়স আছিল ৩২ বছৰ। প্ৰথম দুৰ্ঘটনাটো ঘটে ১৯৬২ৰ জানুৱাৰীত। হাড় কঁপোৱা শীতত ক্ৰ'ৱেছিয়াৰ এখন চহৰৰ পৰা আন এখন চহৰলৈ ভ্ৰমণ কৰিছিল তেতিয়াৰ যুৱক ছালেকে। তেওঁ যোৱা ৰেলখন দুৰ্ঘটনাগ্ৰস্ত হয় আৰু কে'বাটাও দবা পথচ্যুত হৈ এখন নদীত পৰেগৈ। ঠাণ্ডাত নদীৰ বৰফ শীতল পানীত ডুবি ছালেকৰ ১৭জন সহযাত্ৰীৰ থিতাতে মৃত্যু হয়। ছালেকো পানীত ডুবিছিল যদিও মোক্ষম সময়ত কোনো লোকে তেওঁক নদীৰ পৰা উদ্ধাৰ কৰে। এখন হাত ভাঙিছিল আৰু প্ৰৱল শীতৰ বাবে পৰৱৰ্তী সময়ত তেওঁ হাইপাৰথেমিয়াত আক্ৰান্ত হৈছিল। অৱশ্যে মৃত্যুৰ পৰা তেওঁ ৰক্ষা পৰে। অৱশ্যে এই ঘটনা তেওঁৰ ঘটনাবহুল জীৱনৰ এটা সৰু উদাহৰণহে আছিল।

পাছৰ বছৰতে আন এক ডাঙৰ দুৰ্ঘটনা ঘটে। তেতিয়া তেওঁ ৰেলত উঠিবলৈ প্ৰায় এৰি দিছিল। মাতৃৰ অসুস্থতাৰ খবৰ লাভ কৰি ছালেকে এখন বিমানত উঠিছিল। অৱশ্যে আসন সংৰক্ষণ শেষ হৈছিল যদিও তেওঁ কেবিনৰ সদস্যসকলৰ কাষতে বহাৰ অনুমতি লাভ কৰে। বিমানখনে মাজ আকাশত উৰি থকা অৱস্থাতে হঠাৎ দুটা ইঞ্জিন বিকল হৈ পৰে। ছালেক বহিছিল দুৱাৰৰ কাষতে। কেবিনত বায়ুৰ চাপ কমি যোৱাত দুৱাৰখন ভাঙি ওলাই যায়। ফলত ছালেকো বিমানৰ পৰা ছিটিকি পৰে। সেই ঘটনাত বিমানৰ ভিতৰত থকা বাকী ১৯জনৰ মৃত্যু হয়। আনহাতে, পেৰাছ্যুট অবিহনেই বিমানৰ পৰা ওফৰি পৰা ছালেক ৰক্ষা পৰে। কাৰণ আকাশৰ পৰা চিধাই আহি তেওঁ পৰেহি এটা বিয়াগোম খেৰৰ মেজিত। ফলত কোনো আঘাতেই তেওঁ নাপালে।১৯৬৬ত ছালেক তৃতীয়টো দুৰ্ঘটনাৰ সন্মুখীন হয়। সেইবাৰ তেওঁ বাছত ভ্ৰমণ কৰিছিল। চকা খুলি বাছখন গৈ সোমাল নদীত। বাছখনত যাত্ৰী কম আছিল। তাৰে চাৰিজনৰ পানীত



# বাৰে বাৰে যমদূত উভতি গৈছিল 'সৌভাগ্যবান দুৰ্ভগীয়া'ৰ কাষৰ পৰা

ডুবি মৃত্যু হ'ল। অৱশ্যে ছালেকে সাঁতুৰি পাৰলৈ আহিবলৈ সক্ষম হয়। সেইবাৰো তেওঁ বিশেষ আঘাত নাপালে।

এই ঘটনাৰ পাছত ছালেকে ৰেল, বাছ আৰু বিমানত উঠাই বন্ধ কৰে। নিজৰ গাড়ীত অহা-যোৱা কৰিবলৈ লয়, কিন্তু তাতো বিপদে নেৰিলে। ১৯৭০ত ছালেকে গাড়ী চলাই থকাৰ সময়তে হঠাৎ তেওঁৰ গাড়ীত জুই লাগে। তেওঁ চলন্ত গাড়ীৰ পৰা জাঁপ দিয়াৰ পাছ মুহূৰ্ততে গাড়ীৰ ইন্ধনৰ টেংকীত বিস্ফোৰণ ঘটে। ছালেকৰ চকুৰ সন্মুখতে পুৰি ছাই হয় গাড়ীখন। ১৯৭৩ত তেওঁ পুনৰ গাড়ী দুৰ্ঘটনাত পতিত হয়। এইবাৰ তেওঁৰ গাড়ীৰ ইন্ধনৰ পাম্প ভাঙি ইঞ্জিনৰ পৰা জুই ওলাবলৈ আৰম্ভ কৰে। সেই জুইত ছালেকৰ মূৰৰ চুলিও পোৰে। সামান্য উচ্চতাৰ হেৰফেৰত তেওঁৰ শৰীৰো দগ্ধ হোৱাৰ আশংকা আছিল যদিও সেইবাৰো তেওঁ ৰক্ষা পৰে। ১৯৯৫ত ছালেকে ৰাস্তাত খোজকাঢ়ি থকা অৱস্থাত এখন বাছে তেওঁক সজোৰে খুন্দা মাৰে। অথচ কোমল বালিৰ দ'মত পৰাৰ বাবে সেইবাৰো তেওঁ বিশেষ আঘাত নাপালে। ১৯৯৬ত ৰাষ্ট্ৰসংঘৰ এখন ট্ৰাকৰ স'তে ছালেকৰ গাড়ীৰ সংঘৰ্ষ হয়। পাহাৰীয়া ৰাস্তাৰ পৰা তেওঁৰ গাড়ীখন তিনিশ ফুট তলত পৰেগৈ, কিন্তু তলত পৰাৰ সময়ত ছালেক গাড়ীখনত নাছিল। গাড়ীখন খাদত পৰাৰ সময়তে তেওঁ ছিটিকি গৈ এজোপা গছৰ ডালত লাগি ধৰিছিল। সেয়াই আছিল ছালেকৰ জীৱনৰ অন্তিমটো ভয়ানক দুৰ্ঘটনা।

৭৩ বছৰ বয়সত ২০০৩ত তেওঁ লটাৰীত ১১ লাখ ১০ হেজাৰ ডলাৰ লাভ কৰে। নিশাৰ ভিতৰতে কোটিপতি হৈ তেওঁ দুটা বৃহৎ দালান আৰু এখন বিলাসবহুল নৌকা ক্ৰয় কৰে। অৱশ্যে ২০১০ত ছালেকে লটাৰীত জয় কৰা বাকী টকাখিনিৰ লগতে ক্ৰয় কৰা সম্পত্তি আত্মীয় আৰু বন্ধুবৰ্গৰ মাজত ভগাই দিয়ে। তাৰ পাছৰে পৰা বিলাসী জীৱন এৰি বৃদ্ধ ছালেকে অকলশৰীয়াকৈ অতি সাধাৰণ জীৱন অতিবাহিত কৰিছে।



# পৰ্বতাৰোহণত গৈ সন্ধান পালে ৰত্ন ভাণ্ডাৰৰ

## এয়াৰ ইণ্ডিয়াৰ দুৰ্ঘটনাগ্ৰস্ত বিমানতে থকাৰ সন্দেহ ঃ অৰ্ধেক ভাগ পালে পৰ্বতাৰোহীয়ে

■ নিউজ ব্যুৰ'

**পেৰিছ, ১৩ ডিচেম্বৰ ঃ** পৰ্বতাৰোহণলৈ গৈ কোটিপতি হ'ল ফ্ৰান্সৰ এজন পৰ্বতাৰোহী। কাৰণ তেওঁ বৰফাবৃত পৰ্বতৰ ওপৰত সন্ধান পাইছিল এক ৰত্ন ভাণ্ডাৰৰ। এতিয়া সেই ৰত্ন ভাণ্ডাৰৰে অৰ্ধেকখিনিৰ গৰাকীত পৰিণত হ'ল এই পৰ্বতাৰোহীজন। অৰ্ধশতিকাৰো অধিক কালৰ পূৰ্বে উক্ত অঞ্চলত বিমান দুৰ্ঘটনাত নিহত হোৱা কোনো যাত্ৰীয়েই এই বিপুল পৰিমাণৰ মণি-মুকুতাৰ প্ৰকৃত গৰাকী বুলি সন্দেহ কৰা হৈছে।

২০১৩ত ফ্ৰান্সৰ ম'ণ্ট ব্লাঁ পৰ্বতৰ বৰফেৰে আবৃত দুৰ্গম অঞ্চলত ট্ৰেকিং কৰিছিল এজন লোকে। সেই সময়তে তেওঁ বৰফৰ তলত ঢাক খাই থকা কোনো ধাতৱ বস্তুত উজুটি খায়। কৌতুহলবশতঃ বৰফৰ চাদৰ আঁতৰাই লোকজনে প্ৰত্যক্ষ কৰে এটা পুৰণিদিনীয়া সৰু বাকচ। সেই বাকচটো খোলাৰ লগে লগে লোকজনৰ চকু কপালত উঠে। কাৰণ বাকচটো ভৰি আছিল চুন্নী, পান্না, মণি-মুকুতা আদিৰে।

অৱশ্যে ইচ্ছা থাকিলেও তেতিয়াই তেওঁ সেই মূল্যবান ৰত্ন ভাণ্ডাৰৰ গৰাকী হ'ব পৰা নাছিল। সেই ৰত্ন ভাণ্ডাৰৰ মালিক কোন হ'ব, তাকে লৈ স্থানীয় প্ৰশাসন আৰু পৰ্বতাৰোহীজনৰ মাজত আঠ বছৰ ধৰি আইনী যুঁজ অব্যাহত থাকে। অৱশেষত দুদিনমানৰ পূৰ্বে সেই সংঘাতৰ অৱসান ঘটে আৰু আদালতৰ নিৰ্দেশত স্থানীয় প্ৰশাসন আৰু পৰ্বতাৰোহীজনৰ মাজত সমানে ভাগ হয় সেই অমূল্য সম্পদ।

উল্লেখ্য যে ম'ণ্ট ব্লাঁ পৰ্বতলৈ যিয়েই পৰ্বতাৰোহণৰ বাবে যায়, তেঁৱেই কিবা নহয় কিবা বস্তুৰ ধ্বংসাৱশেষ পায়। এই পৰ্বতাৰোহীজনেও সেয়ে প্ৰথমে উজুটি খোৱাৰ পাছত কোনো সাধাৰণ বস্তু বুলিয়েই ভাবিছিল। অথচ সেই ৰত্ন ভাণ্ডাৰেই সলনি কৰিলে তেওঁৰ জীৱন।বিপুল সম্পত্তিৰ গৰাকী হৈ পৰিল তেওঁ। চলিত সপ্তাহতে সেই সম্পত্তি ভাগ কৰা হয়। উভয় পক্ষই প্ৰায় ডেৰ লক্ষ পাউণ্ড মূল্যৰ ৰত্ন লাভ কৰা বুলি জনাইছে চাম'নিক্স চহৰৰ মেয়ৰ এৰিক ফ'ৰ্ণিয়াৰে। পৰ্বতাৰোহীজনে যি স্থানত মণি-মুকুতাৰ বাকচটোৰ সন্ধান পাইছিল, সেই স্থানতে ৫০ বছৰৰো অধিক কালৰ পূৰ্বে কম সময়ৰ ব্যৱধানত এয়াৰ ইণ্ডিয়াৰ



দুখনকৈ যাত্ৰীবাহী বিমান ভাঙি পৰিছিল। প্ৰথম দুৰ্ঘটনা সংঘটিত হয় ১৯৫০ আৰু দ্বিতীয় দুৰ্ঘটনাটো ঘটে ১৯৬৬ত। উক্ত বিমান দুখনৰ কোনো এখনৰ পৰাই সেই ৰত্নৰ বাকচটো পৰিছিল বুলি বহুতে ধাৰণা কৰিছে। কে'বা দশক ধৰি বৰফৰ তলত ঢাক খাই আছিল এই যক্ষৰ ধন। বহুতে ধাৰণা কৰিছে যে ১৯৬৬ৰ ২৪ জানুৱাৰীত দুৰ্ঘটনাত পতিত হোৱা বিমানখনতে এই ৰত্নৰ বাকচটো আছিল। মুম্বাইৰ পৰা নিউ য়ৰ্কলৈ উৰি গৈ থকা অৱস্থাত বিমানখন ফ্ৰান্সৰ সেই বৰফাবৃত পৰ্বতৰ ওপৰত ভাঙি পৰে। বিমানত থকা ১১৭জন যাত্ৰীৰেই মৃত্যু হয়। সেই বিমানৰ যাত্ৰীসকলৰ মাজত আছিল ভাৰতৰ পৰমাণু গৱেষণাৰ পথিকৃত বিজ্ঞানী হোমি জাহাংগীৰ ভাবাও।

# ৰাজনৈতিক প্ৰভাৱত অবৈধ কাঠ কয়লাৰ বেহা চলাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

তিনিচুকীয়া, ১৩ ডিচেম্বৰঃ 'প্ৰদেশ কংগ্ৰেছ কমিটিয়ে এইবাৰ বিজেপি নেতৃত্বাধীন চৰকাৰ আৰু বিজেপি দলৰ ভুল নীতিয়ে যে সৰ্বসাধাৰণ জনতাক জুৰুলা কৰিছে, তাৰ বিৰুদ্ধে জন সচেতনতা সৃষ্টি কৰিবলৈ এক সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উদ্দেশ্যে ১৫ ডিচেম্বৰৰ পৰা এক প্ৰশিক্ষণ শিবিৰ আয়োজন কৰিব, য'ত ভাৰতীয় জাতীয় কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পি চিদাম্বৰম উপস্থিত থাকিব।' এই মন্তব্য বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ। আজি তিনিচুকীয়াৰ কংগ্ৰেছ ভৱনত অনুষ্ঠিত এক সংবাদমেলত নাজিৰাৰ বিধায়কজনে লগতে কয় যে আগন্তুক সময়ত ৰাজ্যত কংগ্ৰেছৰ স্থিতি সবল কৰিবলৈ প্ৰতি ঘৰৰ পৰা যাতে অন্ততঃ একোজন সদস্য অন্তৰ্ভুক্ত কৰিব পৰা যায়, তেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। কংগ্ৰেছ দলে ম'বাইলৰ মিছড্ কল লৈ সদস্য ভৰ্তিৰ পক্ষপাতী নহয় বুলি মন্তব্য কৰি শইকীয়াই লগতে কয় যে দলে ইতিমধ্যে ৰাজ্যত প্ৰথম পৰ্যায়ত ৩৩ লাখ সদস্য ভৰ্তি অভিযান আৰম্ভ কৰাৰ লক্ষ্য স্থিৰ কৰিছে।

আজি তিনিচুকীয়াত উপস্থিত হোৱা কংগ্ৰেছ নেতা শইকীয়াই সংবাদমেল সম্বোধন কৰি সাম্প্ৰতিক সময়ত দিনে দিনে বৃদ্ধি পোৱা অত্যধিক মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাক কোঙা কৰি পেলোৱা বিষয়টোত উদ্বেগ প্ৰকাশ কৰে। ইয়াৰ বিৰুদ্ধে ৰাইজক সচেতন কৰাত কংগ্ৰেছ দলে ত্ৰুটি নকৰিব বুলিও তেওঁ মন্তব্য কৰে। শেহতীয়াকৈ অবৈধ কয়লাৰ ব্যৱসায় আৰম্ভ কৰা বিষয়টো আঙুলিয়াই দি বিৰোধী দলপতি শইকীয়াই কয়, 'সকলো ধৰণৰ অবৈধ ব্যৱসায় সম্পূৰ্ণ ৰাজনৈতিক ছত্ৰছাঁয়াত আৰম্ভ কৰা হৈছে।' আজিৰ দিনটোতো তিনিচুকীয়া বাইপাছৰ গোবিন্দপুৰত কে'বাখনো কয়লা ভৰ্তি ট্ৰাক ৰৈ থকা বুলি দাবী কৰি তেওঁ কয় যে নিশাৰ ভাগত উক্ত কয়লা ভৰ্তি ট্ৰাককেইখন ৰাজনৈতিক প্ৰভাৱত নিৰ্দিষ্ট স্থানলৈ যাবগৈ। ২০১৯ত অবৈধ ছিণ্ডিকেটৰ বিৰুদ্ধে গুৱাহাটী উচ্চন্যায়ালয়ত গোচৰ দিয়াৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ন্যায়ালয়ে টাস্ক ফ'ৰ্চ গঠনৰ পৰামৰ্শ দিছিল যদিও চৰকাৰে গুৰুত্ব নিদিয়াত আদালত অৱমাননাৰ জাননী প্ৰেৰণ কৰা সত্বেও আজিলৈকে তেনেকৈয়ে পৰি আছে। আনহাতে, শেহতীয়াকৈ মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ ভূমি কেলেংকাৰি সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী কৰে বিৰোধী দলপতি শইকীয়াই। তেওঁ লগতে কয়, 'ৰাজ্যৰ সকলো জিলাতে ভূমিহীন পৰিয়াল আছে। গতিকে চৰকাৰে ভূমিহীন পৰিয়ালক অগ্ৰাধিকাৰ ভিত্তিত ভূমি প্ৰদান কৰিব লাগে। বিপৰীতে চৰকাৰে সম্প্ৰতি উচ্ছেদ অভিযান চলাইছে আৰু কৈছে যে উচ্ছেদিত পৰিয়ালসমূহৰ দুই ঠাইত মাটি আছে। যদি আছে, তেন্তে প্ৰথমে তেওঁলোকৰ সবিশেষ তথ্য উলিয়াই সেইমতে কাৰ্যব্যৱস্থা হাতত লৈ যিসকল ভূমিহীন পৰিয়াল তেওঁলোকক সংস্থাপিত কৰক।' আজিৰ সংবাদমেলত জিলা কংগ্ৰেছৰ সভাপতি জীৱন কুৰ্মী, প্ৰাক্তন বিধায়ক ৰাজু চাহু, জিলা মুখপাত্ৰ প্ৰেম উপাধ্যায়, অন্যতম সাধাৰণ সম্পাদক প্ৰণৱ বৰুৱা, যুৱ কংগ্ৰেছৰ সভাপতি শিৱনাথ চেতিয়া আদিও উপস্থিত থাকে।



## চাহ জনজাতি অসমীয়া মহাজাতিৰ এক বৃহৎ অংশ ঃ তাঁতী

# টংলাত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা দিৱসৰ লাইখুঁটা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৩ ডিচেম্বৰ ঃ** 'অসমীয়া মহাজাতিৰ এক বৃহৎ অংশ হৈছে চাহ জনজাতি। চাহ জনজাতিয়ে অসমীয়া জনজীৱনৰ স'তে সমিল মিলেৰে একতাৰ ডোলেৰে, শান্তি-সম্প্ৰীতিৰে যুগ যুগ ধৰি বসবাস কৰি আহিছে। অসমৰ সামগ্ৰিক উন্নয়নত অৱদান আগবঢ়াই আহিছে। অহা ২৮ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱসত জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে বৃহত্তৰ টংলাবাসীৰ লগতে অসমবাসীৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিলো।' আজি অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ২৮ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আদৰণি সমিতিৰ কাৰ্যালয় উদ্বোধন কৰি এইদৰে কয় সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মোহন তাঁতীয়ে। সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি তথা প্ৰতিষ্ঠা দিৱসৰ স্মৃতি গ্ৰন্থৰ সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্য, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ওদালগুৰি জিলা সমিতিৰ উপ-সভাপতি নীলয় চলিহাই বক্তব্য ৰাখি প্ৰতিষ্ঠা দিৱস সাফল্যমণ্ডিত আৰু সৰ্বাংগসুন্দৰ কৰিবলৈ যৎপৰোনাস্তি সহায়-সহযোগ আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। কাৰ্যালয় উদ্বোধনৰ পূৰ্বে টংলা উচ্চতৰ মাধ্যমিক খেলপথাৰত প্ৰতিষ্ঠা দিৱসৰ লাইখুঁটা স্থাপন কৰি এক উৎসাহমূলক বক্তব্য ৰাখে বিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ বৰুৱাই। সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় মুখ্যপ্ৰচাৰ সম্পাদক তথা আদৰণি সমিতিৰ উপ-সভাপতি হেমন্ত বৰা কোচ আৰু ওদালগুৰি জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি দ্বীপ তাঁতীয়ে আঁত ধৰা অনুষ্ঠানত চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সদস্য উপেন সিং, প্ৰাক্তন ছাত্ৰ নেতা দ্ৰোণ হাজৰিকা, সাংবাদিক বাপন শৰ্মা, নাৰায়ণ ডেকা, ফটিক নন্দন ৰাভা, টংলা আঞ্চলিক আছুৰ সম্পাদক ৰিংকু ডেকা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ টংলা আঞ্চলিকৰ সদস্য, হাতীগড় হাইস্কুলৰ সহ শিক্ষক নন্দু কুৰ্মীৰ লগতে চাহ জনজাতি ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## কেৱল বৰা, শইকীয়া, শৰ্মাই জাতীয়তাবাদ জীয়াই ৰাখিব নোৱাৰে ঃ ময়ূৰ বৰা

# সত্যনাথ বৰাৰ মৃত্যু দিন উপলক্ষে 'মূল্যবোধৰ দিন' উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** অসম জাতীয় পৰিষদৰ 'জাতীয় স্বাভিমান যাত্ৰা'ৰ চতুৰ্থ দিনাৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি সাহিত্যিক সত্যনাথ বৰাৰ মৃত্যু দিন উপলক্ষে আজি মহানগৰীৰ উজানবজাৰস্থিত বিষ্ণু নিৰ্মলা ন্যাস প্ৰাংগণত 'মূল্যবোধৰ দিন' উদ্‌যাপন কৰা হয়।

অনুষ্ঠানত মুখ্য বক্তাৰূপে উপস্থিত থাকি বিশিষ্ট নিৰন্ধকাৰ ময়ূৰ বৰাই কয় যে সাম্প্ৰতিক গণতান্ত্ৰিক ব্যৱস্থাত এতিয়া মানুহবোৰ কেৱল একো একোটা নম্বৰলৈ পৰ্যবসিত হ'ল। তেওঁ কয় যে কেতিয়াবা আমি এন আৰ চি নম্বৰ, পান নম্বৰ অথবা আধাৰ নম্বৰ আৰু ৰাজনৈতিক দলৰ নেতাসৰৰ বাবে একো একোটা নম্বৰ।

অসমীয়া ভাষা আৰু সামগ্ৰিকভাৱে মূল্যবোধৰ সংকটকালত অসম জাতীয় পৰিষদে সাহিত্যিক সত্যনাথ বৰাক সোঁৱৰণ কৰি প্ৰকৃত অৰ্থত জাতিটোৰ প্ৰতি নৈতিক দায়িত্ব পালন কৰিছে বুলি মন্তব্য কৰি বৰাই কয় যে কেৱল কেইটামান উচ্চবৰ্ণৰ মাজত সীমাবদ্ধ থকা আৰু আনৰ পিঠিত জঁপিয়াই কৰা তথাকথিত আঞ্চলিকতাবাদৰ পৰা আঁতৰি গৈ অসম জাতীয় পৰিষদে এক ব্যতিক্ৰম ৰাজনৈতিক বাগধাৰা বাছি ল'ব লাগিব।

প্ৰসংগক্ৰমে বিশিষ্ট নিৰন্ধকাৰ বৰাই কয়, 'মই আশা কৰো, অসম জাতীয় পৰিষদৰ নেতা-কৰ্মীসকলে আগৰ যিটো সংকুচিত সংকীৰ্ণ অসমীয়াত্বৰ ধাৰণা, যিটো ধাৰণা কেৱল বৰা, শইকীয়া, শৰ্মা, হাজৰিকাৰ মাজত সীমাবদ্ধ তাক বহল কৰিব আৰু সঁচা অৰ্থত মূল্যবোধ, সুস্থ, উদাৰ অসমীয়াত্বৰ বাণী তেওঁলোকৰ মাজতো প্ৰতিধ্বনিত কৰিবলৈ যত্ন কৰিব।'

নেতাসকলৰ দ্বৈত চৰিত্ৰ, যিসকলে ষ্টুডিঅ'ত বহি বৰ বৰ কথা কয়, কিন্তু বাহিৰত অন্য এখন পৃথিৱীত থাকে, তেওঁলোকে সমাজত বহু জটিলতা সৃষ্টি কৰি আহিছে বুলি ক্ষোভ প্ৰকাশ কৰি বিশিষ্ট নিবন্ধকাৰগৰাকীয়ে লগতে কয় যে অসমীয়া জাতিক কোন কোন নেতাই প্ৰতাৰণা কৰিলে তাৰ তালিকা প্ৰস্তুত কৰিবলৈ হ'লে অসম আন্দোলনৰ ছহিদৰ তালিকাতকৈ বেছি দীঘলীয়া হ'ব। শংকৰ-মাধৱৰ বৰগীত শুনি ভূপেন হাজৰিকাৰ গীত শুনি ৰোমাঞ্চিত নোহোৱা, জাতীয়তাবোধ জাগি নুঠা অসমীয়াবোৰ আজি দপ্‌দপাই আছে বুলিও তেওঁ ক্ষোভ প্ৰকাশ কৰে।

অসমীয়া মানুহৰ দীৰ্ঘদিনীয়া ক্ষোভ, হতাশা আৰু ন্যায্য প্ৰাপ্তিৰ যি দাবী আছিল অসম আন্দোলন তাৰেই স্বতঃস্ফূৰ্ত বহিঃপ্ৰকাশ আছিল বুলি মত ব্যক্ত কৰি তেওঁ কয়, 'অসম আন্দোলনতো ত্ৰুটি-বিচ্যুতি আছিল, থাকিবই, গণ আন্দোলনত। কিন্তু ইতিহাসে আমাক এনে গণ আন্দোলনৰ পৰা বহু কথা শিকায়।'

'আমি অসমীয়াৰ বৰ ককাই আৰু তোমালোক সদায় সৰু ভাই, এই দৃষ্টিভংগীৰে নেতৃত্ব দিলে অসমীয়া জাতীয়তাবাদী ৰাজনীতি কেতিয়াও সফল নহয় বুলি অভিমত প্ৰকাশ কৰি বৰাই কয়, 'সকলোকে সমান চকুৰে চাই প্ৰকৃত সন্মান দিবই লাগিব। এনে ধৰণৰ চিন্তাধাৰা পৰিহাৰ কৰিব নোৱাৰা বাবে আৰু কেতবোৰ বৰ্ণৰ মাজত আঞ্চলিকতাবাদৰ নামত দপ্‌দপাই থকা বাবেই আজি তেওঁলোক জীৱনটোৰ বাবেও দপ্‌দপাই ফুৰিবলগা হৈছে।'

সুস্থ আৰু উদাৰ অসমীয়া জাতীয়তাবাদৰ পথেৰে আগুৱাই, যি জাতীয়তাবাদে সকলো খিলঞ্জীয়াক জনগোষ্ঠী, যি জনগোষ্ঠীয়ে নিজৰ ভাষা, সাহিত্য, সংস্কৃতিৰ দ্বাৰা অনুপ্ৰাণিত আৰু প্ৰতিপন্ন তেনে মানুহক লগত লৈ আঞ্চলিকতাবাদ ৰাজনীতিত আগবাঢ়ি যাবলৈও বৰাই আজি অসম জাতীয় পৰিষদৰ নেতৃত্বক পৰামৰ্শ আগবঢ়ায়। অনুপ্ৰৱেশ আৰু অনুপ্ৰৱেশৰ পৰা সৃষ্টি হ'ব পৰা সমস্যাৰ বিষয়ে প্ৰথম মানিক চন্দ্ৰ বৰুৱাই ব্যৱস্থাপনা সভাত উত্থাপন কৰিছিল বুলি উল্লেখ কৰি বৰাই কয় যে যি অনুপ্ৰৱেশৰ কথা কালিৰাম মেধি, নবীন চন্দ্ৰ বৰদলৈৰ দৰে ব্যক্তিয়ে অনুভৱ কৰিব পৰা নাছিল এই কথা মানিক চন্দ্ৰ বৰুৱাই তেতিয়াই অনুধাৱন কৰিব পাৰিছিল। তেওঁ কয়, 'মানিক চন্দ্ৰ বৰুৱাই কোৱাৰ বহু বছৰ পাছলৈকে অনুপ্ৰৱেশৰ পৰা সৃষ্টি হ'ব পৰা সমস্যাৰ কথা অসমীয়া মানুহে অনুভৱ কৰিব নোৱাৰাটো জাতিটোৰ বাবেই দুৰ্বলতা।'

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com